# অভিনন্দন গ্ৰন্থ

## অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া ঃ জীৱন আৰু ব্যক্তিত্ব



সম্পাদক
**বিদ্যুৎ দত্ত**

প্ৰকাশক
অসমীয়া বিভাগ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়,
নগৰবেৰা, কামৰূপ, অসম

# অভিনন্দন গ্ৰন্থ

# অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া ঃ জীৱন আৰু ব্যক্তিত্ব

●

সম্পাদনা

বিদ্যুৎ দত্ত

●

উপদেষ্টা

শ্বাহ জামাল মোল্লা

●

সম্পাদনা সহযোগী

শিল্পী শৰ্মা

এলিয়াচ হাচান চাহাবুল ইচলাম

অসমীয়া বিভাগ, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়,

নগৰবেৰা, কামৰূপ, অসম।

**Adhyapak Shyama Charan Thakuria : Jivan Aru Byaktitva**
A Collection of Articles in Assamese and English written on the occasion of his farewel by the students of the Department of Assamese, faculties, colleagues and well-wishers. Edited by Professor Bidyut Dutta & assisted by Shilpi Sharma & Alias Hasan Sahabul Islam and Published by the Department of Assamese, B.P.Chaliha College, Nagarbera, Kamrup.

---

| | |
|---|---|
| প্ৰকাশক | ঃ অসমীয়া বিভাগ, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা, কামৰূপ, অসম। |
| সম্পাদক | ঃ বিদ্যুৎ দত্ত |
| উপদেষ্টা | ঃ শ্বাহ জামাল মোল্লা |
| সহযোগী সম্পাদক | ঃ শিল্পী শৰ্মা, এলিয়াচ হাচান চাহাবুল ইছলাম |
| সদস্য | ঃ তাহেৰ আলী, অংকুমা দাস |
| গ্ৰন্থস্বত্ব | ঃ অসমীয়া বিভাগ, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়। |
| প্ৰথম প্ৰকাশ | ঃ মাৰ্চ, ২০২১ |
| প্ৰচ্ছদ সজ্জা | ঃ কদম আলী |
| অক্ষৰ বিন্যাস | ঃ বিদ্যুৎ দত্ত |
| মুদ্ৰক | ঃ নিতুল কলিতা |



# শুভেচ্ছাবাণী


ড° বিভূতি ভূষণ পাণ্ডা

অধ্যক্ষ, বি.প্ৰ.চলিহা মহাবিদ্যালয়


আমাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়াৰ জীৱন আৰু কৰ্মৰাজিৰ সম্পৰ্কত অসমীয়া বিভাগে অভিনন্দন গ্ৰন্থ এখন প্ৰকাশ কৰিবলৈ লোৱা খবৰটো পাই মই অত্যন্ত আনন্দিত হৈছোঁ। এগৰাকী অধ্যাপক হিচাপে দীৰ্ঘদিন ধৰি মই তেখেতৰ সৈতে কাম কৰিছিলোঁ। ২০১২ চনত মই অধ্যক্ষৰ দায়িত্ব লোৱাৰ সময়ৰ পৰাই মহাবিদ্যালয়খনৰ বিভিন্ন কাম-কাজত ঘনিষ্ঠভাৱে তেওঁৰ লগত কাম কৰাৰ সুযোগ লাভ কৰিলোঁ। মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজ তেওঁ যথেষ্ট নিষ্ঠাৰে সম্পন্ন কৰাৰ লগতে যিকোনো দায়িত্ব দিলে তেওঁ অতি দায়বদ্ধতাৰে সেই দায়িত্ব মূৰ পাতি লৈছিল। যদিও দেখাত তেওঁ যথেষ্ট হৃষ্ট-পুষ্ট আৰু কঠোৰ, তথাপি তেওঁৰ অন্তৰ অত্যন্ত কোমল। দুখীয়া ছাত্ৰ-ছাত্ৰীক সহায় কৰাৰ বাবে তেওঁ বিভিন্ন সময়ত মোৰ অফিচলৈ আহি মোক অনুৰোধ জনোৱাটো এটা নিয়মীয়া কথা হৈ পৰিছিল। মহাবিদ্যালয়ৰ বছৰেকীয়া ছাত্ৰ ইউনিয়নৰ নিৰ্বাচন, প্ৰতিষ্ঠা দিৱস, IQAC ৰ আন্তঃগাঁথনি নিৰ্মাণ তথা স্থানীয় ৰাইজৰ লগত মহাবিদ্যালয়ৰ সু-সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত তেখেতৰ যথেষ্ট অৱদান আছে।

সকলোতকৈ ডাঙৰ কথাটো হ'ল— মই বিচাৰিলে যিকোনো সময়তে তেখেত কলেজত উপস্থিত হৈছিল। বিভিন্ন সময়ত নানাধৰণৰ সমস্যা সমাধানৰ ক্ষেত্ৰত তেখেতে যথেষ্ট সহায়-সহযোগিতা আগবঢ়াইছিল। তেখেতৰ জীৱন আৰু কৰ্মৰাজি সম্পৰ্কত অসমীয়া বিভাগে প্ৰকাশ কৰিবলগীয়া গ্ৰন্থখনত তেখেতৰ ব্যক্তিত্ব আৰু কৰ্মৰ বিভিন্ন দিশ আলোকপাত হ'ব। ইয়াৰ দ্বাৰা ছাত্ৰ সমাজ যথেষ্ট উপকৃত হ'ব বুলি মোৰ বিশ্বাস। অসমীয়া বিভাগৰ এই মহান প্ৰচেষ্টাক মই মহাবিদ্যালয় পৰিয়ালৰ হৈ শুভেচ্ছা জনাইছোঁ।◆◆

# সম্পাদকীয় ০ ০ ০

এৰিষ্ট'টলে কৈছিল—Teaching is the highest form of understanding. (শিক্ষণ হৈছে বোধগম্যতাৰ উৎকৃষ্টতম উপাদান)। শিক্ষণ অবিহনে মানৱ সভ্যতাৰ উত্তৰণ সম্ভৱ নহয়। দৰাচলতে শিক্ষণেহে মানৱ সমাজক বৰ্তমানৰ দৰে এক উন্নততৰ স্তৰলৈ আগবঢ়াই লৈ অনাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। আৰু এই শিক্ষণ প্ৰক্ৰিয়াক এক চলমান ৰূপ দিয়া মূল ব্যক্তিজনেই হৈছে শিক্ষক। শিক্ষকক জাতি এটাৰ নিৰ্মাতা বুলি কোৱা হয়। সেই শিক্ষক হ'ব লাগিব ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰি এক সঠিক পথৰ সন্ধান দিব পৰা ব্যক্তি। তেনে শিক্ষকেহে সমাজ এখনৰ প্ৰগতিৰ সোপান সঠিকভাৱে ৰোপণ কৰিব পাৰে। অসমৰ উচ্চশিক্ষাৰ ইতিহাসত নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ এক বিশেষ সুনাম আছে। সমান্তৰালভাৱে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগটোৰো এক সুকীয়া পৰিচয় আছে। যিকেইজন শিক্ষকৰ বলিষ্ঠ নেতৃত্বত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগটোৱে এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে, সেই শিক্ষকসকলৰ ভিতৰত অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়াৰ নাম বিশেষভাৱে গুৰুত্বপূৰ্ণ। ১৯৯১ চনত শ্ৰীযুত ঠাকুৰীয়াই মহাবিদ্যালয়খনৰ অসমীয়া বিভাগত সহকাৰী অধ্যাপকৰ পদত আনুষ্ঠানিকভাৱে যোগদান কৰে। যোগদানৰ সময়ৰ পৰাই মহাবিদ্যালয়খনৰ মান বৃদ্ধিৰ বাবে অনবৰতে চিন্তা কৰা শ্ৰদ্ধাৰ ঠাকুৰীয়া ছাৰে কৰ্মজীৱনৰ সমগ্ৰ সময় কেৱল মহাবিদ্যালয়খনৰ উন্নতিৰ চিন্তাতে ব্ৰতী হৈ ৰ'ল। এগৰাকী আদৰ্শৱান শিক্ষকৰ প্ৰায়বোৰ গুণেৰে বিভূষিত শ্ৰদ্ধাৰ ঠাকুৰীয়া ছাৰে মহাবিদ্যালয়খনৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ লগতে অন্যান্য কৰ্মচাৰীৰ লগতো সমানে সদ্ ব্যৱহাৰ কৰিছিল। ধীৰ-স্থিৰ স্বভাৱৰ ঠাকুৰীয়া ছাৰ অতি মৰমীয়াল স্বভাৱৰ আছিল যদিও প্ৰয়োজনত কিন্তু কঠোৰো হৈ পৰিছিল। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা যেন তেওঁৰ সন্তানৰ সমস্যাহে আছিল। সন্তানৰ অভাৱবোৰ পূৰোৱাৰ দৰেই বিভিন্ন সময়ত ছাত্ৰ-ছাত্ৰীকো তেওঁ সহায়ৰ হাত আগবঢ়াইছিল। বিভাগটোৰ উপৰিও ঠাকুৰীয়া ছাৰে মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰতো জড়িত হৈ মহাবিদ্যালয়খনৰ উন্নতিৰ চিন্তা কৰিছিল। মহাবিদ্যালয়খনৰ শৈক্ষিক অভিভাৱক হিচাপেও তেওঁ দায়িত্ব পালন কৰিছিল। সুদীৰ্ঘ সময় তেওঁ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতিৰ দায়িত্বতো আছিল। এনে এগৰাকী শিক্ষকৰ আনুষ্ঠানিক বিদায়ৰ মুহূৰ্তত তেওঁক দিব পৰাকৈ আমাৰ হাতত একো নাই। এনে মুহূৰ্তত তেওঁক এখনি ক্ষুদ্ৰ 'অভিনন্দন' গ্ৰন্থেৰে সন্মান জনাবলৈ পাই আমি অতি আনন্দ অনুভৱ কৰিছোঁ। ঠাকুৰীয়া ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ। ◆◆

বিদ্যুৎ দত্ত

# সূচীপত্ৰ


পৃষ্ঠা

- কৃতজ্ঞতাৰ দুআষাৰ ১-৬
  ধীৰেশ চক্ৰৱৰ্তী
- জ্ঞানৰ অক্লান্ত সাধক মাননীয় শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ কৰ্মজীৱনৰ এমুঠি অনুভৱ ৭-৮
  ড° দিগন্ত কলিতা
- আদৰ্শ শিক্ষক শ্যামা চৰণ ঠাকুৰীয়া ৯-১০
  জুৰি পাঠক
- শ্যামা চৰণ ঠাকুৰীয়া ছাৰ মানুহজন ১১-১২
  মৰ্জিনা খাতুন
- শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ পৰিচয় ১৩-১৪
  অনিমা খাতুন
- শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ বিষয়ে দু-আষাৰ ১৫-১৬
  নৱনীতা দাস
- শ্যামা চৰণ ঠাকুৰীয়া ছাৰ আৰু মোৰ কিছু ব্যক্তিগত অনুভৱ ১৭-১৮
  ভনীতা দাস
- মোৰ অনুভৱৰ দলিচাত ঠাকুৰীয়া ছাৰ ১৯-২০
  মিনোৱাৰা পাৰবিন
- মোৰ পূজনীয় শিক্ষাগুৰু ঠাকুৰীয়া ছাৰ ২১-২২
  জুৰি দাস

■ শ্ৰেণীকোঠাত শ্যামা ছাৰ ২৩

পিংকী দাস

■ ঠাকুৰীয়া ছাৰ আৰু কিছু অনুভৱ ২৪-২৫

শ্বেলিমা আহমেদ

■ ঠাকুৰীয়া ছাৰৰ বিদায় ২৬-২৭

ইলিজা পাৰবিন

■ ঠাকুৰীয়া ছাৰৰ সান্নিধ্যত কটোৱা সময়বোৰ ২৮-২৯

ৰেজাউল হক

■ অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া ঃ জীৱন আৰু ব্যক্তিত্ব ৩০-৩২

জুনুমা খাতুন

■ মোৰ আদৰ্শ গুৰু ৩৩-৩৪

কৃষ্ণ দাস

■ অৱসৰপ্ৰাপ্ত অধ্যাপক ঠাকুৰীয়া ছাৰ আৰু মোৰ কিছু অনুভৱ ৩৫-৩৬

চামেলী দাস

■ মোৰ স্মৃতিত ঠাকুৰীয়া ছাৰ ৩৭-৩৮

সন্ধ্যা দাস

■ স্মৃতিৰ পটত প্ৰিয় শিক্ষাগুৰু ৩৯-৪০

লতিফা আহমেদ

■ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া ছাৰ ৪১-৪২

জোস্না ভানু

■ শ্যামা চৰণ ঠাকুৰীয়া ছাৰ আৰু মোৰ কিছু অনুভৱ ৪৩-৪৪
ডিম্পী কৌৰ
■ কলেজীয়া জীৱনত প্ৰিয় শিক্ষকজনৰ প্ৰভাৱ ৪৫-৪৭
তাহেৰ আলি
■ শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰ ৪৮-৪৯
সাগৰিকা কলিতা আৰু ভূপালী তালুকদাৰ
■ মোৰ অনুভৱত শ্যামা চৰণ ঠাকুৰীয়া ছাৰ ৫০-৫৩
এলিয়াচ হাচান চাহাবুল ইচলাম
■ শ্যামা চৰণ ঠাকুৰীয়া ছাৰ ৫৪-৫৫
ৰুবুল তালুকদাৰ
■ শ্যামা চৰণ ঠাকুৰীয়া ছাৰ আৰু মোৰ কিছু অনুভৱ ৫৬-৫৭
ডেইজী মেধি
■ ঠাকুৰীয়া ছাৰ আৰু কিছু স্মৃতি ৫৮-৫৯
কৃষ্ণা ৰায়
■ ঠাকুৰীয়া ছাৰৰ সান্নিধ্যৰ সময়খিনি ৬০-৬১
ডেইজী আহমেদ
■ প্ৰিয় শিক্ষাগুৰুৰ প্ৰতি একলম ৬২-৬৩
অংকুমা দাস
■ অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়াৰ সৈতে সাক্ষাৎকাৰ ৬৪-৭২
বিদ্যুৎ দত্ত

■ শ্ৰদ্ধাৰে শ্যামা চৰণ ঠাকুৰীয়া ছাৰলৈ

ভূমিজা বৰ্মন ৭৩-৭৫

■ Down Memory Lane

নিৰ্মল চন্দ্ৰ ভোই ৭৬-৮২

■ শ্ৰী শ্যামা চৰণ ঠাকুৰীয়াৰ ব্যক্তিত্ব

শ্বাহ জামাল মোল্লা ৮৩-৮৫

# কৃতজ্ঞতাৰ দুআষাৰ

●ড° ধীৰেশ চক্ৰৱৰ্তী

২০২০ চনৰ ৩০ ছেপ্টেম্বৰ তাৰিখে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক তথা প্ৰাক্তন মুৰব্বী শ্ৰী শ্যামা চৰণ ঠাকুৰীয়া ডাঙৰীয়াই নিজৰ চাকৰি কাল সফলতাৰে সামৰি অৱসৰ গ্ৰহণ কৰিলে। অৱশ্যে এই প্ৰক্ৰিয়া এয়াই প্ৰথম নহয়। চাকৰি কাল সম্পূৰ্ণ কৰি চৰকাৰী নীতি অনুসৰি অৱসৰ লোৱা পৰ্ব আমাৰ মহাবিদ্যালয়ত আৰম্ভ হ'ল যোৱা ২০০৩ চনৰ পৰা। আমাৰ পৰম শ্ৰদ্ধাৰ, ইতিহাস বিভাগৰ অধ্যাপক স্বৰ্গগত আব্দুছ ছামাদ আলী প্ৰথমগৰাকী অৱসৰী অধ্যাপক, তেখেতে ৩১/০৫/২০০৩ তাৰিখে অৱসৰ লয়। ক্ৰমশঃ ৩১/১০/২০০৪ ইং তাৰিখে স্বৰ্গীয় উমেশ দাস ছাৰ, ২৮/০২/২০০৬ তাৰিখে স্বৰ্গগতা কল্যাণী বাইদেৱে অৱসৰ লয়। শ্ৰদ্ধেয় ঠাকুৰীয়া দেৱকে ধৰি এতিয়ালৈ অৰ্থাৎ ৩০/০৯/২০২০ তাৰিখলৈ আমাৰ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক-অধ্যাপিকাৰ সংখ্যা কুৰিগৰাকী হ'লগৈ।

ব্যক্তিগগভাৱে মই ১৯৯২ চনৰ ছেপ্টেম্বৰ মাহৰ তিনি তাৰিখৰ পৰাই আটাইকেইগৰাকী মহান শিক্ষাগুৰুক অতি ঘনিষ্ঠভাৱেই পাইছোঁ। সাংঘাতিক মিঠা অভিজ্ঞতা। এজাক নক্ষত্ৰৰ মাজত মই এক অনুমাত্ৰহে আছিলোঁ। কি অকৃত্ৰিম ভালপোৱা। অগাধ বিশ্বাস, পৰিপূৰ্ণ ভৰষা। গোটেই চৌহদটো বিৰাজ কৰিছিল এক স্বৰ্গীয় সুখানুভূতি। অৱশ্যে এই অনাবিল আনন্দৰ খনি আছিল আমাৰ আটাইৰে শ্ৰদ্ধাৰ অধ্যক্ষ স্বৰ্গীয় দেৱপ্ৰসাদ শইকীয়া ছাৰ। শইকী ছাৰ অৱসৰী নৌহওঁতেই ৯/১০/১৯৯৬ তাৰিখে ইহলীলা সম্বৰণ কৰে। অথন্তৰ ঘটিল মহাবিদ্যালয় পৰিয়ালত। অভিভাৱকহীন হ'ল পৰিয়ালটো। শূন্য এই অনুভৱ কোনেও অস্বীকাৰ কৰিব নোৱাৰে। নকৰেও! তাৰেই সাক্ষী আমাৰ মহাবিদ্যালয়ৰ সাহিত্য কানন, শিক্ষক-কৰ্মচাৰী গোটৰ উদ্যোগত শইকী ছাৰৰ মৃত্যুৰ দিনেটোত প্ৰতি বছৰে পালন কৰি অহা 'দেৱ প্ৰসাদ শইকীয়া স্মা বক্তৃতা' অনুষ্ঠান। সঁচাকৈয়ে এক মনোগ্ৰাহী অনুষ্ঠান। এই আপাহতে মই সাহি কানন, শিক্ষক-কৰ্মচাৰী গোটৰ লগতে অসমীয়া বিভাগৰ শলাগ লৈছোঁ। সাহি কানন অসমীয়া বিভাগৰ মানস সন্তান। অৱশ্যে পৰৱৰ্তী কালত ই মহাবিদ্যাল আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষ (IQAC) ৰ দ্বাৰা গঠিত শিক্ষা সম্প্ৰসা কেন্দ্ৰ (ECC)ৰ এক অন্যতম অংগ হিচাপে স্বীকৃত হয়। সাহিত্য কাননৰ উত্তৰো উন্নতি কামনা কৰিলোঁ। এই ছেগতে শ্ৰদ্ধাপূৰ্বক আহবান জনাব খুজিছোঁ; লক্ষ্য আৰু উদ্দেশ্যেৰে সাহিত্য কানন ভূমিষ্ঠ হৈছিল তাক আৰু সফলভ সমুজ্জ্বল কৰিববলৈ পৰ্যায়ক্ৰমে কলা-সাহিত্য-সংস্কৃতি বিষয়ক কাৰ্যসূ অনুৰাগীসকলৰ জ্ঞান আৰু কৌশল বৃদ্ধিত অৰিহণা যোগাবলৈ ব্যৱস্থা গ্ৰ কৰিব পাৰে। সাম্প্ৰতিক সময়ত অন্যান্য অৰ্থকৰী বিদ্যাৰ লগতে 'কলা-সাহি সংস্কৃতি'ৰ অধ্যয়নো হ'ব পাৰে জীৱন-জীৱিকাৰ এক উৎকৃষ্ট আহিলা। সাহি কাননৰ উদ্যোগত 'সাহিত্য কানন' নামকৰণেৰে এটি বাৰ্ষিক সংকলন প্ৰকা দিহা কৰিব পাৰে। এই বৰ্ষৰ পৰাই এই যাত্ৰা আৰম্ভ কৰি সাহিত্য কাননক নতুন মাত্ৰা প্ৰদান কৰিব পাৰে। সৎ-সক্ৰিয় আৰু উদ্ভাৱনী শক্তিসম্পন্ন ব্যক্তি মন আৰু মগজুত নিত্য-নতুন বৌদ্ধিক চিন্তনৰ উৎপত্তি সমাজৰ বাবেই সুখ

দায়ক হ'ব। মই গৌৰৱান্বিত যে, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্বাহ জামাল মোল্লা ডাঙৰীয়াই অৱসৰী অধ্যাপক-অধ্যাপিকাৰ বিদায় সম্বৰ্ধনা সম্পৰ্কত এটি বৰ সুন্দৰ প্ৰস্তাৱ দাঙি ধৰি ক'লে যে;— বিদায় সম্বৰ্ধনা অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদায়ী সতীৰ্থগৰাকীৰ কৰ্মজীৱনৰ সফলতা আৰু সাহচৰ্যক লৈ প্ৰস্তুত কৰা লিখনিৰ এটি সংকলন প্ৰকাশ কৰি উলিয়ালে, ই হ'ব বিদায়ী সতীৰ্থগৰাকীৰ প্ৰতি আমাৰ উৎকৃষ্টতম উপহাৰ। প্ৰস্তাৱটো আলোচনাৰ বাবে মুকলি কৰি দিলে। মই ব্যক্তিগতভাৱেগোটৰ সভাপতিক অনুমোদনৰ বাবে অনুৰোধ কৰিলোঁ। পিছে কাৰ্যকৰী নহ'ল। কিয় নহ'ল নাজানিলোঁ। আচলতে আত্মবিশ্বাসী মানুহে আনৰ সহায়লৈ বৰ বেছি অপেক্ষা কৰি সময় নষ্ট কৰি নাথাকে। মোল্লাই তাৰেই পৰিচয় দি ব্যক্তিগত উদ্যোগত বিভাগীয়ভাৱে সদ্য অৱসৰী অধ্যাপক মাননীয় শ্যামা চৰণ ঠাকুৰীয়াদেৱৰ লগতে কিছুদিন পূৰ্বে অৱসৰ লোৱা আন দুগৰাকী সতীৰ্থ মাননীয় নগেন্দ্ৰ নাৰায়ণ দেৱান আৰু মাননীয়া দিপ্তীৰেখা পাঠক মজুমদাৰ বাইদেউৰ সফল কৰ্মজীৱন আৰু সাহচৰ্যৰ প্ৰতি কৃতজ্ঞতা জনাবলৈ এটি চমু সংকলন প্ৰস্তুত কৰি উলিয়াবলৈ প্ৰয়াস কৰি তাত মোকো দু-আষাৰ ব্যক্ত কৰিবলৈ সুবিধাকণ দিয়াৰ বাবে মই অধ্যাপক মোল্লাক ধন্যবাদ জনাইছোঁ।

অধ্যাপক নগেন্দ্ৰ নাৰায়ণ দেৱান মোৰ লগতে আন বহুতৰে শ্ৰদ্ধাৰ দেৱান দা। প্ৰকৃতাৰ্থত এজন ভদ্ৰলোক। স্বল্পভাষী, মৃদুভাষী এজন দায়িত্বশীল, নিষ্ঠাৱান অগ্ৰজৰ ভূমিকাৰে নিজৰ সুদীৰ্ঘ কাৰ্যকাল সফলতাৰে সামৰি গৌৰৱান্বিত হোৱা এগৰাকী কৃতি শিক্ষক হ'ল দেৱান দা। বি. প্ৰ. চলিহা মহাবিদ্যালয়ৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত সন্মুখৰ পৰা নেতৃত্ব দিয়া দেৱান দাৰ অৱদান অনস্বীকাৰ্য। ব্যক্তিগতভৱে মই বিভিন্ন স্তৰত— গৱৰ্নিং বডিৰ সতীৰ্থ সদস্য হিচাপেই হওক বা কৰ্তৃপক্ষৰ দ্বাৰা আৰোপিত বিশেষ কিছুমান দায়িত্ব সম্পাদন কৰাতেই হওক, IQACৰ ক'ৰ কমিটিৰ সদস্য হিচাপেই হওক দেৱান দাৰ প্ৰজ্ঞা, শুদ্ধ দৃষ্টিভংগী আৰু সুচিন্তিত নিৰপেক্ষ মন্তব্য আৰু দক্ষতাক শ্ৰদ্ধাৰে সোঁৱৰোঁ আৰু পাথেয় হিচাপে গ্ৰহণ কৰি আহিছোঁ। এনেহেন ব্যক্তিত্বৰ প্ৰভাৱৰ পৰা বঞ্চিত হ'ব লগা হোৱাটো যিকোনো অনুষ্ঠানৰ বাবে পূৰাব নোৱৰা স্মৃতি। মই শ্ৰদ্ধাৰ দেৱান দাৰ

সুস্বাস্থ্য কামনাৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাওঁ।

অধ্যাপিকা দিপ্তীৰেখা পাঠক মজুমদাৰ বাইদেউ আমাৰ সকলোৰে মৰম দিপ্তী বাইদেউ। মোৰ বিশ্বাসেই নহয় দিপ্তী বাইদেৱে অৱসৰ ল'লে। এটা অত সঁচা কথা হ'ল— সমসাময়িক আমি যিমান কেইজন সতীৰ্থ আছোঁ, আম বাবে স্বৰ্গীয় কল্যাণী বাইদেউ, লিলি বাইদেউ, দিপ্তীৰেখা বাইদেউ আৰু গধূ বাইদেউ যেন কোনোবা জনমৰ আপোন বাইদেউৱেই আছিল! এখেতসকল আমি কাহানিও সহকৰ্মী বুলি ভবাৰ ধৃষ্টতা দেখুওৱা নাছিলোঁ। কল্যাণী বাইদেউ আত্মাই চিৰশান্তি লাভ কৰক। সৌভাগ্য বা দুৰ্ভাগ্য যিয়েই নহওক মই সুদীৰ্ঘ কা কৰ্তৃপক্ষৰ দ্বাৰা আৰোপিত বিভিন্ন দায়িত্ব পালন কৰি আহিছোঁ। বিশেষ NAAC ৰ দ্বাৰা কৰিব লগীয়া মূল্যায়নৰ কামত ব্যস্ত থকা সময়ত দিপ্তী বাইদে সততে আহি কাষত বহি ক'ব— ধীৰেশ এইটো কাম হ'ল নে? ইটো নকৰা বি কামবিলাক অলপ অলপ কৈ সকলোকে ভগাই দিয়া, তুমি অকলে কিমান কৰিব ইত্যাদি। এক মৰম মিশ্ৰিত অভিভাৱকৰ দায়িত্ব পালন কৰিছিল বাইদেৱে। সেয়ে বাইদেউৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা প্ৰকা সাহিত্য অনুষ্ঠান বাইদেউ কৃত কৰ্মৰাজিৰ উদাহৰণ। গোট গোট হাতৰ আখৰে লিখা বিভাগীয় আলোচনী 'প্ৰতীতি' প্ৰকাশ বাইদেউৰ অন্যতম প্ৰশংসনীয় কা ২০১৬ চনৰ এপ্ৰিল মাহত আমাৰ মহাবিদ্যালয়ৰ NAAC ৰ পৰিদৰ্শন কাল Peer team ৰ সদস্যসকলে এই কাৰ্যৰ ভূয়সী প্ৰশংসা কৰিছিল। এনেবোৰ কথ বাবেই বাইদেউ ধন্যবাদৰ পাত্ৰ। মোৰ শ্ৰদ্ধাৰ দিপ্তী বাইদেউৰ সুস্বাস্থ্য কাম কৰিছোঁ।

অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া, আমাৰ সকলোৰে শ্যামা দাই অৱসৰ ল' কলেজখন উকা হৈ যাব। কিছুদিনৰ পৰা এনে ভাৱেই পীড়া কৰি আছিল। শ্যাম অকল অসমীয়া বিভাগৰ নাছিল তেখেতৰ অস্তিত্ব সমস্ত কলেজখনতে বিৰাজমান। শিক্ষকতাৰ উপৰি কলেজখনৰ প্ৰহৰীৰ দৰে দায়িত্ব নিৰ্বাহ কৰিছি তেওঁ। বন্ধ বা খোলাৰ কথা নাই কৰ্তৃপক্ষই যেনেদৰেই যেতিয়াই বিচাৰিছি ঠিক তেনেদৰেই দায়িত্ব পালন কৰিছিল। নগৰবেৰাৰ দৰে এখন ভিতৰু

যোগাযোগ ৰহিত, আৰ্থিক-অনাটনেৰে আক্ৰান্ত আৰু বানে গৰকা গ্ৰামীণ অঞ্চলত আ.প্ৰ. চলিহা মহাবিদ্যালয়ৰ আজিৰ এই ৰূপ সহজ কথা নহয়। একাংশ সুহৃদৰ সাহস, ঐকান্তিক প্ৰচেষ্টা, ত্যাগ আৰু শ্ৰমৰ সুফল বুলি গণ্য কৰিব পাৰি। বাতানুকুল সুৰক্ষিত বহি কাম কৰাৰ সুবিধা এই কৰ্মী বাহিনীৰ নাছিল, তথাপি প্ৰাণাধিক স্নেহৰ কলেজখনৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবে এয়া সম্ভৱ হৈছিল। কলেজখনৰ প্ৰতি শ্যামচৰণ ঠাকুৰীয়াৰ শ্ৰদ্ধা, প্ৰেম, দায়বদ্ধতাৰ অলেখ দৃষ্টান্ত আছে। মহাবিদ্যালয় পৰ্যায়ৰ অনুষ্ঠানত সমস্যাৰ আকাল নাথাকে। নিত্য নতুন সমস্যাৰ সন্মুখীন হ'ব লগা হয়। ছাত্ৰ-ছাত্ৰীৰ সমস্যা, শিক্ষক-কৰ্মচাৰীৰ সমস্যা, সা-সুবিধাৰ সমস্যা, আৰ্থিক সমস্যা আৰু বহু সমস্যা আছে। কোনোবাই বিশ্বাস কৰিব নে! কলেজৰ তহবিলত নগদ ধন নাই, পাবলগীয়া মঞ্জুৰিৰ ধনো আহি পোৱা নাই, ইফালে নিৰ্ধাৰিত সময়ত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব লাগে, নিৰ্দেশ। কি কৰিব বাৰু? নিজৰ দায়িত্বত দোকানৰ পৰা বাকীকৈ সামগ্ৰী ক্ৰয় কৰাই নহয়; নগদ ধন ঋণ লৈয়ো কলেজৰ প্ৰয়োজন পূৰণ কৰা হৈছে। শ্যামা চৰণ ঠাকুৰীয়া ছাৰো এনেবোৰ কাৰ্যৰ এগৰাকী অংশীদাৰ। এনেবোৰ অত্যুৎসাহী কাৰ্যৰ তেনে কোনো আনুষ্ঠানিক স্বীকৃতি নাই, নাথাকে, নাথাকিব পাৰে কিন্তু কৃতজ্ঞতা প্ৰকাশ কৰাৰ ব্যৱস্থা থাকিব লাগে। ঠাকুৰীয়াদেৱৰ দৃষ্টান্তমূলক মহান কাৰ্যসমূহৰ বাবে তেখেতলৈ মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ এই সুবিধাকণ কৰি দিয়াৰ বাবে বন্ধুবৰ মোল্লালৈ ধন্যবাদ জনাইছোঁ।

শ্যামা চৰণ ঠাকুৰীয়াদেৱৰ ব্যক্তিত্বই ব্যাপকতা লাভ কৰা বৈশিষ্ট্য এটা হ'ল— তেখেত সমাজ সচেতন ব্যক্তি, নিজৰ আপোন সমাজখনক লৈ তেওঁ অধিক সচেতন। ছাত্ৰ অৱস্থাৰ পৰাই ইয়াৰ ব্যাপ্তি ঘটিছে। তেখেতৰ এটা কাৰ্যই মোৰ এই ধাৰণাক অধিক দৃঢ় কৰিছে। কোনোবা এটা বৰ্যত, কিবা কাৰণত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ ফলাফল আশানুৰূপ নহ'লে তেখেত অস্থিৰ হৈ পৰে। আচলতে নগৰবেৰাৰ বৃহত্তৰ অঞ্চলৰ বাবেই আমাৰ কলেজখন প্ৰাণৰো প্ৰাণৰ, হিয়াৰ আমঠু। কলেজখনক লৈ সকলোৰে বহুত প্ৰত্যাশা। হোৱাৰ কথাও। আজিৰ পৰা প্ৰায় তিনিকুৰি বছৰ পূৰ্বে এজাক শিক্ষানুৰাগী মহান আত্মাৰ দৃঢ় সংকল্পৰ

ফচল এই বি.প্র. চলিহা মহাবিদ্যালয়। এটাই আশা, এই পিছপৰা অঞ্চলটো উ
শিক্ষাৰ পোহৰেৰে উজ্বলাব। এতিয়া এইসকল মহানুভৱ ইহ সংসাৰত না
নাথাকিলেও কলেজৰ ফলাফল ভাল নহ'লে এইসকলৰ আত্মাই শান্তি নাপাব
শ্যামাদা ছাগে এই বাবেই অধিক অস্থিৰ হৈ পৰিছিল। এনে চিন্তা আমাৰ সকলো
থাকিব লাগে। তাৰ বাবে আমি দায়বদ্ধ। আমি মানে— শিক্ষক, ছাত্র-ছাত্রী
অভিভাৱক, সদাশয় ৰাইজ, সমাজৰ প্ৰতিগৰাকী সচেতন ব্যক্তিয়েই এইক্ষেত্ৰত
দায়বদ্ধ থাকিব লাগিব। সু-পৰিচালনাৰ ফলতহে ফলাফল ভাল হয়। কু-
পৰিচালনাৰ ফলত ফলাফল কেতিয়াও ভাল নহয়। যিকোনো সফলতাৰ পথত
গৰ্হিত চিন্তা এৰিবই লাগিব।

কলেজখনৰ সামগ্রিক বিষয়সমূহ লৈ শ্যামাদাৰ লগত মোৰ নিয়মিত চর্চা
হৈছিল। আমি দুয়ো কর্তৃপক্ষৰ দ্বাৰা আৰোপিত বিভিন্ন দায়িত্ব পালন কৰি আহিছোঁ
দীর্ঘকাল। আমাৰ মাজত মতান্তৰো হৈছে বিভিন্ন বিষয়ত। কিন্তু গৌৰৱেৰে কওঁ
মনান্তৰ হোৱা নাই কোনোদিন। তথাপি কওঁ এনেদৰে কার্যনির্বাহ কৰোঁতে যদি
কেতিয়াবা কিবা কথাত মোৰ উক্তি বা যুক্তিয়ে তেখেতৰ অন্তৰত আঘাত দিছিল
তাৰ বাবে ক্ষমা বিচাৰিছোঁ।

শ্যামাদা যাব নহয়, শ্যামদা গ'ল। কলেজখন উকা হ'ল। সময়ত এই পদবোৰ
ঠিকেই পূৰণ হ'ব, হ'লেও কলেজখনৰ স্বাৰ্থত পর্যাপ্ত সময় দিব পৰা ব্যক্তিৰ
অভাৱ হ'ব। ব্যক্তিগতভাৱে মই, মোৰ দায়িত্ব পালন কৰোঁতে প্ৰয়োজনত সু-
পৰামর্শেৰে সকাহ দিয়া, সাহস দিয়া দায়িত্বশীল সুহৃদ এগৰাকীৰ অনুপস্থিতি
পলে পলে অনুভৱ কৰিম। মই আশা কৰোঁ, শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ডাঙৰীয়াই
কলেজ পৰিয়ালৰ লগত আগন্তুক দিনবোৰতো আত্মিক সম্পৰ্ক অটুট ৰাখিব।
মই তেখেতৰ সু-স্বাস্থ্য কামনা কৰিছোঁ।

শেষত, পুনৰ অসমীয়া বিভাগৰ তিনিগৰাকী বিদায়ী শিক্ষাগুৰুকে আন্তৰিক
শ্ৰদ্ধা জনাই, কৃতজ্ঞতাৰে সামৰিছোঁ।◆◆

# জ্ঞানৰ অক্লান্ত সাধক মাননীয় শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ কৰ্মজীৱনৰ এমুঠি অনুভৱ

●ড° দিগন্ত কলিতা

আপুনিতো সকলো জানেই
আপোনাৰ ছাঁতেই ঠন ধৰি উঠিছিল
মোৰ তিনিটা বসন্তৰ হেঁপাহ
ভৱিষ্যতৰ সোণালী দিনৰ আশা

ৰামধেনুৰ আভা সানি সময়ে বাগৰ সলায় জীৱনৰ এটি এটি বসন্তৰ ৰূপত। সময়ৰ নিয়মেৰেই খোজকাঢ়ি এদিন আপুনি খোজ পেলাইছিল বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উৰ্বৰ বাতাবৰণত জ্ঞানৰ বটবৃক্ষ হৈ। একেই বাটেৰে আহি ছাত্ৰ হিচাপে আপোনাৰ জ্ঞানবৃক্ষৰ ছাঁত জিৰাই নিজৰ জীৱন ধন্য কৰিবলৈ ময়ো খোজ পেলাইছিলোঁ এই মহাবিদ্যালয়ত। জীৱনৰ চৰম সৌভাগ্য যে আপোনাৰ আঙুলিত ধৰি জ্ঞানৰ পাঠ পঢ়ি এইখন মহাবিদ্যালয়তে কৰ্মজীৱনৰ পাতনি মেলিবলৈ সক্ষম হৈছোঁ। সময়ে আজি সোঁৱৰাইছে শ্বাশ্বত নিয়ম আৰু আপুনি

কৰ্মজীৱনৰ সমাপ্তি ঘটাই খোজ দিবলৈ ওলাইছে জীৱনৰ আন এক অধ্যায়ত।

যৌৱনৰ উৰণীয়া মন এটা হাতৰ মুঠিত লৈ, দুচকুত তিৰবিৰ তিৰবিৰ সপোনৰ আকাশ সাজিবলৈ সিদিনা আহি বহিছিলোঁ বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ শীতল ছায়াত, দেখিছিলোঁ আপোনাৰ স্বপ্নাৱিষ্ট তৰুণ দুচকুত পাণ্ডিত্যৰ পূৰ্ণিমাৰ জোনাক। গভীৰ কণ্ঠস্বৰৰ আপোনাৰ স্নেহপূৰ্ণ মাতত মোৰ হৃদয় সিদিনা ভৰি উঠিছিল। আপোনাৰ আঙুলিত ধৰি এখোজ-দুখোজকৈ আগবাঢ়িছিলোঁ। আপোনাৰ বিশাল মন আৰু হৃদয়ৰ ছাঁত উমলি-জামলি, জক্‌মক্‌কৈ বাঢ়ি আহিছিল মোৰ বুকুৰ সপোনটোৰ মান। ৰচিছিলোঁ জীৱনৰ সোণালী গান। যথাসম্ভৱ প্ৰচেষ্টাৰে আপুনি আমাৰ মাজত সিঁচি দিছিল জ্ঞানৰ কঠিয়া। আপোনাৰ কণ্ঠেৰে নিঃসৃত এটি এটি শব্দই আমাৰ পোহৰ সন্ধানী মনৰ খালৈ ভৰাই তুলিছিল। আপুনি জ্ঞানৰ অক্লান্ত সাধক, আমাৰ জীৱনৰ পথ প্ৰদৰ্শক।

বিপদ-আপদত যেতিয়াই আপোনাৰ মুখলৈ চাইছিলোঁ পাইছিলোঁ সাহস। আপোনাৰ হাঁহিমুখীয়া উজ্জ্বল মুখখনত কেতিয়াও নিৰাশাবাদী ছবি নেদেখিছিলোঁ। আপুনি আমাক সাহস দিছিল কিদৰে জীৱন সংগ্ৰামত যুদ্ধ কৰি আগুৱাই যাব লাগে। সুখবোৰ আপোনাৰ স'তে ভগাই দুগুণ কৰিব পাৰিছিলোঁ। আজি সঁচাকৈয়ে আপোনাৰ কৰ্মজীৱনৰ এই বিদায় পৰত চকু সেমেকি উঠিছে। হৃদয়ত শোকে খুন্দা মাৰি ধৰিছে।

হে গুৰু, আপোনাৰ কৰ্মজীৱনৰ সমাপ্তিৰ এই পৱিত্ৰ ক্ষণত আপোনালৈ যাচিছোঁ সহস্ৰ প্ৰণিপাত। নিশ্চিত হৈ ৰৈছোঁ, আজীৱন আপোনাৰ আশীৰ্বাদেৰে ধন্য হৈ থাকিম। পাই থাকিম অফুৰন্ত সাহস। পৰম কৰুণাময় ঈশ্বৰে আপোনাক চিৰ তৰুণ কৰি ৰাখক, দীৰ্ঘজীৱি কৰক।◆◆

# আদৰ্শ শিক্ষক শ্যামা চৰণ ঠাকুৰীয়া

●জুৰি পাঠক

শিক্ষক হৈছে চিৰ প্ৰজ্বলিত বন্তি, যাৰ জ্যোতিয়ে আলোকিত কৰে এখন সমাজ, এটা জাতি। শিক্ষক অবিহনে কোনো ছাত্ৰ বা ছাত্ৰীৰ পূৰ্ণতা সম্ভৱ নহয়। ছাত্ৰ-ছাত্ৰীক এজন যোগ্য ব্যক্তি তথা সুনাগৰিক হিচাপে গঢ়ি তোলাত প্ৰধান ভূমিকা লোৱা ব্যক্তিজনেই হ'ল শিক্ষক। শিক্ষা কাৰ্যৰ মাজেৰে শিক্ষক আৰু ছাত্ৰৰ মাজত গঢ়ি উঠে এক মধুৰ সম্পৰ্ক। কিন্তু এই বন্ধন ছিন্ন কৰি এজন শিক্ষক অথবা ছাত্ৰই যেতিয়া বিদ্যালয় এৰি বিদায় ল'বলগীয়া হয়, তেতিয়া সেই সময়খিনি শিক্ষক বা ছাত্ৰজনৰ বাবে বৰ বেদনাদায়ক বা কষ্টকৰ সময়।

তেনে এক জটিল মুহূৰ্তৰ সন্মুখীন আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকল। কাৰণ মহাবিদ্যালয়ৰ পৰম পূজনীয় শ্যামা চৰণ ঠাকুৰীয়া ছাৰে তেওঁৰ শিক্ষকতা জীৱনৰ পৰা অৱসৰ লোৱাৰ সময় আহি পৰাত মহাবিদ্যালয়ৰ পৰা

বিদায় ল'বলগীয়া হৈছে। দীৰ্ঘদিন ধৰি শিক্ষাদান কাৰ্যত ব্ৰতী থকা ছাৰৰ বি
সন্ধিক্ষণত তেখেতৰ ব্যক্তিত্বৰ ওপৰত এটি চমু আলোকপাত কৰিব বিচাৰি

মাননীয় শ্যামা চৰণ ঠাকুৰীয়া ছাৰ হ'ল সৰ্বগুণ সম্পন্ন এগৰাকী শিক্ষ
মোৰ ক্ষন্তেকীয়া অভিজ্ঞতাৰ পৰা মই তেওঁৰ বিষয়ে যিখিনি জানিছোঁ, যি
দেখিছোঁ তাৰ পৰাই ক'ব পাৰোঁ যে তেওঁ এজন উদাৰ মনৰ ব্যক্তি। ছাত্ৰ-ছা
মন সহজে বুজিব পৰা কৌশলেৰে সমৃদ্ধ এজন শিক্ষক। তেওঁ এজন
সহনশীল, ধৈৰ্যশীল, স্নেহ পৰায়ণ আৰু কৰ্তব্যপৰায়ণ ব্যক্তি। তেওঁৰ কিছু
চাৰিত্ৰিক গুণ বাৰুকৈয়ে উল্লেখীয়। তেওঁ কেতিয়াবা ছাত্ৰ-ছাত্ৰীৰ বন্ধু, কেতি
পথ প্ৰদৰ্শক, কেতিয়াবা পৰামৰ্শদাতা, কেতিয়াবা গুৰু, কেতিয়াবা দাৰ্শনিক হিচ
ভূমিকা লোৱা দেখা যায়। শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ গহীন-গম্ভীৰ কথাত ছ
ছাত্ৰীসকল অতি কম সময়তে আকৃষ্ট হৈ পৰিছিল। তেওঁ শিক্ষা জগতৰ ন
প্ৰজন্মৰ আদৰ্শস্বৰূপ। শিক্ষা ব্যৱস্থাক গতি প্ৰদানৰ বাবে নিঃস্বাৰ্থ
আগবঢ়োৱা এটি উজ্জ্বল নক্ষত্ৰ শ্যামা চৰণ ঠাকুৰীয়া ছাৰ ছাত্ৰ-ছাত্ৰীৰ মন স
জয় কৰিব পৰা এজন সফল শিক্ষক হোৱাৰ লগতে শৈক্ষিক দিশত উৎকৰ্ষ স
কৰিব পৰা বিস্তৰ জ্ঞানেৰে সমৃদ্ধ এজন শিক্ষাবিদ। তেওঁৰ উদাৰ মানসি
মহানুভৱতা, আদৰ্শৱান ব্যক্তিত্ব আৰু সু-পৰামৰ্শ আমাৰ মানসপটত সদায় উজ্জ্ব
হৈ থাকিব। তেওঁৰ আদৰ্শ আৰু পৰামৰ্শসমূহ শৈক্ষিক জীৱনত প্ৰয়োগ ক
পাৰিলেহে আমাৰ শিক্ষা সফল হ'ব বুলি আমি ভাবোঁ। ♦ ♦

# শ্যামা চৰণ ঠাকুৰীয়া ছাৰ মানুহজন

●মৰ্জিনা খাতুন

মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া ছাৰ আমাৰ অতি সন্মানীয় আছিল। অসমীয়া বিভাগৰ মুৰব্বী হ'লেও তেওঁ মহাবিদ্যালয়খনৰ বিভিন্ন কাম-কাজৰ দায়িত্ব ছাৰৰ হাতত আছিল। সকলো ছাত্র-ছাত্রীৰ প্রতি ছাৰৰ সহমর্মিতা আছিল আৰু এজন শিক্ষকৰ কর্তব্য নিয়াৰিকৈ পালন কৰিবলৈ সদায় প্রয়াস কৰিছিল। আজিও মনত আছে ২০১৮ চনৰ আগষ্ট মাহৰ ১ তাৰিখে ছাৰক প্রথম লগ পাওঁ। প্রথম দিনাই ছাৰৰ ক্লাছত বহি বৰ উৎসাহী হৈ পৰিছিলোঁ। বিশেষকৈ ছাৰৰ দয়ালু মনটোৰ প্রতি মোৰ আছিল এক বিশেষ আকর্ষণ। কেৱল অসমীয়া বিভাগৰ বুলিয়েই নহয় মহাবিদ্যালয়ৰ সকলো ছাত্র-ছাত্রীৰ প্রতি তেওঁৰ আছিল একেই টান।

ছাৰে আমাক শ্রেণীকোঠাত নিজৰ সন্তানৰ দৰে মৰম কৰিছিল। আমাৰ ভৱিষ্যতৰ কথা সদায় চিন্তা কৰিছিল। ছাৰে আমাক খং-ৰাগ কৰা নাছিল। ছাৰ বৰ উদাৰ মনৰ ব্যক্তি আছিল। যিকোনো বিষয়ৰ নজনা কথা আমি ছাৰক সুধিব

পাৰিছিলোঁ। কেতিয়াবা নাজানিলেও পাছত নিজে শিকি-মেলি আমাক বুজাই দিছিল। প্ৰতিটো ক্লাছত আমি বহু সময়ত উপস্থিত থাকিব নোৱাৰিছিলোঁ আৰু কেতিয়াবা পলম হৈছিল। তেতিয়াও আমাক গালি নাপাৰি, ক্লাছত সোমাবলৈ নিদিয়াকৈ থকা নাছিল। কাৰণ ছাৰে জানিছিল আমি বহু দূৰ-দূৰণিৰ পৰা আহি শ্ৰেণীকোঠাত প্ৰৱেশ কৰিব লাগিছিল।

২০২০ চনৰ মাৰ্চৰ ১৫ তাৰিখৰ পৰা অসমৰ সকলো স্কুল-কলেজ বন্ধ হোৱাৰ বাবে ছাৰক আৰু ক্লাছৰূমত লগ পোৱা নহ'ল। তাৰবাবে আমি বহুত দুখী অনুভৱ কৰিছোঁ। ছাৰৰ বিদায়ৰ খবৰটোত আমি মৰ্মাহত। ছাৰৰ বিদায়ৰ দিনটো আছিল ২০২০ চনৰ ছেপ্টেম্বৰ মাহৰ ৩০তাৰিখ। আটাইতকৈ দুখ লাগিছিল লকডাউনৰ বাবে সিদিনা আমাৰ বিভাগৰ কোনো ছাত্ৰ-ছাত্ৰী নাছিল।

শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ আমি দীৰ্ঘায়ু কামনা কৰিলোঁ। বাকী দিনবোৰ যাতে কুশলে পাৰ কৰে তাকে কামনা কৰি আন্তৰিকতাৰে হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।◆◆



(আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে লাভ কৰা প্ৰথম পুৰস্কাৰৰ সৈতে শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া)

# শ্যামা চৰণ ঠাকুৰীয়া ছাৰ

●অনিমা খাতুন,

বিগত বৰ্ষৰ ৩০ আগষ্টত শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্যামা চৰণ ঠাকুৰীয়া ছাৰে আমাৰ মহাবিদ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে বিদায় ল'লে। ছাৰৰ এই বিদায়ৰ মুহূৰ্তত তেওঁৰ কৰ্মজীৱন সম্পৰ্কত কিছু কথা লিখাৰ প্ৰয়াস কৰিলোঁ।

ঠাকুৰীয়া ছাৰৰ জন্ম কামৰূপ জিলাৰ নগৰবেৰা অঞ্চলৰ কালুবাৰী গাঁৱত। তেওঁ কামৰূপ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতিও। তেওঁ আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী আছিল। ঠাকুৰীয়া ছাৰৰ সংস্কৃততো দখল আছিল। সংস্কৃতত থকা দখলৰ কথা ছাৰৰ কেইবাটাও লেখাত দেখা যায়। 'পংকজ' নামৰ বিভাগীয় প্ৰত্ৰিকাখনতো তেওঁ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা সৰ্ম্পকে লিখিছিল আৰু ছাৰৰ প্ৰবন্ধটোত তেওঁৰ চিন্তাৰ প্ৰকাশ ঘটা দেখা যায়। তদুপৰি নগৰবেৰা অঞ্চলত কোনো অনুষ্ঠান-প্ৰতিষ্ঠান হ'লে ঠাকুৰীয়া ছাৰৰ অৱদান সততে লক্ষ্য কৰা যায়। নগৰবেৰা অঞ্চলত প্ৰতিবছৰে পালন কৰা

প্ৰতিটো পূজা-পাতলতো ছাৰৰ অৱদান দেখা যায়। নগৰবেৰাত প্ৰতিবছৰে অনু
কৰা কালীপূজা, লক্ষ্মীপূজা আৰু ৰাস উৎসৱত ছাৰ ওতঃপ্ৰোতভাৱে জ
থাকে। মহাবিদ্যালয়তো দেখি আহিছোঁ যে বিভাগৰ লগতে মহাবিদ্যালয়ৰ অন
কাম-কাজসমূহত গ্ৰহণ কৰে অগ্ৰণী ভূমিকা। ইয়াৰ দ্বাৰাই আমি পাব প
ছাৰৰ সামাজিক মনটোৰ পৰিচয়।

**শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ লগত মোৰ পৰিচয় আৰু সম্পৰ্ক ঃ** শ্যামা চ
ঠাকুৰীয়া ছাৰক ২০১৮ চনত প্ৰথম দেখোঁ। ছাৰে তেতিয়া ক্লাছ কৰি আছি
ছাৰে সেইদিনা মোৰ নাম আৰু ঘৰ ক'ত সুধিছিল। ছাৰৰ সংস্কৃতি, শংকৰদে
মাধৱদেৱৰ সাহিত্য প্ৰতিভা আদি বিষয়বোৰত যথেষ্ট দখল আছিল। যাৰ ব
তেওঁ ক্লাছবোৰত আমাক সুন্দৰকৈ বুজাই দিব পাৰিছিল। আমি নুবুজা কথাবে
ঠাকুৰীয়া ছাৰে খুব সুন্দৰকৈ বুজাই দিছিল। ছাৰে ছাত্ৰ-ছাত্ৰীসকলক মৰম ক
দৰে প্ৰয়োজন সাপেক্ষে কেতিয়াবা ধমকিও দিছিল। ধমকি দিয়াৰ পাছতে আ
কি কাৰণে ধমকি দিলে, সেই কথা মৰমেৰে বুজাই দিয়ে।

**শিক্ষক হিচাপে শ্যামা চৰণ ঠাকুৰীয়া ছাৰ ঃ** মানুহ হিচাপে ঠাকুৰীয়া
এজন ভাল মানুহ। এজন প্ৰকৃত শিক্ষকৰ থাকিব লগা সকলোখিনি গুণ ঠাকু
ছাৰৰ ব্যক্তিত্বৰ মাজত পৰিলক্ষিত হয়। নিয়মানুৱৰ্তিতা ক্ষেত্ৰত ছাৰ সচে
আছিল। সময় মতে নিজৰ ক্লাছবোৰ কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে নুবুজা কথাবে
বাৰে বুজাই দিছিল। ছাৰে ক্লাছৰ মাজতে আমাক প্ৰশ্ন কৰিছিল— তোমালো
বুজি পাইছানে? পাঠ্যক্ৰমৰ ভিতৰতে আবদ্ধ নাথাকি বহু সময়ত ছাৰে কিছু
বাহিৰা কথা আৰু উদাহৰণৰ জৰিয়তে হাঁহি-ফুৰ্তি মনোৰঞ্জনেৰে আমাৰ মনো
আকৰ্ষণ কৰিছিল।

ঠাকুৰীয়া ছাৰৰ আটাইতকৈ ভাল গুণটো হ'ল— তেওঁ সকলোৰে খ
লৈছিল। তেখেতে ক্লাছত বা ক্লাছৰ বাহিৰে বা বাট-পথত লগ পালেও খ
পাতি লৈছিল। শেষত কওঁ ঠাকুৰীয়া ছাৰে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে উচ্চ শিক্ষ
শিক্ষিত কৰি আগন্তুক জীৱনলৈ আগুৱাই যোৱাৰ ক্ষেত্ৰত সহায় কৰিছিল।

# শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ বিষয়ে দু-আষাৰ

●নৱনীতা দাস,

'গুৰু ব্ৰহ্মা গুৰু বিষ্ণু গুৰুদেৱ মহেশ্বৰ।
গুৰুৱে পৰম ব্ৰহ্মা তস্মায়েশ্ৰী গুৰুৱে নমঃ।।

বহু বহু আন্তৰিক শ্ৰদ্ধাৰে শ্যামা ছাৰৰ বিষয়ে দুকলম লিখিব ওলাইছোঁ। সময় ইমান নিষ্ঠুৰ সৌ সিদিনা অসমীয়া বিভাগৰ স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰিছিলোঁ। অসমীয়া বিভাগৰ পৰিয়ালৰ এজন সদস্য হৈ পৰিছিলোঁ। লাহে লাহে অসমীয়া বিভাগৰ ছাৰ-বাইদেউসকলৰ লগত চিনাকি হ'লো। শ্যামা ছাৰৰ দৰে এজন সুদক্ষ ৰসিক, অভিজ্ঞতাসম্পন্ন শিক্ষকৰ শিক্ষাই আমাৰ মনত অনুপ্ৰেৰণাৰ

জন্ম দিছিল। সদায় বৈ থাকোঁ শ্যামা ছাৰৰ ক্লাছটোৰ বাবে। ছাৰে প্ৰতিটো ক্লাছ
বাৰে বৰণীয়া সংস্কৃতিৰ ৰসাল টোপোলা লৈ আহে। ছাৰৰ অংকীয়া নাটৰ বিষয়
বৰগীতৰ আলোচনা কিমান যে ভাল লাগিছিল! তেওঁৰ পাঠদানৰ ফলত কবি
নাটক আদি মই অতি কম সময়ৰ ভিতৰতে আয়ত্ত কৰিব পাৰিছিলোঁ। তে
ব্যক্তিত্ব এনেকুৱা আছিল যে মহাবিদ্যালয়ৰ পাঠদানৰ উপৰি আ
আনুসংগিকভাৱে বিভিন্ন ক্ষেত্ৰত সহায় কৰিছিল। তেওঁৰ ওচৰত মই স
চিৰকৃতজ্ঞ আৰু চিৰঋণী হৈ থাকিম। সচাঁকৈ ছাৰে কৰ্মজীৱনৰ পৰা অৱসৰ
বুলি কথাটো শুনি ভাল লগা নাই। অৱসৰৰ প্ৰাক্‌ক্ষণত আপোনাৰ বিভ
এগৰাকী ছাত্ৰী হিচাপে আপোনাৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।◆◆



(২০২০ বৰ্ষৰ স্নাতক ষষ্ঠ যান্মাসিকৰ বিদায়ী ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে অধ্
শ্যামা চৰণ ঠাকুৰীয়া আৰু বিভাগৰ অন্যান্য অধ্যাপকসকল।)

# শ্যামা চৰণ ঠাকুৰীয়া ছাৰ আৰু মোৰ কিছু ব্যক্তিগত অনুভৱ

●ভনীতা দাস

উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ ২০১৮ চনত মহাবিদ্যালয়খনত নামভৰ্তি কৰিছিলোঁ আৰু তেতিয়াৰ পৰাই শ্ৰদ্ধাৰ ঠাকুৰীয়া ছাৰক মই পাই আহিছোঁ। উচ্চ মাধ্যমিকত পঢ়ি থাকোঁতে ছাৰক ঘনিষ্ঠভাৱে পোৱা নাছিলোঁ যদিও অসমীয়া বিভাগত নামভৰ্তি কৰাৰ পাছতহে ছাৰক কাষৰ পৰা পাওঁ। ঠাকুৰীয়া ছাৰ তেতিয়া বিভাগৰ মুৰব্বী আছিল। বিভাগৰ মুৰব্বী হিচাপে তেওঁ বিভাগটো নিয়াৰিকৈ চলোৱাৰ লগতে ক্লাছসমূহো নিয়মিতভাৱে কৰিছিল। ছাৰৰ ক্লাছসমূহৰ প্ৰতি আমি বৰ আগ্ৰহী আছিলোঁ। ছাৰে যিমান পাৰে ক্লাছসমূহ শেষ কৰি দিছিল যাতে আমি পঢ়া-শুনাবোৰ আগুৱাই নিব পাৰোঁ। বিভাগৰ সকলো ছাত্ৰ-ছাত্ৰীৰ লগত ছাৰৰ

এটা ভাল সম্পৰ্ক আছে। এই ক্ষেত্ৰত ছাৰৰ লগত মোৰ সম্পৰ্কও ব্যা নাছিল। পঢ়া-শুনাৰ বিষয়ত ছাৰৰ লগত সদায় কথা-বতৰা হৈছিল। এদি এটা ঘটনা হ'ল, কলেজত তেতিয়া আমাৰ ফৰ্ম-ফিলাপ হৈ আছিল আৰু কামখিনি কৰোঁতে দেৰি হৈ গ'ল। ফৰ্ম-ফিলাপ কৰাৰ বাবে সেইদিনাই শে আছিল আৰু মোৰ হাতত টকা নাছিল যে সেইদিনাখনেই কৰিম আৰু পিছদি কৰাৰ সময়ো নাছিল। সেই সময়ত আমাৰ বিভাগৰে বান্ধৱী এজনীয়ে ঠাকুৰীয়া ছাৰৰ লগত কথা পাতিবলৈ দিলে আৰু ছাৰক মোৰ ফৰ্ম-ফিল যাতে কাইলৈ কৰি দিয়ে সেই বিষয়ে কলেজত অলপ কৈ দিবলৈ ক'লে তেতিয়া কোনো উপায় নাপাই ছাৰক সম্পূৰ্ণ ঘটনাটো ক'লোঁ। ছাৰে ঘট শুনি কলেজত যিহেতু ফৰ্ম-ফিলাপৰ শেষ দিন আছিল সেইবাবে মোক পকেটৰ পৰা ৫০০ টকীয়া নোট এখন একো নভবাকৈ উলিয়াই দি সেইদিনাখনেই ফৰ্ম-ফিলাপৰ কামখিনি কৰিবলৈ দিলে। ছাৰৰ এই সহায়ৰ দেখি মোৰ চকুলো ওলাইছিল। তেওঁৰ এই কথাষাৰ শুনি মই ছাৰৰ ফা লাগি চাইছিলোঁ। সেই ঘটনাটো মোৰ জীৱনৰ এক চিৰস্মৰণীয় ঘটনা হৈ আৰু ভৱিষ্যতলৈ চিৰস্মৰণীয় হৈ থাকিব। সেই শিক্ষাগুৰুগৰাকী এতিয়া বি পৰা বিদায় ল'বলৈ ওলোৱাত আমাৰ নিজকে অভিভাৱকহীন যেন লা মই জনো ঠাকুৰীয়া ছাৰ বিভাগৰ পৰা আঁতৰি যোৱাটো অসমীয়া বিভাগৰ এক দুখৰ খবৰ। কিন্তু বিদায় আমি দিবই লাগিব আৰু বিদায় সকলোৰে জ আহে আমি এই বিদায় দিবলৈ বাধ্য। শেষত মথোঁ এটা কথাই কওঁ যে যেন ঠাকুৰীয়া ছাৰক চিৰসুখী আৰু স্বাস্থ্যৱান কৰি ৰাখে।◆◆

# মোৰ অনুভৱৰ দলিচাত ঠাকুৰীয়া ছাৰ

●মিনোৱাৰা পাৰবিন

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক, শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্যামা চৰণ ঠাকুৰীয়া ছাৰক আমাৰ ফালৰ পৰা শুভেচ্ছা জনালোঁ। তেওঁ অসমীয়া বিভাগৰ মুৰব্বী আছিল। শিক্ষক হিচাপে কাম কৰাৰ উপৰি মহাবিদ্যালয়ৰ বিভিন্ন দায়িত্ব তেওঁৰ হাতত আছিল। তেখেতে নিজৰ দায়িত্ব খুব গুৰুত্বসহকাৰে পালন কৰিছিল। তেখেত সকলো ছাত্ৰ-ছাত্ৰীৰ লগত সদায় সুন্দৰ ব্যৱহাৰ কৰিছিল।

কলেজত সোমায়েই প্ৰথম ছাৰক লগ পাইছিলোঁ ছাৰে ক্লাছ কৰা সময়ত। প্ৰথম দিনাই ছাৰৰ ক্লাছ কৰি মোৰ ভাল লাগিছিল। ছাৰে সিদিনা মৌখিক সাহিত্য, লিখিত সাহিত্য, স্মৃতি সাহিত্যৰ বিষয়ত ক্লাছ কৰিছিল। সিদিনাই তেওঁৰ কণ্ঠস্বৰ আৰু মিঠা মাত শুনি আপ্লুত হৈছিলোঁ। আৰু কথাৰ মাজতেই নাটকীয় সুৰত একোফাঁকি বচন গাইছিল। ছাৰে আমাক পৌৰাণিক কাব্য সম্পৰ্কে শিকাইছিল।

সেই কাব্যৰ কাহিনী বা গল্পৰ কথা আমি কেতিয়াও পাহৰিব নোৱাৰিম। তাৰ
গল্প আছিল; সেইখিনি আমাৰ আগত একেবাৰে সহজ-সৰলকৈ কৈছিল। ছা
আমাৰ যিকেইটা ক্লাছ কৰিছিল তাৰ দ্বাৰা আমি যথেষ্ট উপকৃত হৈছিলোঁ। তে
ভাল গুণখিনি আমাৰ মনত সদায় ৰৈ থাকিব। তেখেত সাহিত্য চৰ্চাৰ প্ৰতি
আগ্ৰহী আছিল। ছাৰে আমাক যিখিনি নীতি-আদৰ্শৰ জ্ঞান দিছিল, সেইখি
আদৰ্শেৰে আমি যাতে ভৱিষ্যত জীৱনত আগবাঢ়ি যাব পাৰোঁ তাৰেই অ
ৰাখিছোঁ। শেষত এইগৰাকী মহান শিক্ষাগুৰুৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা ক
মোৰ কলম সামৰিলোঁ।◆◆




(মহাবিদ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে বিদায় লোৱাৰ মুহূৰ্তত অধ্যাপক শ
চৰণ ঠাকুৰীয়াৰ সৈতে বাওঁফালৰ পৰা তেওঁৰ পত্নী, শিক্ষাতত্ত্ব বিভাগৰ সহক
অধ্যাপক ভূমিজা বৰ্মণ আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বিদ্যুৎ দ

# মোৰ পূজনীয় শিক্ষাগুৰু ঠাকুৰীয়া ছাৰ

●জুৰি দাস,

পোনপ্ৰথমে মই আমাৰ পূজনীয় শ্যামা চৰণ ঠাকুৰীয়া ছাৰলৈ শ্ৰদ্ধাৰে প্ৰণাম জনালোঁ। ছাৰৰ বিষয়ে দুআষাৰ লিখিবলৈ পাই বহুত সুখী অনুভৱ কৰিছোঁ। মই প্ৰথম ষান্মাসিকৰ নৱাগত আদৰণি সভাত ছাৰৰ সৈতে চিনাকি হৈছিলোঁ। ছাৰক আমি বেছি বছৰ নাপালোঁ। মাত্ৰ দুবছৰ পাইছোঁ। প্ৰথম ষান্মাসিকৰ পৰা চতুৰ্থ ষান্মাসিকলৈ ছাৰৰ পাঠদান পাইছোঁ। কিন্তু এই দুবছৰে ছাৰে আমাক বহু নতুন নতুন কথা শিকাইছে। ছাৰৰ পৰা আমি বহু নজনা কথা জানিব পাৰিছোঁ। আমি শ্ৰীশংকৰদেৱৰ নাটক আৰু শ্ৰীমাধৱদেৱৰ নাটকৰ বিষয়ে যিখিনি জানিছিলোঁ, ছাৰৰ পাঠদান পোৱাৰ পিছত সেই বিষয়ে ধাৰণা অধিক স্পষ্ট হৈছে। কিয়নো ছাৰে আমাক প্ৰতিটো ক্লাছত ভালদৰে কথাবোৰ বুজাই দিছিল, বহলাই আলোচনা কৰিছিল। ছাৰৰ পাঠদান পাই আমি বহুত কথা শিকিছোঁ। কেতিয়াবা কিবা বুজি নাপালে ছাৰে আমাক ভালকৈ বুজাই দিছিল।

আমাৰ পূজনীয় শিক্ষকগৰাকীৰ বিষয়ে বহুত কথা ক'বলগীয়া আছি সদ্যহতে মোৰ ফালৰ পৰা আমাৰ পূজনীয় শিক্ষাগুৰুজনাৰ বিষয়ে এইখিনি মোৰ কলম সামৰিলোঁ।◆◆




(মহাবিদ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে বিদায় লোৱাৰ মুহূৰ্তত পত্নীৰ সৈতে অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া)

# শ্ৰেণীকোঠাত ঠাকুৰীয়া ছাৰ

**●পিংকী দাস,**

২০১৫ বৰ্ষৰ পৰাই মই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ কুৰীয়া ছাৰক লগ পাইছিলোঁ। তেওঁৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভালপোৱাক মই মুকৈ লিখিবলৈ চেষ্টা কৰিছোঁ। ছাৰৰ কথা ক'লে বা লিখিলে কেতিয়াও শেষ ৰিব নোৱাৰিম। সকলো গুণ তেওঁৰ আছে বুলি মই ভাবোঁ। তেওঁ আমাৰ বিভাগৰ লি থকা এগচি চাকি। মহাবিদ্যালয়খনলৈ তেওঁৰ যথেষ্ট অৱদান আছে। তেওঁ হাবিদ্যালয়ৰ অলংকাৰ। তেওঁৰ অৱদানবোৰ সদায় জিলিকি থাকিব। তেওঁৰ াছবোৰ সৰল আৰু তেওঁ সদায় মান্য ভাষাৰে বুজায়। ছাৰৰ ক্লাছবোৰ মোৰ হুত ভাল লাগে। বহুত ধুনীয়াকৈ বুজাইছিল। বেছি খং নকৰিছিল। প্ৰথমে হাবিদ্যালয়ৰ স্নাতক ক্লাছত সোমোৱাৰে পৰা শেষলৈ বহুত নজনা কথা মই াৰৰ পৰা শিকিলোঁ। ছাৰে আমাক বহুত সহায় কৰিছিল। তেওঁ আমাক জীৱনত াগবাঢ়ি যাবলৈ প্ৰেৰণা দিছিল। ঠাকুৰীয়া ছাৰৰ প্ৰতিটো কথাই মই তেওঁৰ াশীৰ্বাদ হিচাপে গ্ৰহণ কৰিছোঁ। শেষত মই ঠাকুৰীয়া ছাৰৰ দীৰ্ঘজীৱন আৰু স্বাস্থ্যৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ।◆◆

# ঠাকুৰীয়া ছাৰ আৰু কিছু অনুভৱ

● শ্বেলিমা আহমেদ

১ আগষ্ট ২০১৮ চন। সেই দিনটোৰ পৰাই আৰম্ভ হৈছিল কলেজীয়া কলেজীয়া জীৱনৰ পাতনি মেলোঁতেই লগ পাইছিলোঁ শ্ৰদ্ধাৰ শ্যামা চৰণ ঠা ছাৰক। প্ৰথমটো ক্লাচৰ পৰাই আৰম্ভ কৰি কৰ্ম জীৱনৰ শেষৰ দিনলৈ মৰম আৰু শাসনৰ মাজেদি তেখেতে শিক্ষা দিছিল। পাঠ্যক্ৰমৰ উপৰি দিশত বহুতো কথা শিকাইছিল।

শ্ৰদ্ধাৰ শ্যামা চৰণ ঠাকুৰীয়া ছাৰে ৩০ চেপ্তেম্বৰ ২০২০ ইং তাৰিখে কৰ্ম পৰা অৱসৰ গ্ৰহণ কৰে। ছাৰে অৱসৰ লোৱাৰ কথা শুনি হৃদয়ে কান্দি উ যদিও কৰ্ম জীৱনত জড়িত থকা সকলো লোকেই এদিন নহয় এদিন ল'বই লাগিব, তথাপিও ছাৰে অৱসৰ লোৱাৰ কথা শুনি হৃদয়ে কান্দি উ এথোপ গোলাপৰ পৰা এটা গোলাপ নাথাকিলে যেনে থোপাটো বেয়া নেদেখি সেইদৰে ঠাকুৰীয়া ছাৰ নথকাত বিভাগটো সৌন্দৰ্য বিহীন হৈ

ন্তু কৰিবলৈ যে একো নাই। এয়াই নিয়ম আৰু আমি সকলোৱে মানিবই লাগিব। ছাৰে বহুতো নীতি-নিয়ম, মৰম-স্নেহ, শাসনৰ লগতে নিজে বহুত কষ্ট কৰি ক্ষাদান কৰিছিল। এবাৰ নুবুজিলে বাৰে বাৰে বুজাই দিছিল। ছাৰে অৱসৰ লোৱাৰ থা শুনি বহুত দুখ পাইছোঁ যাক কেতিয়াও বুজাব নোৱাৰিম।

অসমীয়া বিভাগৰ প্ৰাক্তন বিভাগীয় প্ৰধান ঠাকুৰীয়া ছাৰৰ অনুপস্থিতিত হাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ক'ৰবাত যেন কিছু খালি হৈ গ'ল।

ক্লাছৰুমত সোমাই যেতিয়াই মনত পৰে ছাৰ কৰ্মৰত অৱস্থাত নাই, তেতিয়াই য়োই কান্দি উঠে। ছাৰে আমাক মাজ সাগৰত পেলাই থৈ গুচি গ'ল। ছাৰক কতিয়াও পাহৰিব নোৱাৰিম। শিক্ষাগুৰুক বিদায় দিয়াটো কিমান বেদনাদায়ক নয়া মাথো বিদায় দিয়া সকলেহে বুজি পায়।◆◆



(মহাবিদ্যালয়ৰ ছেমিনাৰ হলত অনুষ্ঠিত সভাত অধ্যক্ষ ড° বিভূতিভূষণ পাণ্ডা আৰু ন্যান্য সতীৰ্থ অধ্যাপকৰ সৈতে অধ্যাপক শ্যামাচৰণ ঠাকুৰীয়া)

# ঠাকুৰীয়া ছাৰৰ বিদায়

●ইলিজা পাৰবিন

২০১৮ চনৰ ১ আগষ্ট তাৰিখটো আছিল মোৰ কলেজীয়া জীৱনৰ দিন। এই দিনটোতে লগ পাইছিলোঁ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অ বিভাগৰ শ্ৰদ্ধাৰ ছাৰ বাইদেউসকলক। সেই দিনৰে পৰা আমি একেটা প আৰু প্ৰত্যেকেই সেই পৰিয়লৰ একো একোজন সদস্য/সদস্যা হিচা অতিবাহিত কৰি আহিছোঁ। আৰু আমাৰ এই পৰিয়ালৰ মাজৰেই শ্ৰদ্ধাৰ শ্যা ঠাকুৰীয়া ছাৰ আছিল এজন।

পোন প্ৰথমে মই শ্ৰদ্ধাৰ শ্যামা চৰণ ঠাকুৰীয়া ছাৰক আন্তৰিক শুভেচ্ছ অভিনন্দন জনাইছোঁ। ঠাকুৰীয়া ছাৰে কৰ্ম জীৱনৰ পৰা বিদায় ল'লে। শব্দটো শুনাৰ লগে লগে শৰীৰৰ নোমবোৰ শিয়ৰি উঠে। মনটো বৰ দুখ ভৰি পৰে। কাৰণ বিদায় মানেই কষ্ট, বিদায় মানেই যন্ত্ৰনা, বিদায় মানে বিষাদৰ এক বোৱতী নৈ। বিষাদৰ সুৰে মোৰ মনটো কৰি তুলিছে অত্যন্ত ভা

মোৰ মনত পৰিছে সেই দিনটোলৈ যিদিনা মই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত প্ৰথম আহিছিলোঁ, সেই দিনাই শ্ৰদ্ধাৰ ঠাকুৰীয়া ছাৰৰ ক্লাছ পাইছিলোঁ। ছাৰে আমাক কেনেদৰে লোকসাহিত্য, মৌখিক সাহিত্য, আদিৰ বিষয়ে পঢ়ুৱাইছিল, সেই আটাইবোৰ মুহূৰ্তেই হৈ পৰিছে যেন মোৰ মনৰ দস্তাবেজ । সচাঁকৈ বিগত দুটা বছৰত শ্ৰদ্ধাৰ ঠাকুৰীয়া ছাৰক পিতৃৰ দৰে মানি আহিছোঁ আৰু ছাৰেও আমাক সন্তানৰ দৰে মৰম কৰে। ছাৰে আমাক কেতিয়াও ক্লাছত গালি শপনি দিয়া নাই। সদায় সকলোবোৰ কথা আমাক বুজাই কৈছে। ৰাস্তা ঘাট, হাট-বজাৰ য'তেই ছাৰক লগ পাইছোঁ তাতেই ছাৰে আমাৰ লগত আন্তৰিকতাৰে কথা পাতিছে আৰু আমিও ছাৰৰ লগত সেই আন্তৰিকতাৰে কথা পাতিছোঁ। মুঠতে ঠাকুৰীয়া ছাৰে আমাৰ কাৰণে যিখিনি কৰিছে সেইখিনি সদায় অতুলনীয়।

গতিকে বিগত দুটা বছৰত শ্ৰেণীকোঠাত বহু ধৰণৰ দুষ্টামি, বেয়া ব্যৱহাৰ কৰিছোঁ। এই সকলোবোৰ কথা যাতে মনত ধৰি নাৰাখি নিজৰ ছোৱালী বুলি আমাক ক্ষমা কৰি দিয়ে এয়াই শ্ৰদ্ধাৰ ঠাকুৰীয়া ছাৰৰ ওচৰত মোৰ বিনম্ৰ অনুৰোধ থাকিল। মোৰ এই ক্ষুদ্ৰ লিখনিৰ মাজত ভুল হ'লে অনুগ্ৰহ কৰি শুধৰাই ল'ব বুলি আশা কৰিলোঁ আৰু শ্ৰদ্ধাৰ ঠাকুৰীয়া ছাৰৰ প্ৰতি মোৰ সেৱা নিবেদি তেওঁৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছোঁ ।♦♦



(মহাবিদ্যালয়ৰ এক বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ প্ৰাক্-মুহূৰ্তত অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়াৰ সৈতে বিভাগীয় অধ্যাপক আৰু কেইগৰাকীমান ছাত্ৰ)

# ঠাকুৰীয়া ছাৰৰ সান্নিধ্যত কটোৱা সময়বোৰ

● ৰেজাউল হক

দুবছৰ আগৰ কথা। সিদিনা আছিল মংগলবাৰ। মই প্ৰথমবাৰৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়লৈ গৈছিলোঁ। কলেজৰ আন আন ছাত্ৰ-ছা বাবে প্ৰথম কলেজলৈ যোৱাৰ অনুভূতিটো হয়তো মোতকৈ অলপ ব্যতি মই যেতিয়া প্ৰথম গেটৰ সন্মুখত মোৰ এজন বন্ধুৰ সৈতে উপস্থিত হলোঁ। এনেকুৱা এটা অনুভূতি হল যেন মই ঈদৰ জোন দেখিলোঁ। মোৰ মহাবিদ্যালয়ৰ প্ৰত্যেকটো বস্তু তথা প্ৰতিজন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষ একেবাৰেই নতুন আছিল। ইয়াৰ উপৰি মই এনে সময়ত মহাবিদ্যালয়ত নাম কৰিবলৈ গলোঁ তেতিয়া নামভৰ্ত্তি সমাপ্ত হৈ প্ৰায় এমাহ পাৰ হৈছিল কিন্তু সেই কথাটো জনা নাছিলোঁ। মই মাত্ৰ মোৰ বন্ধুৰ ওপৰত ভৰসা কৰিহে গৈছি তেতিয়া মোৰ বন্ধুজনে মোক প্ৰথম বাৰৰ বাবে শ্যামাচৰণ ঠাকুৰীয়া ছাৰৰ সৈ সাক্ষাৎ কৰাই দি মোৰ নাম ভৰ্ত্তিৰ কথা ছাৰক কয় আৰু ছাৰে মোক দেখি সুধি

যে ইমানদিন কি কৰি আছিলা, এতিয়া নামভৰ্ত্তিৰ সময় সমাপ্ত হৈছে। এতিয়া সময় নাই, যোৱা তোমালোক। এই কথা শুনি মই ভাবিলোঁ মোৰ আৰু এইখন কলেজত পঢ়াৰ সৌভাগ্য নহয়। কিন্তু ছাৰৰ কথা শুনি মোৰ বন্ধুজনে ছাৰক অনুৰোধ কৰিলে তথাপি ছাৰে এই মুহূৰ্ত্তত একোৱেই নকলে। আমি দুয়োজনে মহাবিদ্যালয়ৰ ৪ নং হলত গৈ বহিলোঁ আৰু কিছুসময়ৰ পিছত দুজন ছাত্ৰই আহি শ্যামা ছাৰে মাতিছে বুলি কলে। আমি দুয়োজনে লগে লগে ছাৰৰ ওচৰলৈ গ'লো ইয়াৰ পিছতে ছাৰে আমাক দেখা পাই মোক কলে তোমাক নামভৰ্ত্তি কৰাই দিব পৰা যাব পাৰে নেকি সেই আলোচনা কৰিম দিয়া তুমি কালি আহিবা। এক কপি ফটো, ডকুমেন্ট মোৰ সকলো কাগজ পত্ৰ লৈ পিচদিনা ছাৰৰ ওচৰত গৈ উপস্থিত হলোঁ। ছাৰে মোক এখন ফৰ্ম আনি ফিল-আপ কৰি ছাৰক দিবলৈ কলে আৰু মই তাকে কৰিলোঁ। এনেকৈ নামভৰ্ত্তিৰ সময় শেষ হোৱাৰ পাছতো ছাৰে নিজে মোক নামভৰ্ত্তি কৰাই দিয়ে। ইয়াৰ পাছতে মই উপলব্ধি কৰিলোঁ যে একমাত্ৰ ছাৰৰ মহানুভৱতাৰ ফলতেই মই এইখন মহাবিদ্যালয়ত পঢ়াৰ এটা সোণালী সুযোগ পাইছোঁ। আৰু তেওঁৰ সেই মহানুভৱতা আৰু দয়াশীলতাৰ কথা মোৰ স্মৃতি পটৰ এন্ধাৰ কোঠাত প্ৰদীপ হৈ আজীৱন জ্বলি থাকিব। অৱশেষত মই সেই মহান ব্যক্তি তথা আমাৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক পৰম শ্ৰদ্ধাৰ মাননীয় শ্যামাচৰণ ঠাকুৰীয়া ছাৰৰ প্ৰতি ভক্তি ৰাখি মোৰ লিখনি সমাপ্ত কৰিলোঁ লগতে তেওঁৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। ♦ ♦

# অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া ঃ জীৱন আৰু ব্যক্তিত্ব

●জুনুমা খাতুন

শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ জন্ম হৈছিল কামৰূপ জিলাৰ নগৰবেৰা অ… সৰু কালুবাৰী গাঁওত। এসময়ত তেখেত কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভ… আছিল।

**অধ্যাপক হিচাপে ঠাকুৰীয়া ছাৰ ঃ** এগৰাকী অধ্যাপক হিচাপে ঠাকুৰীয়া… উপযুক্ত ব্যক্তি আছিল। কিয়নো অধ্যাপক হিচাপে যিখিনি গুণৰ দৰকাৰ সেই… গুণ তেখেতৰ চৰিত্ৰত দেখা পোৱা গৈছিল। তেখেতে সদায় শ্ৰেণী… সোনকালে সোমাইছিল। তেওঁ যিটো বিষয় বুজাইছিল, সেই বিষয়টো ভা… খৰচি মাৰি বুজাইছিল। যদি আমি বুজি নাপাওঁ বাৰে বাৰে বুজাইছিল আৰু…

জে প্ৰশ্ন সুধিছিল। উত্তৰ যদি দিব নোৱাৰে তেতিয়া ভালদৰে বুজাই দিছিল। খেতে কিতাপৰ উপৰিও বহু বাহিৰা কথা কৈ আমাৰ মনোযোগ আকৰ্ষণ ৰিছিল। আমি যদি কিবা ভুল কৰিছিলোঁ, তেতিয়া ছাৰে আমাক দাবী ধমকি ছিল। পিছত ছাৰে আমাক মৰমেৰে বুজাই কৈছিল। ছাৰে আমাৰ খা-খবৰ লৈছিল, বা অসুবিধা থাকিলে সুধিছিল আৰু সহায় কৰিছিল। এজন আদৰ্শ অধ্যাপক াপে তেখেতৰ সকলোবোৰ গুণ আছিল। তেখেত এজন বুদ্ধিসম্পন্ন, কাৰ্যক্ষম, আৰু চৰিত্ৰবান হোৱাৰ লগতে দক্ষতা, বাকপটুতা গুণেৰে শিক্ষাদান কৰি ত্ৰ-ছাত্ৰীসকলক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত সহায় কৰিছে।

**শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ লগত ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্ক ঃ** ১৯ জুন ২০১৮ ৰাজী তাৰিখে শ্ৰী শ্যামা চৰণ ঠাকুৰীয়া ছাৰক প্ৰথমে মই লগ পাইছিলোঁ। ইদিনা আমাৰ এনট্ৰেঞ্চ পৰীক্ষা আছিল। ছাৰে মোক পৰীক্ষা সম্পৰ্কে বুজাই ছিল। ২২ জুন ২০১৮ ইংৰাজী তাৰিখে আমাৰ Orientation rogramme হোৱাৰ পিছত চাৰক লগ পাইছিলো আৰু পৰিচয় হৈছিলোঁ। খেতে বিশেষকৈ সংস্কৃতি, অসমীয়া সাহিত্য, শ্ৰীশংকৰদেৱ-মাধৱদেৱৰ সাহিত্য তিভা আৰু আন আন বিষয় সম্পৰ্কে শিকাইছিল। কিবা বুজি নাপালে ভালকৈ জাই দিছিল। আনকি ছাৰে আমাক অসমীয়া বিভাগলৈ মাতি আনি একান্ত ৱে বুজাই দিছিল। আমাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত হোৱা ২০১৮ ৰ্ষৰ শোভাযাত্ৰাত ছাৰে বহুখিনি সহায় কৰিছিল। সেই কাৰণে আমাৰ অসমীয়া ভাগটো প্ৰথম স্থান লাভ কৰিবলৈও সক্ষম হৈছিল। আন আন বিভিন্ন অনুষ্ঠানত ৰে আমাক বহুখিনি সহায় কৰিছিল। ২২ জুন ২০১৯ ইং তাৰিখে মই Syllabus জনাকৈ তৃতীয় ষান্মাসিকৰ কিতাপ কিনি ছাৰক দেখুৱাইছিলোঁ। তেতিয়া ছাৰে তাপখিনি চাই কৈছিল যে কিতাপ কিনা ভুল হৈছে আৰু কিতাপখিনি ঘূৰাই য়া। পিছত ছাৰে Syllabus দিছিল। ছাৰৰ কথামতে কিতাপ কিনিছিলোঁ। নেদৰে আন আন বিষয়ত আমাৰ লগত ছাৰৰ ওতঃপ্ৰোত সম্পৰ্ক আছিল।

**শ্যামা চৰণ ছাৰৰ অৱদান ঃ** ঠাকুৰীয়া ছাৰ যিদৰে এজন আদৰ্শ শিক্ষক আছিল ক সেইদৰে আন আন বিষয়ত তেখেতৰ বহুখিনি অৱদান আছে। তেখেতে

অসমীয়া সাহিত্য সম্পৰ্কে বহু অভিজ্ঞ। তেখেতৰ কিছুমান সংস্কৃত শ্লো আছিল। তেখেতৰ কেইবাখনো লেখনিত প্ৰকাশ পাইছে। তেখেতে নামৰ বিভাগীয় পত্ৰিকাত লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা লিখিছিল। তেখেত অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপকো। বিভাগৰ কলেজৰ আন আন বিষয়ৰ দায়িত্বও তেখেতে লৈছিল। প্ৰতিটো তেখেতৰ অৱদান আছে। কলেজৰ বাহিৰেও নগৰবেৰা ৰাস মহোৎস আন উৎসৱ বা অনুষ্ঠানত তেখেতৰ যথেষ্ট অৱদান আছে।

মুঠতে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উপৰিও আন আন বহু ক্ষেত্ৰ বহুত অৱদান দেখিবলৈ পোৱা যায়।

**শ্ৰী শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ বিদায় সম্পৰ্কে ঃ** বিদায় বুলি ক'লে দুখ লাগে। সাধাৰণতে বিদায় দুই প্ৰকাৰ— ক্ষন্তেকীয়া বিদায় আৰু চি বিদায়। আমি যিটো বিদায় দিব বিচাৰিছো, সেইটো হ'ল ক্ষন্তেকীয়া যিকোনো কাৰ্যক্ষেত্ৰত যোগদান কৰিলে, এদিন বিদায় ল'বই লাগিব। আমি ডেৰৰ পৰা দুই বছৰ লগ পাইছিলোঁ। সেইখিনি সময়ত কিবা যদি ভুল ছাৰে আমাক নিজৰ সন্তান বুলি ভাবি যেন ক্ষমা কৰি দিয়ে, তাৰ কাৰণে ছাৰলৈ অনুৰোধ জনালোঁ। কেতিয়াবা ছাৰে দিয়া দিহা-পৰামৰ্শবোৰ শুনা যিখিনি পঢ়িবলৈ দিছিল, সেইখিনি পঢ়া নাছিলোঁ তাৰ বাবে মই লকডাউনৰ কাৰণে আনুষ্ঠানিকভাৱে তেখেতক বিভাগৰ পৰা বিদায় দিব নে বাবে আমি দুখ প্ৰকাশ কৰিছোঁ। এই সামান্য লেখনিৰ জৰিয়তে আ বিদায় জনাইছোঁ আৰু আপোনাৰ প্ৰতি এয়াই মোৰ সামান্যতম উপহাৰ

**শ্যামা চৰণ ঠাকুৰীয়া ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন ঃ** বৰ্তমান অসমীয়া মুৰব্বী তথা অসমীয়া বিভাগৰ সহযোগী অধ্যাপক মহোদয় শ্বাহ জামাল ছাৰলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোল্লা ছাৰে দিয়া পৰামৰ্শৰ আমাৰ মনত থকা কথাখিনি ঠাকুৰীয়া ছাৰক জনাব পাৰিছোঁ। শ্যামাচৰণ ঠা ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ পৰা বিদায় লৈছোঁ।•

# মোৰ আদৰ্শ গুৰু

● কৃষ্ণ দাস

অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰক মই ২০১৮ চনত টিপলাই হায়াৰ ছেকেণ্ডাৰী স্কুলৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰোঁতে প্ৰথম লগ পাইছিলোঁ। তেতিয়াৰ পৰাই ছাৰৰ বিষয়ে কিছু কথা ভালকৈ জানিবলৈ ধৰিলোঁ। অধ্যাপক শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰ আমাৰ সকলোৰে প্ৰেৰণাৰ প্ৰতীক। তেখেতৰ সংস্পৰ্শত থাকি এজন ব্যক্তিয়ে কেনেদৰে সমাজসেৱা, মানৱসেৱা কৰিব লাগে তাক সহজে বুজিব পাৰিছোঁ। অধ্যাপক হিচাপে তেখেতৰ কৰ্ম সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে আদৰ্শস্বৰূপ। ছাৰে আমাক সদায় ক্লাছত কৈছিল পঢ়া-শুনাৰ লগতে মানৱ সেৱা কৰিবা। মানুহক ভক্তি, শ্ৰদ্ধা, মৰম, স্নেহ কৰিবা, মানুহেই ভগৱান সেই বাবে মানুহক সদায় সন্মান কৰিবলৈ শিকাইছিল। ছাৰে আমাক ক্লাছ কৰা সময়ত কিবা বুজি পোৱাত অসুবিধা হ'লে বাৰে বাৰে সৰল

ভাষাত ভালকৈ বুজাই কৈছিল আৰু ছাৰে কৈছিল যে কেতিয়াবা কিবা নাপালে মোক সুধিবা মই কৈ দিম, বুজি নোপোৱাকৈ নাথাকিবা। ছাৰে ছাত্ৰ-ছাত্ৰীক নিজৰ ল'ৰা-ছোৱালীৰ নিচিনা চোৱা চিতা কৰিছিল। ছাৰৰ মানুহৰ লগত অতি কম সময়ৰ ভিতৰত মিলি যাব পৰাকৈ এটি সদ্‌গুণ ছাৰৰ এইবোৰ কাম, এইবোৰ কথা আমাৰ সদায় স্মৃতি হৈ থাকিব।

অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া যাতে আগন্তুক দিনবোৰত আমাক আগুৱাই যোৱাত সহায় কৰে লগতে আ দিয়ে তাকে ছাৰৰ ওচৰত আমাৰ অনুৰোধ থাকিল। ছাৰৰ সুস্বাস্থ্য কামনা কৰি আৰু লগতে তেওঁ যাতে বহুদিন জীয়াই থাকে তাৰ বাবে ভগৱানৰ ওচৰত সৰল প্ৰাৰ্থনা জনালোঁ।◆◆



(প্ৰাক্তন বৰবাবু নৃপেন কলিতা, প্ৰাক্তন গ্ৰন্থাগাৰিক ধীৰেন তালুকদাৰ, প্ৰাক্তন কালীচৰণ পাঠক, অমৰেন্দ্ৰ দাস আৰু অধ্যাপিকা ভূমিজা বৰ্মণৰ লগত ঠাকুৰীয়া

# অৱসৰপ্ৰাপ্ত অধ্যাপক ঠাকুৰীয়া ছাৰ আৰু মোৰ কিছু অনুভৱ

●চামেলী দাস

মোৰ পৰম শ্ৰদ্ধাৰ শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰক লগ পোৱা সময়খিনিৰ বিষয়ে দু-এষাৰ লিখিবলৈ চেষ্টা কৰিছোঁ। তেখেতক মই যোৱা তিনি বছৰে লগ পাইছোঁ। শিক্ষকতাৰ কালত বহুতো ছাত্ৰ-ছাত্ৰী তেখেতৰ শিক্ষাৰ দ্বাৰা বহু উপকৃত হৈছে। তেখেতক মই প্ৰথম লগ পাইছিলোঁ ২০১৭ চনত, উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ অসমীয়াৰ ক্লাছত। তেখেত আমাৰ অঞ্চলৰে অৰ্থাৎ নগৰবেৰাৰে বাসিন্দা যদিও মই আগতে তেখেতৰ বিষয়ে জনা নাছিলোঁ। মহাবিদ্যালয়ত নামভৰ্ত্তি কৰি তেখেতৰ ক্লাছবোৰ কৰাৰ পিছতহে তেখেতৰ বিষয়ে কিছু কথা জানিব আৰু অনুভৱ কৰিব পাৰিছোঁ।

প্ৰকৃততে, ঠাকুৰীয়া ছাৰ এগৰাকী মৰমীয়াল আৰু দয়ালু ব্যক্তি। বিভিন্ন ক্ষেত্ৰত তেখেতে ছাত্ৰ-ছাত্ৰীক যথেষ্ট সহায় কৰাও মই দেখিছোঁ। সেয়া পঢ়াৰ ক্ষেত্ৰতেই

হওক বা কলেজৰ আন কোনো বিষয়তে হওক। তেখেতৰ ক্লাছবোৰ স
আৰু আমোদজনক। তেখেতে সাধাৰণতে আমাৰ সংস্কৃতি, শ্ৰী কৃষ্ণ আ
কৃষ্ণৰ লীলা-মহিমা, গীতা, ভাগৱত আৰু শ্ৰীমন্ত শংকৰদেৱ আৰু ম
মাধৱদেৱ বিষয়ক কথাবোৰ বুজাইছিল। এইবোৰ বিষয়ত তেখেতৰ যথে
আছে। ছাৰৰ মুখত শুনিবলৈ পোৱা সংস্কৃত শ্লোকবোৰ এতিয়াও মোৰ মন
বাজি থাকে। আমি কিতাপ পঢ়িও ভালদৰে বুজিব নোৱাৰা বিষয়বো
কিতাপ নোচোৱাকৈয়ে কেনে সুন্দৰভাৱে বুজাই দিছিল, সেয়া দেখি আমি
হৈছিলোঁ। পিছত অনুভৱ কৰিছিলোঁ যে তেখেতে ইতিমধ্যে এইবোৰ
যথেষ্ট পঢ়া-শুনা কৰিছে, যাৰ ফলস্বৰূপে এতিয়া তেখেত কিতাপ নোচো
সকলো ক'ব পাৰে বা বুজাব পাৰে। ছাৰে এই বছৰ আমাৰ মহাবিদ্যালয়
অৱসৰ ল'লে, যাৰ ফলত আমি কেতিয়াও তেখেতৰ সেই আমোদজনক ক্ল
কৰাৰ সুবিধা নাপাম। কিন্তু তাৰ মাজতো মই এযাৰ কথা ক'ব বিচাৰোঁ যে
আমাৰ মহাবিদ্যালয়ৰ পৰাহে অৱসৰ লৈছে, আমাৰ মনৰ পৰা নহয়। ছা
অৱসৰে তেখেতৰ প্ৰতি থকা আমাৰ মৰম আৰু শ্ৰদ্ধা কেতিয়াও শেষ
নোৱাৰে। তেখেত আমাৰ শিক্ষাগুৰু আছিল আৰু সকলো সময়তে থাকি




(বিভাগীয় আলোচনা সত্ৰৰ সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতিভূষণ পা
অন্যান্য সতীৰ্থ অধ্যাপকৰ সৈতে অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া)

# মোৰ স্মৃতিত ঠাকুৰীয়া ছাৰ

●সন্ধ্যা দাস

মোৰ পৰম শ্ৰদ্ধাৰ পূজনীয় শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰক মই যোৱা টনি বছৰে লগ পালোঁ। তেখেতক মই প্ৰথম লগ পাইছিলো ২০১৭ চনৰ HS st Year ৰ অসমীয়া ক্লাছত। ছাৰৰ সান্নিধ্য পোৱা এইখিনি সময়তে তেখেতৰ ষয়ে কিছু কথা জানিব পাৰিছোঁ। তেখেতে শ্ৰেণীকোঠাত পাঠদান কৰাৰ উপৰিও হাবিদ্যালয়ৰ বিভিন্ন কামৰ লগত জড়িত হৈ আছিল। ঠাকুৰীয়া ছাৰ এই কলেজৰ গ্ৰগণ্য ব্যক্তি আছিল। মহাবিদ্যালয়ৰ সকলো কামেই নিয়াৰিকৈ কৰিছিল। আমাৰ ষ্টিত তেখেত এগৰাকী আদৰ্শবান অধ্যাপক। তেখেতে সহজ-সৰল ভাষাৰে জোৱা ক্লাছবোৰ কৰি বহুত ভাল লাগিছিল। তেখেত সাধাৰণতে আমাক ংস্কৃতি, গীতা-ভাগৱত, বৰগীত আৰু শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ বিষয়ে জাইছিল। এইবোৰ বিষয়ৰ ওপৰত তেখেতৰ বহুত জ্ঞান, চৰ্চা আছে। তেখেতে দায় কিতাপ নোচোৱাকৈয়ে, সকলোৱে বুজিব পৰাকৈ সুন্দৰভাৱে বুজাইছিল

আৰু আমি বুজি পাইছিলোঁ। তেখেতৰ পৰা যিখিনি জ্ঞান অৰ্জন কৰিব তাৰ বাবে তেখেতৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ম। তেখেতে কৰ্মজীৱনৰ পৰ লোৱা বাতৰিটোৱে হৈছে আমাৰ বাবে দুখৰ বিষয়। ছাৰৰ বিভাগৰ ছাত্ৰী হিচাপে মোৰ অন্তৰৰ পৰা মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ আৰু ওচৰত তেখেতৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।◆◆



(মহাবিদ্যালয় প্ৰাঙ্গণত এক বিশেষ মুহূৰ্তত বৰপুত্ৰৰ সৈতে অধ্যাপক শ্যা ঠাকুৰীয়া)

# স্মৃতিৰ পটত প্ৰিয় শিক্ষাগুৰু

●লতিফা আহমেদ


বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা কিছুদিন আগতে আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰে কৰ্মৰ পৰা অৱসৰ লৈ আমাৰ মাজৰ পৰা ক্ষন্তেকীয়া সময়ৰ বাবে বিদায় ল'লে। তেখেতৰ বিষয়ে মই দুই-এষাৰ লিখিলোঁ। মাননীয় ঠাকুৰীয়া ছাৰক মই দুই বছৰ ধৰি এইখন মহাবিদ্যালয়ত লগ পাইছিলোঁ।

ঠাকুৰীয়া ছাৰ মোৰ প্ৰিয় শিক্ষাগুৰুসকলৰ ভিতৰত এজন। ছাৰে আমাৰ বিভাগৰ প্ৰধান পাঠ্যক্ৰমৰ ক্লাছবোৰত সকলো বিষয়ৰ শিক্ষাদান কৰাৰ সময়ত তেখেতে আমাক কেতিয়াও গালি-গালাজ কৰা নাছিল। কেতিয়াও বেয়াকৈ কৈ পোৱা নাছিল। ছাৰে যেতিয়া আমাৰ ক্লাছবোৰ লৈছিল তেতিয়া পাঠবোৰ অতি সৰল ভাষাত পঢ়ুৱাইছিল বাবে আমাৰ সহজতে মনত ৰৈছিল।

আমাৰ দুৰ্ভাগ্য যে, ঠাকুৰীয়া ছাৰক আমি মাত্ৰ দুই বছৰহে পালোঁ। তেওঁ যেন আমাক আশীৰ্বাদ কৰে যাতে ভৱিষ্যতে আমি সুখ্যাতিৰে আগুৱাই পাৰোঁ।

শেষত মই ক'বলৈ ওলাইছোঁ যে, লগ পোৱা এই দুটা বছৰত যদি কেতিয়া ভুল-দোষ কৰিছিলোঁ ছাৰক অথবা তেখেতৰ সন্মানত আঘাত কৰিছিলোঁ বাবে যেন তেখেতে মোক ক্ষমা কৰি দিয়ে আৰু বিভাগীয় সতীৰ্থ, দাদা-বাইটি ভাইটি-ভণ্টিয়ে অজানিতে কৰা ভুলৰ বাবেও তেওঁলোকৰ হৈ মই আপোনাৰ ওচৰত ক্ষমা মাগিছোঁ। আপুনি নিজৰ ল'ৰা-ছোৱালী বুলি ভাবি আমাক ক্ষমা কৰি দিব।

লিখিলে লিখি থাকিবৰ মন যায়, কিন্তু আপোনালৈ থকা মোৰ হিয়াৰ শ্ৰদ্ধাজনিত মনোভাৱ মাত্ৰ দুই-এষাৰ কথাৰে চমুকৈ লিখিলোঁ। আপুনি কৰ্মৰ পৰা অৱসৰ ল'লেও মহাবিদ্যালয়ৰ প্ৰতিজন অধ্যাপক তথা ছাত্ৰ-ছাত্ৰীৰ মাজত আপুনি সদায় জীয়াই থাকিব। মোৰ ক্ষুদ্ৰ লিখনিটোত ভুল-ত্ৰুটি ক্ষমা কৰি দিব।◆◆




(বিভাগত অনুষ্ঠিত শিক্ষক দিৱসৰ এক বিশেষ মুহূৰ্তত তোলা আলোকচিত্ৰ)

# অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া ছাৰ

● জোচ্‌না ভানু

২০১৮ চনত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত নামভৰ্ত্তি কৰি দেখিবলৈ পাইছিলোঁ আমাৰ যিটো অসমীয়া বিভাগ। সেই অসমীয়া বিভাগৰ অধ্যাপক সকল আছিল বহুত মৰমীয়াল। আমাৰ অসমীয়া বিভাগৰ ছাৰ বাইদেউ সকলে আমাক নিজৰ সন্তানৰ দৰে যথেষ্ট মৰম আদৰ আৰু শাসন কৰে। বিভাগৰ প্ৰত্যেক গৰাকী শিক্ষাগুৰুকে মই শ্ৰদ্ধা কৰোঁ। তাৰ ভিতৰত কেইদিনমান আগতে অৱসৰ গ্ৰহণ কৰা ঠাকুৰীয়া ছাৰো আছিল এজন। শ্যামা চৰণ ঠাকুৰীয়া ছাৰ মোৰ দৃষ্টিত এজন আদৰ্শ ব্যক্তি তথা অধ্যাপক আছিল। যিকোনো ঠাইতে ছাত্ৰ-ছাত্ৰীসকলক লগ পালে ঠাকুৰীয়া ছাৰে মাত এষাৰ দিছিল। ঠাকুৰীয়া ছাৰৰ বিষয়ে অন্যান্য ছাৰৰ মুখত আৰু আমাৰ অসমীয়া বিভাগৰ দাদা-বাইদেউ সকলৰ মুখত বহুতো প্ৰশংসা শুনিছোঁ। শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ ক্লাছবোৰ কৰি বৰ ভাল লাগিছিল।

অতি কঠিন যেন লগা বিষয়বোৰো ছাৰে নিজৰ ভাষাত সহজকৈ বিশ্লে কৰি আমাক বুজাত সহায় কৰিছিল। তেখেতে কেতিয়াও কাকো এযাৰ টান কোৱা মোৰ মনত নপৰে। আজি তেনেকুৱা এজন শিক্ষাগুৰুক আমাৰ বিভা পৰা বিদায় দিবলৈ লোৱাত আমি বৰ দু:খিত। শেষত, ঠাকুৰীয়া ছাৰে সু কালৰ তেখেতৰ কৰ্মজীৱন সফলভাৱে সমাপ্ত কৰা বাবে মই তেখেতক আন্ত শুভেচ্ছা জনাইছোঁ আৰু তেওঁ যেন আমাক ভৱিষ্যতে আগবাঢ়ি যাবলৈ আশী কৰে তাৰে কামনাৰে মই মোৰ লিখনিটো সমৰিছোঁ।◆◆



(মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতিভূষণ পাণ্ডা আৰু অৰ্থনীতি বিভাগৰ সহ অধ্যাপক অংশুমান শইকীয়াৰ সৈতে অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া)

# শ্যামা চৰণ ঠাকুৰীয়া ছাৰ আৰু মোৰ কিছু অনুভৱ

●ডিম্পী কৌৰ

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উজ্জ্বল আৰু মৰমীয়াল স্বভাৱৰ মানুহজনেই হৈছে সদ্য বিদায়ী শ্যামা চৰণ ঠাকুৰীয়া ছাৰ। ঠাকুৰীয়া ছাৰৰ সৈতে মোৰ পৰিচয় ঘটিছিল বিভাগৰ প্ৰথম বৰ্ষৰ নৱাগত আদৰণী সভাত। স্নাতক প্ৰথম ষান্মাসিকৰ পৰা চতুৰ্থ ষান্মাসিকলৈকে আমি শ্ৰদ্ধাৰ ঠাকুৰীয়া ছাৰৰ ক্লাছ কৰাৰ সুযোগ পালোঁ। সমগ্ৰ বিশ্বতে সন্ত্ৰাস চলোৱা ক'ৰ'না মহামাৰীৰ বাবে আমি স্নাতক চতুৰ্থ ষান্মাসিকৰ ক্লাছ তেনেকৈ কৰিবলৈ সুবিধাই নাপালোঁ। যি এক-দুই মাহ ক্লাছ কৰিছিলোঁ সেইখিনিয়েই আছিল ঠাকুৰীয়া ছাৰে আমাক কৰা শেষ ক্লাছকেইটা। ঠাকুৰীয়া ছাৰৰ ক্লাছটো আমাৰ সকলোৰে বাবে অতি আগ্ৰহৰ আছিল। ছাৰেও ক্লাছবোৰ অত্যন্ত আগ্ৰহেৰে কৰিছিল। ছাৰে শ্ৰীশংকৰদেৱ আৰু

শ্ৰীমাধৱদেৱ সম্পৰ্কে যথেষ্ট উপাদেয়ভাৱে আমাৰ আগত বৰ্ণনা কৰিছি
তেখেতৰ শিক্ষণ পদ্ধতিয়ে আমাৰ মনবোৰতো শিক্ষাৰ প্ৰতি বিশেষ ধাউ
সৃষ্টি কৰিব পাৰিছিল বুলি মোৰ মনে ধৰে। তেখেতৰ এনে শিক্ষণ পদ্ধতি অ
পঢ়োৱাৰ নিত্য নতুন কৌশলে আমাক সদায় সজীৱ কৰি ৰাখিছিল। সেইবাবে
হয়তো ঠাকুৰীয়া ছাৰে প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰেই মনত প্ৰিয় শিক্ষকৰ আসন ল
কৰিছিল। ছাৰে অতি কম সময়ৰ ভিতৰতে নতুন বিষয় এটা আমাৰ আগত অ
সহজভাৱে বৰ্ণনা কৰি দিছিল, যাৰ দ্বাৰা আমি অতি সহজে সেই বিষয়টো আয়
কৰিবলৈ সক্ষম হৈছিলোঁ। ঠাকুৰীয়া ছাৰ কেৱল বিভাগৰ ক্লাছ আৰু কামৰ মাজ
সীমাবদ্ধ নাছিল। মহাবিদ্যালয়খনৰ অন্যান্য বহুতো কামৰ গুৰু দায়িত্ব ব
কৰিছিল। শ্যামা চৰণ ঠাকুৰীয়া ছাৰ অতি মৰমীয়াল স্বভাৱৰ আছিল যদিও সময়
কিন্তু তেওঁ অতি কঠোৰো হৈ উঠিছিল।

জীৱনত যিসকল শিক্ষাগুৰুক আদৰ্শ শিক্ষক বুলি মানি আহিছোঁ, ঠাকুৰী
ছাৰ সেইসকল শিক্ষাগুৰুৰ একেবাৰে শীৰ্ষৰ ফালে আছে। মহাবিদ্যাল
সময়খিনিত ঠাকুৰীয়া ছাৰক আমি এগৰাকী সৎ, নিৰ্ভীক আৰু পৰোপকাৰী
মৰমীয়াল শিক্ষক ৰূপে পাইছোঁ— এই গুণবোৰেই হয়তো মোৰ মনত
তেখেতক আদৰ্শ শিক্ষকৰূপে ভাবিবলৈ অৰিহণা যোগাইছে। শেষত এইগৰা
মহান শিক্ষাগুৰুলৈ মোৰ শ্ৰদ্ধা জনাই তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন কা
কৰিছোঁ।◆◆

# কলেজীয়া জীৱনত প্ৰিয় শিক্ষকগৰাকীৰ প্ৰভাৱ

●তাহেৰ আলি

শিক্ষাগুৰুসকল ছাত্ৰ জীৱনৰ অন্ধকাৰ প্ৰচ্ছায়াৰ একো একোডাল মমবাতি। তেখেতসকল জীৱনৰ খোজ আগুৱাই নিয়াৰ অন্যতম প্ৰধান পথ-প্ৰদৰ্শক আৰু অভিভাৱকস্বৰূপ। ছাত্ৰ হিচাপে বিকশিত হোৱাৰ নিবিড় প্ৰক্ৰিয়াটোত শিক্ষকসকলৰ অৱদানৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰি। সকলো শিক্ষাগুৰুৰ প্ৰতি মই শ্ৰদ্ধাশীল। তাৰ মাজত কোনো এগৰাকী শিক্ষাগুৰুক বাছি উলিওৱাটো মোৰ বাবে অত্যন্ত কষ্টকৰ। কলেজীয়া জীৱনত প্ৰিয় শিক্ষকগৰাকীৰ প্ৰভাৱ বুলি ক'লে মই কোনগৰাকী শিক্ষাগুৰুৰ কথা ক'ম? ভাষা পঢ়ুৱা পূজনীয় নগেন্দ্ৰ নাৰায়ণ দেৱান ছাৰ... নে সাহিত্য-সংস্কৃতি পঢ়ুৱা শ্ৰদ্ধেয়া দীপ্তিৰেখা পাঠক মজুমদাৰ বাইদেউ... নে সাহিত্য-সংস্কৃতি-বুৰঞ্জী পঢ়ুৱা শ্ৰদ্ধাস্পদ শ্যামা চৰণ ঠাকুৰীয়া ছাৰ... নে আন কাৰোবাৰ কথা ক'ম মোৰ সোঁৱৰণীৰ পটচিত্ৰত কাক মই প্ৰিয় শিক্ষাগুৰু নিৰ্মাণ কৰিমঙ্গ মানৱ জীৱন! এক দীঘলীয়া যাত্ৰা। প্ৰত্যেকগৰাকী মানুহেই একো একোটা যাত্ৰাৰ পথিক, জীয়াই থকালৈকে যি

এক অন্তহীন প্ৰক্ৰিয়া। সূৰ্যোদয়ৰ পৰা সূৰ্যাস্তলৈ ধৰাৰ বুকুত মানুহৰ দৈন
জীৱন-যাত্ৰাৰ একেটিয়ে মাথোঁ বাট, যি শেষ হৈও শেষ নহয়। বাটৰ সিম
গৈ পোৱাৰ লগে লগে সূচনা হয় আন এটি নতুন বাটৰ। এই যাত্ৰা কা
মানুহে পৰিৱৰ্তনশীল সময়ৰ লগত নিজৰ পৰিৱৰ্তনৰ সাজোন সলায়। স্ন
এতিয়া সমাপ্ত হ'ল। শিক্ষা জীৱনৰ এটা বাটৰ অন্ত পৰিল। উদয় হ'ল আন
নতুন বাটৰ। প্ৰৱহমান গতিৰ এইখিনি সময়তে বহুতো শিক্ষাগুৰুৰ সান্নিধ্য পা
উৎকৰ্ষৰ জখলা বগাই যাবলৈ ধাৱিত হোৱাৰ পথটোত স্নাতক প্ৰথম ষান্মাসি
পৰা আমাৰ অসমীয়া বিভাগটোত পাঁচগৰাকী শিক্ষাগুৰু পাইছিলোঁ।
দুগৰাকী শিক্ষাগুৰু ইতিমধ্যে অপ্ৰত্যাশিতভাৱে অৱসৰ ল'লে আমাৰ
পৰা। সেউজ হাঁহি এটি মুখত অনবৰতে বিৰিঙি থকা নগেন্দ্ৰ নাৰায়ণ
ছাৰৰ স্নেহ পৰায়ণ ব্যক্তিত্বৰ বাবেই মই তেখেতক কেতিয়াও পাহৰিব নোৱা
পাঠদানৰ সময়ত এইগৰাকী শিক্ষাগুৰুৰ আছিল কথা কোৱাৰ এক অপূৰ্ব চম
শৈলী; তাৰ মাজেৰে বৈ যায় মোহিত কৰা সুৰৰ এটি মৃদু ঢৌ, যি ঢৌৱে
কোঠাৰ প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীকে লৈ যায় গীতিপৰীৰ দেশলৈ । সেই
কেতিয়াবা কেতিয়াবা ছাৰক কৈছিলোঁ কথা-সুৰৰ যাদুকৰ। সৌন্দৰ্যৰ দী
দীপ্তিমান দীপ্তিৰেখা পাঠক মজুমদাৰ বাইদেউৰ পাঠদানত আছিল এক
বিশেষত্ব; এক আড়ম্বৰহীন ভাৱপূৰ্ণ, শ্ৰেণীকোঠাত সুন্দৰ পৰিৱেশ
অনুশাসনৰ মাজেৰে বাইদেৱে আমাক পাঠদান দিছিল। শ্ৰেণীকোঠাতে
অথবা বাহিৰতে হওক লগ পালেই কিবা এটা কৰিবলৈ উদ্‌গনি দিয়
দুয়োগৰাকী শিক্ষাগুৰু আমাৰ স্মৃতিত চিৰদিনৰ বাবে সজীৱ হৈ থাকিব।'
ভোগ্য বসুন্ধৰা।' সন্তোষ হাঁহিৰ মন এটি লৈ জগতখনত সুখ কৰিব বিচা
আগতে নিজকে যোগ্য কৰি তুলিব লাগিব। যোগ্যহীন ব্যক্তিৰ ভোগৰ স্থান
সময় প্ৰতিযোগিতামুখী। সময়ৰ লগত প্ৰতিযোগিতা কৰিব নোৱাৰিলে গ
জীৱনৰ যাত্ৰাপথত নিজে পিছপৰি যাব লাগিব। ঠাকুৰীয়া ছাৰে ক্লাছত
এই কথাবোৰ শ্ৰৱণেন্দ্ৰিয়লৈ সদায় বাৰে বাৰে খুন্দা মাৰে। বিভিন্ন সভা
অনুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ কেৰিয়াৰ গঠনৰ পুষ্টিকৰ ভাষণেই মোক

হ'বলৈ প্ৰেৰণা দিয়ে। শ্ৰেণীকোঠাত দিয়া পাঠদানৰ প্ৰতিধ্বনিৰ সুৰ এতিয়াও হৃদয়ত অণুৰণিত হয়। ছাৰৰ গুণমানসম্পন্ন পাঠৰ আলোচনাই শ্ৰেণীটোক সুকীয়া মৰ্যাদা দিছিল। পাঠদান পদ্ধতি, দায়িত্ববোধ আৰু কৰ্তব্যপৰায়ণতাৰ বাবেই এখেত মোৰ অনেক প্ৰিয় গুৰু। জীৱ-জগতত জীয়াই থাকিবলৈ প্ৰেম আৰু সাহসৰ অতি প্ৰয়োজন। এনে সাহস যোগাওতা হ'ল শ্ৰদ্ধাৰ শ্বাহ জামাল মোল্লা ছাৰ। এইগৰাকী শিক্ষাগুৰুও মোৰ অন্যতম প্ৰিয়। ২০২০ বৰ্ষৰ লক্‌ডাউনৰ দৰে নিৰ্মম কঠিন সময়ছোৱাত এই গুৰুজনাই আমাক ভাগি পৰিবলৈ দিয়া নাছিল কিন্তু। বিভিন্ন সময়ত হোৱাট্‌ছএপযোগে বাৰ্তা দি উৎসাহ যোগাই আমাক আত্মবিশ্বাসী কৰি তোলাৰ লগতে শিক্ষকসকলৰ প্ৰতি শ্ৰদ্ধাও দুগুণ কৰি তুলিছিল। ছাৰৰ পাঠদানৰ পৰা কেৱল পাঠ্যবিষয়ৰে নহয় গোটেই অসম-ভাৰতৰ প্ৰাচীন কালৰ পৰা বৰ্তমানলৈ ভাষা-সাহিত্য-সংস্কৃতিৰ বহল পৰিসৰটোৰ লগত চিনাকি হোৱাৰ সুযোগ পাইছিলোঁ। সদায় সংযমিত হৈ থকা ছাৰৰ কিছুমান নিজা দৃষ্টিভংগীয়েও কেতিয়াবা মোৰ অনুপ্ৰেৰণাৰ কাৰণ হৈ পৰে।

তিনিবছৰ সময়ৰ পৰিক্ৰমা। যাত্ৰা সদায় গতিশীল। সময়ো। প্ৰথম ষান্মাসিকৰ প্ৰথম দিনটোৰ পৰা আৰম্ভ কৰি শেষ ষান্মাসিকৰ শেষৰটো দিনলৈ শ্ৰেণীকোঠাৰ মুহূৰ্তবোৰ অতীত হ'ল। সেয়া হ'লেও কোনো কথা নাছিল; ময়ো অতীত হ'লো মহাবিদ্যালয়খনত। ক্লাছত শিক্ষকসকলৰ পৰা পোৱা অকৃত্ৰিম মৰমবোৰো অতীত হ'ল। জীৱনৰ পৰা সময়বোৰ কমি যোৱাক লৈ কেতিয়াও দুখৰ অনুভৱ হোৱা নাই। দুখৰ অনুভৱ হয় তেতিয়া, যেতিয়া আমাৰ বিভাগৰ শিক্ষকসকলক দেখিবলৈ নাপাম বুলি, প্ৰাকৃতিক শোভাৰ বিনন্দীয়া ৰূপ-ৰসেৰে সমৃদ্ধ বি পি চি মহাবিদ্যালয়খন দেখিবলৈ নাপাম বুলি মনত পৰে তেতিয়া হাজাৰ কষ্টৰ গৰল সানি বুকুখন বিষাই উঠে। কোনো শিক্ষককে মই এৰাব পৰা নাই দেখোন! তেনেহ'লে কাক মই আটাইতকৈ প্ৰিয় শিক্ষাগুৰু হিচাপে বাছনি কৰিম? উত্তৰটো মোৰ ওচৰতো নাই। মই কিমান পুণ্য কৰিলে পৰজনমত এইসকল শিক্ষাগুৰুৰ ছাত্ৰ হোৱাৰ সৌভাগ্য ঘটিব? ♦♦

# শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰ

●সাগৰিকা কলিতা,
ভূপালী তালুকদাৰ

পোন প্ৰথমে আমি মাননীয় শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ শ্ৰীচৰণত আমাৰ সেৱা জনাইছোঁ।

আমাৰ কলেজীয়া জীৱনৰ আৰম্ভণি হয় ২০১৮ বৰ্ষৰ পৰা। তেতিয়াৰে পৰা আমি অইন বিষয়ৰ শিক্ষাগুৰুসকলৰ লগতে বৰ্তমানৰ আমাৰ অসমীয়া বিভাগৰ শিক্ষাগুৰু মাননীয় শ্যামা চৰণ ঠাকুৰীয়া ছাৰক লগ পাওঁ।

তেখেতে আমাক উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত অসমীয়া বিষয়ৰ 'কুশল কোঁৱৰ' নাটকখনৰ পাঠদান কৰিছিল। 'কুশল কোঁৱৰ' নাটকখনৰ প্ৰতিটো চৰিত্ৰ

বিষয়ে বুজাইছিল। শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰে 'সন্মান পাঠ্যক্ৰমৰ' ছাত্ৰ-ছাত্ৰীসকলৰ লগতে আন আন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলকো সমান আন্তৰিকতাৰে মৰম কৰিছিল। তেখেত শিক্ষাৰ ক্ষেত্ৰত যিদৰে আগৰণুৱা, ঠিক তেনেদৰে সাংস্কৃতিক আৰু ৰাজহুৱা ক্ষেত্ৰৰ প্ৰতিটো কামতো তেখেতৰ একেই উদ্যম দেখা যায়। মহাবিদ্যালয়ৰ সাংস্কৃতিক কামবোৰত নিজে জড়িত হোৱাৰ উপৰিও আমাক ছাৰে যোগদান কৰিবলৈ উপদেশ দিছিল। মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠানবোৰৰ উপৰিও ৰাজহুৱা কিছুমান কামত ওত:প্ৰোতভাৱে তেখেত জড়িত হৈ আছিল। লগতে ২০২০ বৰ্ষৰ নগৰবেৰা ৰাস মহোৎসৱৰ সভাপতিৰ পদো অলংকৃত কৰিছিল। ছাৰৰ পৰা আমি বিভিন্ন ক্ষেত্ৰত যেনে— শিক্ষা, সাংস্কৃতিক আৰু ৰাজহুৱা আদি দিশবোৰত বহুতো সহায় পাইছোঁ।

আমি সন্মান পাঠ্যক্ৰম অসমীয়া লোৱাৰ আগত, প্ৰাক্তন দাদা, বাইদেউসকলৰ পৰা গম পাইছোঁ যে ছাৰে সন্মান পাঠ্যক্ৰমত বিশেষকৈ নাটকৰ পাঠদান কৰিছিল। আমি নিজৰে দুৰ্ভাগ্য বুলি ভাবোঁ যে তেনেকুৱা ব্যক্তিত্বৰ এজন শিক্ষাগুৰুৰ ওচৰত আমি অধ্যয়ন কৰাৰ সুযোগ নাপালোঁ।

শেষত, ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ, ছাৰে যাতে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু লাভ কৰে আৰু আগন্তক দিনবোৰত তেখেতৰ পৰা অধিক উৎসাহ আৰু অনুপ্ৰেৰণা আশা কৰিছোঁ। ◆◆

# মোৰ অনুভৱত শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰ

●এলিয়াচ হাচান চাহাবুল ইচলাম

জিলমিল জোনাক নিশাৰ পোহৰৰ আঁৰত বিষাদৰ মহাসাগৰ আজি মোৰ অন্তৰ আত্মাত। চিৰাল ফাট মেলা পথাৰৰ কৰুণ প্ৰতিচ্ছবি যেন। মোৰ হৃদয়ত জেতুকা পাতৰ দৰেই। দুচকুত সদায়েই ভাহি থকা পূৰ্ণিমাৰ জোন যেন আজি ক্লান্ত। নিৰৱে চকুলো টুকি-টুকি যেন পূৰ্ণিমাৰ পূৰ্ণ জোনটোক আজি ব্যথিত হৃদয়েৰে বিদায় জনোৱাৰহে অপেক্ষাত। হয়-হয়, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ গৌৰৱ, অসমীয়া বিভাগৰ মান, অসমীয়া বিভাগৰ উজ্জ্বল নক্ষত্ৰ, হৃৎপিণ্ড শ্ৰদ্ধাৰ পৰম পূজনীয় শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ কথাই কৈছোঁ। আজিৰ পৰা প্ৰায় সাত বছৰ মান আগতেই ২০১৩ চনৰ

১৩ আগষ্ট তাৰিখে ছাৰৰ সদিচ্ছা আৰু বিভাগৰ প্ৰয়োজনত মই Contractual Teacher হিচাপে নিয়োজিত হৈছিলোঁ। ছাৰৰ সহানুভূতি আৰু মহানুভৱতা সদায়েই মোৰ বাবে এক বিৰল স্মৃতি।

শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ লগত এটি দীঘলীয়া পৰিক্ৰমা প্ৰায় সাতোটা বছৰ পাৰ হোৱাৰ পাছত যোৱা ২-৩ মাহমানৰ পৰাই বাৰুকৈয়ে এক বিষাদে হেঁচা মাৰি ধৰি আছে। বুজাব নোৱাৰা বিষাদত নিজকে সঁচাকৈয়ে অকলশৰীয়া যেন অনুভৱ কৰি আছোঁ। কাৰণটো হ'ল যিদিনাৰ পৰাই শুনি আহিছিলোঁ যে, ২০২০ চনৰ ৩০ ছেপ্তেম্বৰ তাৰিখে শ্ৰীযুত ঠাকুৰীয়া ছাৰৰ অৱসৰ গ্ৰহণৰ শেষ দিন আৰু সেই দিনৰ পৰাই মই যে ব্যক্তিগতভাৱে এজন অভিভাৱক হেৰুৱাবলৈ গৈ আছোঁ, যিটো মোৰ বাবে অতি দুখময়, অতি অসহনীয় এক বিষাদ। পৰম পূজ্য ছাৰ প্ৰকৃততে আছিল মোৰ গাইড, পৰামৰ্শদাতা, অভিভাৱক আৰু সুখ-দুখৰ এজন প্ৰকৃত বন্ধুস্বৰূপ। অতি মৰমৰ মাত 'ভাইটি' আছিল ছাৰৰ পৰা পোৱা প্ৰথম উপহাৰ। অনন্য উপহাৰ 'ভাইটি'য়ে মোক ছাৰৰ অতি ওচৰলৈকে চপাই লৈ যোৱাত যথেষ্ট পৰিমাণে সহায় কৰিছিল।

শ্ৰীযুত ঠাকুৰীয়া ছাৰ আছিল মোৰ বাবে অতি উচ্চ আদৰ্শৰ এগৰাকী ব্যক্তি। কোনো ভেদভাৱ নৰখা ছাৰজন পলকতে হৈ পৰিছিল মোৰ বাবে এক আদৰ্শ। হিন্দু কি মুছলমান, একে আল্লাহৰ ফৰমান' বাক্যশাৰীৰ ছাৰ যেন এজন অতি পূৰ্ণ সমৰ্থক। ছাৰৰ ব্যক্তিত্বত প্ৰকাশ পোৱা হিন্দু-মুছলমান সকলোৰে ক্ষেত্ৰত সমান ভালপোৱা, সমান ব্যৱহাৰ, হিন্দু-মুছলমানৰ মাজত কোনো ভেদভাৱ নৰখাৰ বাবে অতিকৈ জনপ্ৰিয় ছাৰজনৰ লগত বিগত বছৰকেইটা কাম কৰি নিজকে ধন্য হোৱা যেন অনুভৱ কৰোঁ। পাঠ্যপুথিত নিশিকা-নুবুজা বহুতো শিক্ষা শ্ৰদ্ধাৰ ছাৰৰ পৰাই মই বহুখিনি শিকিলোঁ, বহুখিনি জানিলোঁ। সেই ফালৰ পৰাও ছাৰ মোৰ মনত সদায়েই চিৰস্মৰণীয় হৈ ৰ'ব। এজন আদৰ্শ, সৎ, নিষ্ঠাবান আৰু কৰ্মৰ লগত আপোচ নকৰা প্ৰকৃত যোদ্ধাৰ এটি সৰু কাহিনী মনত পৰি গ'ল আৰু তাকে নিলিখাৰ লোভটো সামৰিব নোৱাৰিলোঁ।

"দুইবছৰমান আগৰ ঘটনা। শ্ৰদ্ধাৰ ছাৰৰ এবাৰ এখন হাত ভাঙিছিল। ডাক্তৰে ছাৰক জিৰণি লোৱাৰ বাবে পৰামৰ্শ দিছিল। কিন্তু এদিনৰ ঘটনা এটি চাই মই তবধ মানিছিলোঁ। কৰ্মই ধৰ্ম বুলি বাৰে-বাৰে মনত পেলাইছিলোঁ। ছাৰৰ ক্লাছ এটা আছিল ১১ বজাত। মই ছাৰৰ ক্লাছটো ল'ম বুলি ঘৰৰ পৰা অলপ আগতীয়াকৈ কলেজলৈ আহিলোঁ। কিন্তু কি আচৰিত মই ছাৰৰ ক্লাছটো ল'বলৈ যো-জা কৰি আছিলোঁ আৰু তেনে সময়তেই মই দেখা পালো ভঙা হাতখন গলত বান্ধি থকা অৱস্থাত লাহে-লাহে খোজ কাঢ়ি ছাৰ আহি আছে। একেবাৰে ওচৰ চপাত মই ছাৰক ক'লোঁ, "ছাৰ, আপুনি বহি অলপ জিৰণি লওক আৰু আপোনাৰ ক্লাছটো মই লওঁ।" ছাৰে লগে-লগে মোক ক'লে, "নহয় অ' এলিয়াচ, নালাগে দে, মোৰ ক্লাছ এইটো, ময়ে লওঁদে।" মই বাৰে বাৰে কোৱা স্বত্বেও মোকেই বুজাই থৈ ভঙা হাতখন লৈ নিজেই ক্লাছটো ল'লে। ছাৰৰ সৈতে এনেকুৱা বহু ঘটনা আছে, যিবোৰ মোৰ বাবে অতিকৈ স্মৰণীয়।

ছাৰৰ মিঠা কথা বতৰা, মিঠা হাঁহি, অনবৰতে মিঠা ব্যৱহাৰে মোক বৰুকৈয়ে আপ্লুত কৰিছিলে। প্ৰথম লগ পাই ভাৱ হৈছিল ছাৰ চাগে কঠিন হৃদয়ৰ লোক; কিন্তু লাহে লাহে গম পাইছিলোঁ অতি সাধাৰণ কোমল অন্তৰৰ এজন প্ৰকৃত মানুহ। যিকোনো বিষয় মোক অতি সুন্দৰকৈ বুজাই দিয়া, যিকোনো দিশতেই কিবা পৰামৰ্শ বিচাৰিলে খুব সুন্দৰকৈ পৰামৰ্শ দিয়া মোৰ ক্ষেত্ৰত যেন ছাৰ এটা দায়িত্বই হৈ পৰিছিল। মোক সকলো সময়তেই এলিয়াচ Ph. D, M.Phil, NET, SLET কৰি ল, কিবা সহায় লাগিলে মই কৰিম ইত্যাদি ইত্যাদি পৰামৰ্শবোৰ আৰু সহানুভূতিবোৰ আছিল একান্তই অভিভাৱকৰ নিচিনা। সেয়েহে ছাৰৰ লগত মোৰ একে লগে সাতোটা বসন্ত পাৰ হৈ যোৱাৰ পাছত আহি-আহি আজি কৰ্মজীৱনৰ বিয়লি বেলাত ভৰি দিয়া ছাৰক সঁচাকৈ পাহৰিব নোৱাৰা এক অৱস্থা। ছাৰৰ মহান ব্যক্তিত্ব, ছাৰৰ আদৰ্শ ছাৰৰ কৰ্তব্য পৰায়ণতা, মহান ব্যক্তিগৰাকীৰ মহান আদৰ্শ, মহানুভৱতা, নিৰপেক্ষ চিন্তা ধাৰা আদিৰ বাবে মোৰ মনত ছাৰৰ স্থান সদায় উচ্চ হৈ থাকিব। হৃদয়ত এবুকু দুখ লুকাই ৰাখি সকলোৰে লগত হাঁহি-হাঁহি কথা কোৱা মহান মানুহগৰাকীৰ দীৰ্ঘায়ু কামনা কৰিছোঁ। সদায় নিৰোগী

হৈ থাকি অনাগত দিনতো সমাজখনক আগুৱাই লৈ যাওক, সুস্থ সুন্দৰ জীৱন-যাপন কৰক, পৰম কৰুণাময় ঈশ্বৰৰ ওচৰত মনে প্ৰাণে তাৰেই কামনা কৰিলোঁ।

সদৌ শেষত হে মহান ব্যক্তিত্বৰ অধিকাৰী শিক্ষাগুৰু শ্ৰদ্ধাস্পদ শ্যামা চৰণ ঠাকুৰীয়া ছাৰ আপোনাৰ লগত এই দীঘলীয়া যাত্ৰাত অজানিতে হৈ যোৱা ভুলৰ বাবে মই মাৰ্জনা বিচাৰিছোঁ। সৰু 'ভাইটি' বুলি ক্ষমা কৰি দি আপুনি মোক আশীৰ্বাদ কৰিব বুলি আশা ৰাখিলোঁ লগতে অনাগত দিনতো আপোনাৰ নিচিনা অভিভাৱকৰ পৰা সদায়েই দিহা পৰামৰ্শ, সহায়-সহযোগিতা অন্তৰাত্মাৰে কামনা কৰি আকৌ ক্ষমা বিচাৰি আপোনাৰ নিচিনা মহান ব্যক্তিৰ বিষয়ে হেজাৰ হেজাৰ শব্দৰে বাক্য লিখিলেও আপোনাৰ গুণ-গান শেষ কৰিব নোৱাৰিম যদিও যি দু-আষাৰ লিখিব পাৰিলোঁ এইখিনিতেই নিজকে ধন্য যেন অনুভৱ কৰিলোঁ।


"শুভ হওক আপোনাৰ যাত্ৰা
সফল হওক উদ্দেশ্যে
চিৰদিন মোৰ অন্তৰাত্মাত জিলিকি থাকক
শ্যামা চৰণ নামৰ নক্ষত্ৰ।" ◆◆

# শ্যামা চৰণ ঠাকুৰীয়া ছাৰ

●ৰুবুল তালুকদাৰ

প্ৰাক্তন মুৰব্বী অধ্যাপক মাননীয় শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰক প্ৰথমতে প্ৰণাম জনাইছোঁ। তেখেতক মই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰাই লগ পাইছিলোঁ। এই মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ ভিতৰত তেখেতক মই বহুত ভাল পাইছিলোঁ। তেখেতৰ কথাবোৰ মই যিমান পাৰোঁ মানিবলৈ চেষ্টা কৰিছিলোঁ। তেখেতৰ প্ৰতি মোৰ শ্ৰদ্ধা, ভক্তি আৰু সন্মানো যথেষ্ট আছিল আৰু বৰ্তমানেও সেয়া অটুত আছে। তেখেতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক নিজৰ সন্তানৰ দৰে মৰম কৰিছিল। তেখেতে বুজনিসমূহ সকলোৱে বুজি পোৱাকৈ সহজ-সৰল ভাৱে বুজাবলৈ চেষ্টা কৰিছিল আৰু বুজনিবোৰ অতি ৰসাল আছিল। আমি নজনা বহুতো কথা তেখেতে আমাক শিকাই দিছিল। তেখেতৰ ক্লাছবোৰত আমি কোনোদিনে খং-ৰাগ কৰা দেখা পোৱা নাছিলোঁ। তেখেতে সদায় হাঁহি-ধেমালিৰ

মাজেৰে অতি মৰমেৰে আমাৰ ক্লাছবোৰ কৰিছিল। পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে আমাক বুজি নোপোৱা বা নজনা কথাবোৰ তেখেতে সমাধান কৰি দিবলৈ চেষ্টা কৰিছিল। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰত্যেকখন সভা-সমিতি, বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠানকে আদি কৰি সকলোবোৰতে তেওঁ আগভাগ লোৱা দেখিবলৈ পোৱা গৈছিল। সদৌ শেষত আমাক দি যোৱা মৰম আমাক উৎসাহিত কৰা কথাবোৰ মই কেতিয়াও পাহৰিব নোৱাৰিম আৰু তেখেতে আমাৰ মাজত সদাই থাকিব। অনাগত দিনবোৰতো যাতে তেখেতে এনেদৰেই সদায় হাঁহি-ধেমালি কৰি থাকে আৰু তেখেতৰ দীৰ্ঘায়ু জীৱন যাতে হয় তাকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ। যদি কেতিয়াবা মই তেখেতক অসন্মান কৰিছোঁ বা কৰিছিলোঁ, তেখেতে যাতে এইবোৰ ধৰি নাথাকি মোক ক্ষমা কৰি দিয়ে। যদি মোৰ লিখনিটোত কোনো ভুল হৈছে বা ক'ৰবাত কিবা বৈ গৈছে তাৰ বাবে মোক ক্ষমা কৰি দিব।◆◆



(মহাবিদ্যালয় প্ৰাঙ্গনত এক বিশেষ মুহূৰ্তত পত্নীৰ সৈতে অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া)

# শ্যামা চৰণ ঠাকুৰীয়া ছাৰ আৰু মোৰ কিছু অনুভৱ

● ডেইজী মেধি

প্ৰাক্তন অধ্যাপক মোৰ শ্ৰদ্ধাৰ মাননীয় শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰ, আপোনাক জনাৰ লগতে লগ পোৱা সময়খিনিৰ লগত জড়িত থকা মুহূৰ্তবোৰৰ সম্পৰ্কত মই দুই-এষাৰ মোৰ মনৰ কথা আগবঢ়ালোঁ।

মোৰ আন্তৰিক শ্ৰদ্ধা জনাই অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ডাঙৰীয়াক প্ৰথমে মই প্ৰণাম জনাইছোঁ।

তেখেতক মই B.A. প্ৰথম বৰ্ষৰ পৰা লগ পাইছোঁ। মই লগ পোৱা অভিজ্ঞতাৰ পৰা জানিব পাৰিছোঁ যে তেখেতৰ জ্ঞানৰ ভূমিকা অপাৰ। তেখেত এজন পিতৃসুলভ ব্যক্তি। তেখেতে আমাক বন্ধুত্বসুলভ ভাষাৰে ক্লাছবোৰ কৰি বুজাত সহায় কৰিছিল। হাঁহি-ফূৰ্তি কৰি তেখেতে আমাক সহজ-সৰলকৈ সকলো কথা বুজাই দিছিল। আমাক কেৱল অধ্যয়ন কৰা অসমীয়া বিভাগৰ কিতাপ বুলিয়েই

হয় তাৰ উপৰিও বহুতো নজনা কথা তেখেতে আমাক জনাইছিল। লগ পোৱাৰ দিনৰে পৰা মই জানিব পাৰিছোঁ যে, তেখেতে সকলোধৰণৰ সভা-সমিতি, অনুষ্ঠানসমূহত আগ-ভাগ লয়।

সদৌ শেষত, কেতিয়াবা নজনাকৈ কৰা ভুলৰ বাবে ছাৰৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। লগতে আগলৈয়ো ছাৰে যাতে এনেদৰে হাঁহি-ফূৰ্তি কৰি থাকে ইয়াকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই তেখেতৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।◆◆




('শিক্ষক দিৱস'ত বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলে উপহাৰস্বৰূপে প্ৰদান কৰা 'ফটো ফলক' সহকৰ্মীৰ সৈতে অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া)

# ঠাকুৰীয়া ছাৰ আৰু কিছু স্মৃতি

●কৃষ্ণা ৰায়

প্ৰাক্তন মুৰব্বী অধ্যাপক মোৰ শ্ৰদ্ধাৰ মাননীয় শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰ, আপোনাক জনা সময়খিনিৰ ওপৰত মই দুই-এষাৰ আগবঢ়ালোঁ-

শ্ৰদ্ধাৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰীযুত শ্যামা চৰণ ঠাকুৰীয়া ছাৰক প্ৰথমতে মই প্ৰণাম জনাইছোঁ।

তেখেতক মই B.A. প্ৰথম বৰ্ষৰ পৰাই লগ পাইছোঁ। মই যেতিয়ালৈকে আপোনাক লগ পোৱা নাছিলোঁ আপোনাৰ বিষয়ে সিমান ভালকৈ জনা নাছিলোঁ। কিন্তু যেতিয়া মই আপোনাৰ প্ৰথম ক্লাছটো কৰিলোঁ, তাৰ পাছৰ পৰাহে লাহে লাহে মই আপোনাৰ বিষয়ে বুজিব পাৰিলোঁ আৰু অধিক জানিব পাৰিলোঁ। আপোনাৰ মৰমলগা, হাঁহি-ফূৰ্তিৰ কথাবোৰ শুনি আমাৰ বৰ ভাল লাগিছিল

প্ৰথম প্ৰথম মোৰ বহুত আচৰিত লাগিছিল যে তেখেতে কিতাপ নোচোৱাকৈয়ে কেনেকৈ ইমানবোৰ কথা সহজ-সৰল আৰু সুন্দৰভাৱে ক'ব পাৰে। তাৰ পিছতহে মই অনুভৱ কৰিব পাৰিলোঁ যে ছাৰৰ সেই বিষয়ত কিমান বিস্তৃত জ্ঞান আছে, তেখেতে সেই বিষয়ৰ ওপৰত বহুত চৰ্চা কৰিছে যাৰ ফলত কিতাপ চোৱাৰ তেখেতৰ কোনো প্ৰয়োজনেই নাই।

ক্লাছত তেখেতে যিখিনি শিকাইছিল সেইখিনি মই গোটেই বুজিব পাৰিছিলোঁ; কেৱল তেখেতৰ সহজ-সৰল বুজিব পৰাকৈ কোৱা বিস্তৃত ভাঙনিৰ বাবে। তেখেতে যে অকল কিতাপৰ পাঠতেই সীমাবদ্ধ আছিল তেনে নহয় ব্যৱহাৰিক জীৱনৰ লগত জড়িত বহুবোৰ নজনা কথা শিকাবলৈ পাৰ্যমানে যত্ন কৰিছিল কেৱল আমাৰ বাবে যাতে আমি মিলিব পাৰোঁ সমাজৰ লগত। যিখিনি উপদেশ তেখেতে আমাক দিছিল এজন পিতৃগুৰু হিচাপে মানি সেইবোৰ পালন কৰিছিলোঁ। বন্ধু সুলভ মনোভাৱেৰে তেখেতে আমাৰ লগত নিজৰ মনৰ কথা প্ৰকাশ কৰিছিল আৰু আমিও প্ৰকাশ কৰিছিলোঁ। প্ৰায়েই তেখেতে আমাৰ লগত ক্লাছ কৰাৰ সময়ত হাঁহি-ফূৰ্তি, খুহুতীয়া কথাবোৰ পাতিছিল। তেখেতে কেতিয়াবা ৰাগ, খঙো কৰিছিল কিন্তু সেয়া কেৱল আমাৰ ভালৰ বাবে, আমাৰ ভৱিষ্যতৰ উন্নতিৰ বাবে। ধন্যবাদ ছাৰ, আমি আপোনাক কেতিয়াও পাহৰিব নোৱাৰোঁ। যদিও আপুনি আমাৰ এই কলেজৰ পৰা বিদায় ললে, কিন্তু আমাৰ মনৰ পৰা নহয়। আপোনাৰ প্ৰতি আমাৰ মৰম-ভালপোৱা চিৰকাল বৰ্তি থাকিব আৰু আমিও জানো যে আপুনিও কেতিয়াও আমাক পাহৰিব নোৱাৰে। আপুনি যিখিনি সময়, আমাক লগ পাইছিল এক সোণালী আখৰেৰে আমাৰ মনত আপোনাৰ সেই কথাবোৰ লিখা থাকিব।

ছাৰ, আপোনাক আকৌ এবাৰ ধন্যবাদ যাচিছোঁ মোৰ কোমল হৃদয়ৰ পৰা। ◆ ◆

# ঠাকুৰীয়া ছাৰৰ সান্নিধ্যৰ সময়খিনি

● ডেইজী আহমেদ

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰদ্ধাৰ শ্যামা চৰণ ঠাকুৰীয়া ছাৰ কেৱল বিভাগ আৰু মহাবিদ্যালয়ৰেই নহয়, নগৰবেৰা অঞ্চলৰো এজন পৰিচিত আৰু সন্মানীয় ব্যক্তি। নগৰবেৰা অঞ্চলতে ডাঙৰ-দীঘল হোৱা ঠাকুৰীয়া ছাৰে এক দীঘলীয়া সংগ্ৰামৰ মাজেৰে আহি মহাবিদ্যালয়খনত সহকাৰী অধ্যাপকৰ পদত যোগদান কৰিছিল। মই ব্যক্তিগতভাৱে একেবাৰে কাষৰ পৰা ঠাকুৰীয়া ছাৰক বৰ বেছিদিন নাপালোঁ যদিও যিখিনি সময় তেখেতক কাষত পালোঁ, সেইখিনি সময় মোৰ জীৱনৰ অন্যতম মধুৰ সময় বুলি অনুভৱ কৰোঁ। ঠাকুৰীয়া ছাৰক যি কম সময়ৰ বাবেই মহাবিদ্যালয়ত

পাইছিলোঁ সেই অভিজ্ঞতাৰে কিছু কথা ক'ব খুজিছোঁ। প্ৰকৃততে শিক্ষক হিচাপে ঠাকুৰীয়া ছাৰ অতুলনীয়া আছিল। ক্লাছৰুমৰ ভিতৰতো তেখেতে আমাৰ সন্মুখত বাহিৰৰ পৃথিৱীখনৰ সুকীয়া ছবি এখন দাঙি ধৰিছিল। জীৱনৰ বিভিন্ন ঘাত-প্ৰতিঘাতকো নেওচি ধৈৰ্যসহকাৰে কষ্ট কৰিলে কিদৰে সফল হ'ব পাৰি সেই কথাবোৰো ছাৰেই আমাক কৈছিল। কথা প্ৰসংগত তেওঁ যিবোৰ পুৰণি সাহিত্যৰ উদাহৰণ দাঙি ধৰিছিল সেইবোৰেও আমাক জীৱনক সুকীয়া দৃষ্টিভংগীৰে গ্ৰহণ কৰাত সহায় কৰিছিল। ক্লাছৰুমৰ মাজতে যে শিক্ষা আবদ্ধ নাথাকে ইও আমি ঠাকুৰীয়া ছাৰৰ পৰাই শিকিছিলোঁ। অতি আগ্ৰহেৰে কৰা ছাৰৰ প্ৰতিটো ক্লাছৰ মাজতে আমি বিচাৰি পাইছিলোঁ জীৱন গঢ়াৰ বুনিয়াদ। কৰ্মজীৱনৰ আটাইবোৰ সময় কেৱল ছাত্ৰ-ছাত্ৰীৰ বাবে চিন্তা কৰা ঠাকুৰীয়া ছাৰে ইতিমধ্যে মহাবিদ্যালয়ৰ পৰা আনুষ্ঠানিক বিদায় লৈছে। ছাৰৰ এই বিদায়বেলাত আমি অতি মৰ্মাহত হৈছোঁ। নিজৰ পৰিয়ালটোৰ পৰা এজন মৰমীয়াল পিতৃ আঁতৰি যোৱাৰ দৰে অনুভৱ হৈছে। আমি আশা কৰিছোঁ, ছাৰে এই মহাবিদ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে বিদায় লৈছে যদিও মহাবিদ্যালয়ৰ সৈতে থকা তেখেতৰ সম্পৰ্ক যেন সদায় অটুট থাকে; আৰু বিভাগৰ বিভিন্ন কামত তেখেতে যেন সদায় আমাক পৰামৰ্শ তথা সহযোগিতা আগবঢ়ায়। অৱশেষত শ্ৰদ্ধাৰ শিক্ষাগুৰুগৰাকীৰ প্ৰতি মোৰ অন্তৰৰ শ্ৰদ্ধা জনাই মোৰ কলম ইমানতে সামৰণি মাৰিছোঁ। ◆◆

# প্ৰিয় শিক্ষাগুৰুৰ প্ৰতি একলম

●অংকুমা দাস

২০০৮ চনৰ জুন মাহৰ এটি মিঠা দুপৰীয়াত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰাঙ্গণত ভৰি দিছিলোঁ এগৰাকী ছাত্ৰী হিচাপে নামভৰ্তি কৰাৰ উদ্দেশ্যে। মহাবিদ্যালয়ত প্ৰৱেশ কৰিয়েই প্ৰথমে লগ পাইছিলোঁ শ্ৰদ্ধাৰ শ্যাম চৰণ ঠাকুৰীয়া ছাৰক। তেতিয়াই দেউতাই মোক ছাৰৰ লগত চিনাকি কৰাই দিয়াত তেখেতেই মই ল'ব বিচৰা বিষয়টো অৰ্থাৎ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান আছিল বুলি জানিব পাৰিছিলোঁ। চিনাকি হোৱাৰ পিছতেই তেখেতে মোক প্ৰশ্ন কৰিছিল, 'অসমীয়াত মেজৰ ল'বা? পাৰিবানে?' ময়ো বিশেষ একো নভবাকৈয়ে উত্তৰ দিছিলোঁ, 'হয়, চেষ্টা কৰিম' বুলি। মই মোৰ কথা ৰাখিব পাৰিছোঁ নে নাই নাজানো; কিন্তু সেই তেতিয়াৰ পৰাই বৰ্তমানলৈ মোৰ লগতে আমাৰ বিভাগৰ সহপাঠীবোৰক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত ছাৰৰ যি প্ৰচেষ্টা দেখিছোঁ, সেয়া প্ৰকৃততেই প্ৰশংসনীয়। তেখেতে বিভিন্ন অনুষ্ঠান তথা প্ৰতিযোগিতাসমূহত আমাক অংশগ্ৰহণ কৰিবলৈ উৎসাহ দিছিল। শ্ৰেণীবোৰত হাস্যৰসৰ সৃষ্টি কৰি কঠিন পাঠ্যক্ৰমসমূহো সৰলভাৱে বুজাত সহায় কৰিছিল। পাঠ্যক্ৰমৰে হওক বা অন্য বিভিন্ন সমস্যাৰ ক্ষেত্ৰতে হওক, ঠাকুৰীয়া ছাৰৰ পৰা যথেষ্ট সঁহাৰি পাইছিলোঁ।

সুদীৰ্ঘ বছৰৰ চাকৰি এটাৰ পৰা অৱসৰ লোৱা সময়খিনি প্ৰত্যেকগৰাকী ব্যক্তিৰ বাবেই হয়তো কষ্টকৰ; লগতে ব্যক্তিগৰাকীৰ কৰ্মজীৱনত তেওঁৰ সংস্পৰ্শলৈ অহা সকলো লোকৰ বাবে বেদনাদায়ক মুহূৰ্ত। ঠিক তেনেদৰে অসমীয়া বিভাগৰ পৰা ঠাকুৰীয়া ছাৰে অৱসৰ লোৱা সময়খিনি তেওঁৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও বেদনাদায়ক হৈ পৰিছে। সন্মানীয় শিক্ষাগুৰুজনৰ পৰা বহুখিনি শিকিবলগীয়া, জানিবলগীয়া, বুজিবলগীয়া আছিল যদিও বৰ্তমান আমি উপায়হীন। দুটা বছৰত তেওঁৰ পৰা যিখিনি আহৰণ কৰিবলৈ সক্ষম হৈছোঁ তাৰ পৰা ভৱিষ্যতেও সুফল লাভ কৰিব পাৰিম বুলি আশাবাদী আৰু তাৰ বাবে ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

বিদায়ৰ আন এক নাম হেনো বিষাদৰ নৈ। সঁচাকৈয়ে এক বুজাব নোৱাৰা বিষাদ। যদিও এই বিদায় ক্ষন্তেকীয়া তথাপিও তেওঁ অৱসৰ লোৱাৰ লগে লগে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগটোও যেন কিছু নীৰৱ হৈ গ'ল। অনিচ্ছাস্বত্বেও আজি তেওঁক বিভাগৰ পৰা আনুষ্ঠানিকভাৱে বিদায় দিবলৈ আগবাঢ়িছোঁ। মাথোঁ দুটা বছৰতে তেওঁৰ পৰা পোৱা অনুপ্ৰেৰণা কেতিয়াও পাহৰিব নোৱাৰিম। ছাৰৰ মৰম, উপদেশ, দিহা-পৰামৰ্শ আৰু আন আন ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ উৎসাহ মোৰ জীৱনৰ এটি সোণালী পৃষ্ঠা হৈ ৰ'ব। যদি এই দুবছৰত অজানিতে তেওঁৰ ওচৰত কোনোধৰণৰ ভুল-দোষ কৰিছিলোঁ নতুবা তেওঁৰ বিৰুদ্ধাচৰণ কৰিছিলোঁ তাৰ বাবে মই ক্ষমা বিচাৰিছোঁ। তেখেতৰ দীৰ্ঘায়ু তথা সুস্বাস্থ্য কামনা কৰিলোঁ। ◆ ◆

"মহাবিদ্যালয়খনেই মোৰ জীৱন-জীৱিকাৰ স্থল। মহাবিদ্যালয়খন মোৰ দ্বিতীয় ঘৰ।"

# অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়াৰ সৈতে সাক্ষাৎকাৰ

সাক্ষাৎ গ্ৰহণ ঃ

●বিদ্যুৎ দত্ত

প্ৰশ্ন ঃ আৰম্ভণিতেই আমি আপোনাৰ জন্ম, শৈশৱ আৰু শিক্ষা জীৱন সম্পৰ্কে কিছু কথা জানিবলৈ বিচাৰিছোঁ।

শ্যা. ঠা. ঃ মোৰ জন্ম হৈছিল নগৰবেৰাৰ সৰু কালুবাৰী গাঁৱত। দেউতা প্ৰয়াত শ্ৰীধৰ ঠাকুৰীয়া আৰু মাতৃ চিত্ৰলেখা ঠাকুৰীয়া। যদিও মোৰ জন্ম সৰু কালুবাৰী গাঁৱত, তথাপি মোৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল পথালিপাৰা প্ৰাথমিক বিদ্যালয়ত। সেই সময়ত পথালিপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল মহেশ্বৰ ঠাকুৰীয়া। শিক্ষাৰ ক্ষেত্ৰত ঠাকুৰীয়া ছাৰ অতিশয় আগ্ৰহী আছিল। জ্ঞানৰ প্ৰতি তেওঁৰ সেই আগ্ৰহৰ কথা লক্ষ্য কৰিয়েই আমাৰ পৰিয়ালৰ আটাইকেইজন ভাতৃ-ভগ্নীয়েই তাতেই প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিলোঁ। পৰৱৰ্তী সময়ত শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয় আৰু টিপলাই উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষা

গ্ৰহণ কৰোঁ। টিপলাই বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতক পৰ্যন্ত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়তে শিক্ষাগ্ৰহণ কৰোঁ। আৰু শৈশৱৰ কথা ক'বলৈ গ'লে ক'ব লাগিব যে আমি নগৰবেৰাৰ ধূলি-বালি, চৰাই-চিৰিকতিৰ সৈতে একেলগে ওমলি-জামলি ডাঙৰ-দীঘল হৈছোঁ। দেউতাৰ মৃত্যুৰ পাছত অভাৱ-অনাটনেও আমাৰ পৰিয়ালটোক জুৰুলা কৰি তুলিছিল। গতিকে এইবোৰৰ মাজতেই আমি শৈশৱৰ সময়খিনি পাৰ কৰিছোঁ।

**প্ৰশ্ন ঃ আমি জনাত আপুনি সদৌ অসম ছাত্ৰ সন্থা (AASU)ৰ এগৰাকী সক্ৰিয় সদস্য আছিল। কামৰূপ জিলাৰ আছুৰ নেতৃত্বও আপুনি বহন কৰিছিল। আপুনি আছুৰ সৈতে কিদৰে জড়িত হ'ল আৰু আছুত থকা সময়ছোৱাত কেনেধৰণৰ কামৰ সৈতে জড়িত হৈছিল সেই সম্পৰ্কে কিছু কথা জনাবনে?**

**শ্যা. ঠা. ঃ** মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা সময়ৰ পৰাই আছুৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিলোঁ যদিও উচ্চ মাধ্যমিকত অধ্যয়নৰত সময়ছোৱাৰ পৰাই আছু আৰু মাধ্যম আন্দোলনৰ প্ৰতি কিছু পৰিমাণে আকৰ্ষিত হৈছিলোঁ। আমাৰ ঘৰখনতো যিহেতু সেই আন্দোলন আৰু আছুৰ প্ৰতি এক যোগাত্মক মনোভাৱ আছিল, গতিকে স্বাভাৱিকভাৱেই এনে এক পৰিৱেশত ময়ো লাহে লাহে আছুৰ প্ৰতি আকৰ্ষিত হৈ আহিলোঁ। সেই সময়ছোৱাত ছাত্ৰ সন্থাক নেতৃত্ব দিয়াৰ ক্ষেত্ৰত নগৰবেৰাৰ বৰ্তমান যিটো পশ্চিম কামৰূপ ছাত্ৰ সন্থা এইটো আগতে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ অন্তৰ্গত আছিল। দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয় আছিল বকোত। তেতিয়া কামৰূপৰ ছাত্ৰ সংগঠনৰ নেতৃত্ব বকোৰ পৰাই দিয়া হৈছিল। তাত বিশেষকৈ মই ১৯৭৮ চনত দক্ষিণ-পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত হওঁ। আৰু উপ সভাপতি পদ লোৱাৰ পাছৰে পৰাই ছাত্ৰ সন্থাৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ পৰিলোঁ। ১৯৭৯ চনত যেতিয়া অসম আন্দোলনৰ সূত্ৰপাত হয়, সেই সময়ছোৱাতেই আমি নগৰবেৰা অঞ্চলত পশ্চিম-কামৰূপ ছাত্ৰ সন্থা নামেৰে ছাত্ৰ সন্থাৰ এটা স্বীকৃতিপ্ৰাপ্ত শাখাৰ জন্ম দিওঁ আৰু সেই ছাত্ৰ সন্থাৰ প্ৰথম সভাপতি হিচাপে মোৰ হাতত দায়িত্ব অৰ্পণ কৰা হৈছিল। তাৰ

পাছত মই গুৱাহাটী মহকুমা ছাত্ৰ সন্থাক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পালোঁ। গুৱাহাটী মহকুমা ছাত্ৰ সন্থাৰো প্ৰথম উপ-সভাপতি ময়েই নিৰ্বাচিত হৈছিলোঁ। পৰৱৰ্তী সময়ত ১৯৮৭ চনত হাজো অধিৱেশনত মই গুৱাহাটী মহকুমাৰ সভাপতি পদৰ বাবে নিৰ্বাচিত হওঁ। দুবছৰ কাল তাত নেতৃত্ব দিয়াৰ পাছত সদৌ কামৰূপ ছাত্ৰ সন্থাৰ বকো অধিৱেশনত মই সভাপতিৰ পদত নিৰ্বাচিত হওঁ। সেই সময়খিনিত যিহেতু মই গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি আছিলোঁ, আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ো গুৱাহাটী বিশ্ববিদ্যালয়তেই আছিল। গতিকে সেই সময়খিনিত আছুৰ যোগেদি বিভিন্ন অনুষ্ঠানত অতি সক্ৰিয়ভাৱে যোগদান কৰিছিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী শাখাৰ সম্পাদক থকাৰ উপৰিও মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্ট সভাৰো সদস্য আছিলোঁ। পৰৱৰ্তী সময়ত ১৯৯১ চনত ডিমৰীয়া অধিৱেশনত মই সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ পৰা পদত্যাগ কৰি বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগত সহকাৰী অধ্যাপকৰ পদত আনুষ্ঠানিকভাৱে যোগদান কৰোঁ।

**প্ৰশ্ন ঃ আপুনি ইতিমধ্যে কৈছে যে অসম আন্দোলনৰ ভৰপক সময়খিনিত আপুনি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ। গতিকে অসম আন্দোলনৰ সৈতে আপুনি কিদৰে জড়িত হৈ পৰিছিল সেই সম্পৰ্কে কিছু কথা কওকচোন।**

**শ্যা. ঠা. ঃ** অসম আন্দোলনত মই ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিলোঁ। আনকি ১৯৮৩ চনৰ অসম আন্দোলনৰ সময়ত নগৰবেৰা থানাত এৰেষ্ট হৈ গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰত তিনিমাহ জেলো খাটিছিলোঁ। জেলত কটোৱা সময়খিনিত বহুকেইজন আন্দোলনৰ সহকৰ্মীক লগ পাইছিলোঁ। সেইসকলৰ ভিতৰত প্ৰয়াত বিৰাজ শৰ্মা, যতীন মালি, চন্দ্ৰমোহন পাটোৱাৰী আদি আছিল। অসম আন্দোলন বুলি ক'লে আজিও শিয়ৰি উঠোঁ। কিবা সপোন সপোন লাগে। পুলিচ, চি. আৰ. পি. এফ. ৰ হাততো যথেষ্ট শাৰীৰিক-মানসিক আক্ৰমণৰ সন্মুখীন হৈছিলোঁ। বহু দিন, বহু ৰাতি পুলিচ, চি. আৰ. পি. এফ. ৰ পৰা বাচিবলৈ হাবিতো কটাবলগীয়া হৈছে। নগৰবেৰা থানাৰ উপেন বৰা নামৰ এগৰাকী অ'চিৰ হাততো যথেষ্ট

শাৰীৰিক অত্যাচাৰৰ সন্মুখীন হৈছিলোঁ। এইঅতবোৰ আক্ৰমণ আৰু আতিশয্যয়ো কিন্তু আমাক আন্দোলনৰ পৰা পিছ হুহকাব পৰা নাছিল। হয়তো এইবোৰেই আছিল আন্দোলনৰ প্ৰতি সাধাৰণ জনতাৰ স্বতঃস্ফুৰ্ত সমৰ্থন। এই আন্দোলনৰ ফলতেই সেই সময়ৰ অবিভক্ত কামৰূপ (বৰপেটা, নলবাৰী আৰু কামৰূপ) জিলাৰ ছাত্ৰ সন্থাৰ প্ৰায়বোৰ নেতাৰ সৈতেই মোৰ ঘনিষ্ঠতা গঢ় লৈ উঠিছিল। মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত এইসকলকো বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়খিনিত বন্ধুৰূপে পাইছিলোঁ। প্ৰয়াত কাৰ্তিক হাজৰিকা মোৰ ৰূমমেট আছিল। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশীও মোৰ একালৰ ঘনিষ্ঠ বন্ধু আছিল। আমি পাঁচ-ছয় বছৰ কাল তেওঁলোকৰ সৈতে অতি ঘনিষ্ঠভাৱেই কটাইছোঁ। বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা হৃষীকেশ গোস্বামীও তাৰে এজন। আন্দোলনৰ কথাবোৰ কৈ কেতিয়াও শেষ কৰিব পৰা নাযায়। যিমান ক'লেও ক'বলগীয়া বহুত কথাই থাকি যায়।

**প্ৰশ্ন ঃ আপোনাৰ জীৱনক প্ৰভাৱিত কৰা এগৰাকী আদৰ্শ ব্যক্তিৰ কথা কওকচোন।**

শ্যা. ঠা. ঃ আদৰ্শ ব্যক্তিৰ কথা ক'বলৈ গ'লে এজন ব্যক্তিৰ কথা ক'লে নহ'ব; দুজন ব্যক্তিৰ কথা ক'বই লাগিব আৰু সেই দুজন ব্যক্তি হৈছে মোৰ দাদা ৰবিলোচন ঠাকুৰীয়া আৰু প্ৰবীণ ঠাকুৰীয়া। সৰুতেই দেউতা ঢুকালে। দেউতাই সামৰিক বাহিনীত চাকৰি কৰিছিল। এবাৰ ঘৰলৈ আহোঁতে ঘৰৰ মানুহে তেওঁক আৰু কৰ্মক্ষেত্ৰলৈ ঘূৰি যাবলৈ নিদিলে। ফলত তেওঁ ঘৰতেই খেতি-বাতি আৰু বিভিন্ন ব্যৱসায়ৰ সৈতে জড়িত হৈ পৰিছিল। পৰৱৰ্তী সময়ত তেওঁৰ যেতিয়া মৃত্যু হ'ল তেতিয়া মই একেবাৰে সৰু। পঞ্চম শ্ৰেণীৰ ছাত্ৰ। দেউতা ঢুকুওৱাৰ পাছত আমাৰ পৰিয়ালটোৰ পানীত হাঁহ নচৰা অৱস্থা। সৰু দাদাই মেট্ৰিক পাছ কৰিছে মাত্ৰ। ডাঙৰ দাদাই চাকৰিৰ সন্ধানত ঘৰৰ পৰা ওলাই গৈছে। তেওঁ গৈ গুৱাহাটীত টেক্সটাইল কোম্পানী এটাত চাকৰি পালে। সৰু দাদাই মেট্ৰিক পাছ কৰাৰ পাছত গুৱাহাটীৰ আৰ্য মহাবিদ্যালয়ত নামভৰ্তি কৰিলে। আৰ্যত পঢ়ি থকা অৱস্থাত

তেওঁৰ হাতত ঘৰ চলাবৰ বাবে কোনো উপায় নাছিল। গতিকে সপ্তাহটোৰ শুক্ৰবাৰে আহি ইয়াত ব্যৱসায় কৰি পুনৰ সোমবাৰে গুৱাহাটীলৈ উভতি যায়গৈ। দাদাৰ ব্যৱসায়ত ময়ো যিমান পাৰোঁ সহায় কৰি দিওঁ। সেই সময়ত আমাৰ বাঁহ-কাঠৰ ব্যৱসায় আছিল। সেইসূত্ৰে আমি বাঁহ-কাঠৰ ব্যৱসায়ত নামি পৰিলোঁ। এটা সময়ত সেই বাঁহ-কাঠবোৰ আমি যোগীঘোপা-কাবাইটাৰীলৈকে যোগান ধৰোঁ। দাদাই পঢ়া-শুনাৰ মাজতো তেনেদৰে শুক্ৰবাৰে আহি শনিবাৰে, দেওবাৰে ঘৰত থাকি ব্যৱসায়ৰ কাম কৰি সোমবাৰে পুনৰ উভতি যায়গৈ। অশেষ কষ্টৰ মাজেৰে দাদাই ঘৰ চলোৱাৰ লগতে নিজৰ পঢ়াৰ খৰচো যোগাৰ কৰিছিল। গতিকে এই কথাবোৰে মোৰ সেই শৈশৱৰ মনোজগতত ভাবৰ সৃষ্টি কৰিছিল। দাদাহঁতেই মোৰ জীৱনৰ প্ৰেৰণা হৈ উঠিছিল। আজিও সেই দুয়োজন দাদাকেই মোৰ জীৱনৰ মূল আদৰ্শ আৰু প্ৰেৰণা হিচাপে স্বীকৃতি দিব খোজোঁ।

**প্ৰশ্ন ঃ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ জন্ম পৰিক্ৰমা সম্পৰ্কে কিছু কথা কওকচোন।**

শ্যা. ঠা. ঃ ১৯৭২ চনত আনুষ্ঠানিকভাৱে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ স্থাপন হৈছিল যদিও ইয়াৰ বীজ ১৯৬৫ চনৰপৰাই অঙ্কুৰিত হৈছিল। আগতে নগৰবেৰা পৰগনীয়া আছিল। পৰগনীয়া মানে হৈছে কেইবাখনো গাঁও বা চুবুৰী লগ হৈ বহা সমাজ। সেই নগৰবেৰা পৰগনীয়া নামটো আঁতৰি ১৯৬৮ চনত নগৰবেৰা মৌজা কমিটী নামকৰণেৰে নামাংকিত হয়। সেই মৌজা কমিটীৰ আলোচনামৰ্মে মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰে। প্ৰয়াত কেশৱ ঠাকুৰীয়াকে আদি কৰি নগৰবেৰাৰ কেইবাজনো জ্যেষ্ঠ ব্যক্তিয়ে এইক্ষেত্ৰত আগভাগ লয়। অৱশেষত মৌজা কমিটীৰ নেতৃত্বত কলেজখনে প্ৰতিষ্ঠা লাভ কৰিলে। কলেজখন স্থাপন হোৱাৰ সময়ত প্ৰথম বেচ্‌ছৰ ছাত্ৰ আছিল মোৰ দাদা। কলেজখনৰ আৰম্ভণিৰ সময়খিনিত নগৰবেৰা হাইস্কুলত ক্লাছ-পাতিবোৰ হৈছিল। অৱশ্যে হাইস্কুলৰ লগত কলেজখন বৰ বেছিদিন নাথাকিল। মহাবিদ্যালয়খনৰ আৰম্ভণিৰ সময়খিনিত ইয়াৰ লগত জড়িত মানুহখিনিয়ে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল।

তেতিয়া মানুহৰ হাতত আজিৰ দৰে টকা-পইচাও যথেষ্ট নাছিল। সেইখিনি সময়তে তেল, চেনী আৰু নিমখত কৰ এটা আৰোপ কৰা হৈছিল। তেতিয়া তেলত দুই পইচা আৰু চেনী আৰু নিমখতো এক পইচাকৈ কৰ আৰোপ কৰা হ'ল। তেনেকৈ ব্যৱসায়ীবোৰৰ যোগেদি পইচাবোৰ সংগ্ৰহ কৰা হ'ল। আৰু তেনেকৈয়ে লাহে লাহে কলেজৰ প্ৰতিষ্ঠা হ'ল। ষ্টাফ নিয়োগ কৰা হ'ল। কলেজখনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত নগৰবেৰা হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰয়াত কৃষ্ণকান্ত শৰ্মা যথেষ্ট আগৰণুৱা আছিল। সি যি কি নহওক, তেনেকৈ মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰাৰ পাছত বৰ্তমানলৈকে অঞ্চলটোৰ ৰাইজ মহাবিদ্যালয়খনৰপৰা যথেষ্ট উপকৃত হৈছে। আগতে ১৯৫০ চনত নগৰবেৰা হাইস্কুল প্ৰতিষ্ঠা হৈছিল। তাৰপাছত প্ৰায় দুটা দশকতকৈও বেছি সময় অঞ্চলটোত কোনোধৰণৰ উচ্চশিক্ষাৰ অনুষ্ঠানে প্ৰতিষ্ঠা লাভ নকৰিলে। পৰৱৰ্তী সময়ত ১৯৭২ চনত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ে জন্ম লাভ কৰিলে।

**প্ৰশ্ন ঃ সুদীৰ্ঘ দিন চাকৰি কৰা ব্যক্তি হিচাপে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অতীত আৰু বৰ্তমানৰ মাজত কি কি পাৰ্থক্য লক্ষ্য কৰে?**

শ্যা. ঠা. ঃ পাৰ্থক্য বুলি ক'লে বহুবোৰ কথাই মনলৈ আহে। আগতে মহাবিদ্যালয়ত শিক্ষক-ছাত্ৰ নাইবা শিক্ষক-সহকৰ্মীৰ মাজত যিটো আত্মিক সম্পৰ্ক আছিল, সেইটোত বৰ্তমানে বহুপৰিমাণে ঘূণে ধৰিছে। পূৰ্বৰ অধ্যক্ষ প্ৰয়াত দেৱপ্ৰসাদ শইকীয়া ছাৰ আছিল এগৰাকী অতি ৰুচিবান আৰু শিক্ষাৰ প্ৰতি আগ্ৰহী ব্যক্তি। তেওঁৰ প্ৰেৰণাতেই বহুতো শিক্ষক শিকনৰ প্ৰতি অতি আগ্ৰহী হৈ উঠিছিল। ১৯৯৬ চনত শইকীয়া ছাৰৰ মৃত্যু হয়। আনহাতে, আমাৰ মহাবিদ্যালয়খনৰ শিক্ষাৰ যিটো সুনাম সেইটোও পূৰ্বতকৈ কিছুপৰিমাণে হ্ৰাস হৈছে। তাৰপাছত ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰূপে নিৰোদ বৰণ দাস, দয়ানন্দ কুমাৰ দাস, ড° নীলকমল বৰদলৈ আৰু পূৰ্ণকালীন ৰূপে ড° পৰাগ কুমাৰ ভট্টাচাৰ্য ছাৰ আহিল। পৰৱৰ্তী সময়ত ড° বিভূতিভূষণ পাণ্ডাও আহিল। ড° পাণ্ডাই অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়াক কিছু বছৰ পাইছিল। দেৱপ্ৰসাদ শইকীয়া ছাৰৰ প্ৰশাসন পৰিচালনাৰ কৌশল আছিল অতুলনীয়। অধ্যক্ষ

শইকীয়া ছাৰ যথেষ্ট সৰল আৰু মৰমীয়াল স্বভাৱৰ আছিল যদিও প্ৰয়োজনত যথেষ্ট নমনীয় আৰু কঠোৰো হৈ উঠিছিল। শিক্ষাৰ ক্ষেত্ৰত কোনোবাই গাফিলতি কৰিলে তাত তেওঁ কেতিয়াও কম্প্ৰমাইজ কৰা নাছিল। এনেধৰণৰ আৰু বহুতো পাৰ্থক্য মহাবিদ্যালয়খনৰ অতীত আৰু বৰ্তমানটোৰ মাজত দেখা পাওঁ।

**প্ৰশ্ন ঃ মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰতো নিশ্চয় বহুখিনি পৰিৱৰ্তন আহিছে?**

শ্যা. ঠা. ঃ নিশ্চয় বহুখিনি পৰিৱৰ্তন আহিছে। আমি যেতিয়া পঢ়িছিলোঁ তেতিয়া আছিল তাৰাই বাঁহৰ বেৰ কেইখনমান। ওপৰত আছিল টিঙৰ চালি। পৰৱৰ্তী সময়ত ইউ জি চিৰ অনুদানৰ সহায়তো মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত বহুখিনি পৰিৱৰ্তন আহিছে। মহাবিদ্যালয়খনৰ কনষ্ট্ৰাকশ্যন কমিটীৰ এজন সদস্য হিচাপে মোৰ বহুবছৰীয়া অভিজ্ঞতা আছে। তাৰ আধাৰত মই ক'ব খোজোঁ যে আমি সততাৰে কাম কৰিছিলোঁ। এটকাত এটকা বিছ পইচাৰ কাম কৰিছিলোঁ, এটকাত নব্বৈ পইচাৰ কাম কেতিয়াও কৰা নাছিলোঁ। অৰ্থাৎ বজাৰত যদি এহেজাৰ ইটাত ছহেজাৰ টকা লাগে, তেনেক্ষেত্ৰত আমি সেই এহেজাৰ ইটা কেনেকৈ পাঁচ হেজাৰত পাওঁ তাৰ বাবে দৰ-দাম কৰি সামগ্ৰী ক্ৰয় কৰিছিলোঁ। আৰু বস্তুৰ গুণৰ ক্ষেত্ৰত আমি কেতিয়াও কম্প্ৰমাইজ কৰা নাই। কিন্তু সামগ্ৰীৰ ক্ষেত্ৰত দৰ-দাম কৰি হ'লেও কামখিনি কৰাইছিলোঁ। মই থকালৈকে সেইবোৰ দিশত গুৰুত্ব দিছিলোঁ। বৰ্তমান বা ভৱিষ্যতত সেইবোৰ কিদৰে চলিব সেই সম্পৰ্কে মই অজ্ঞাত। মোৰ চাকৰি জীৱনৰ প্ৰায় বিছ বছৰ কাল মই মহাবিদ্যালয়খনৰ অন্যান্য কামৰ লগতে আন্তঃগাঁথনিৰ ক্ষেত্ৰত জড়িত হৈ আছিলোঁ। এইক্ষেত্ৰত কিমানদূৰ সফল হৈছোঁ নাজানো; কিন্তু এটা কথা ন দি ক'ব পাৰোঁ যে কামৰ ক্ষেত্ৰত মই সততাক সদায় আগস্থান দিছিলোঁ।

**প্ৰশ্ন ঃ এগৰাকী আদৰ্শৱান শিক্ষক হ'বলৈ হ'লে তেওঁৰ থাকিবলগা পাঁচটা গুণৰ কথা কওকচোন।**

শ্যা. ঠা. ঃ মই থিয়ৰীটিকেলভাৱে নকওঁ। তাৰ সলনি ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰে কিছু কথা কওঁ। মই ছাত্ৰ-ছাত্ৰীসকলক সদায় নিজৰ সন্তানৰ দৰে ভাবি আহিছোঁ। পিতৃয়ে সন্তানক কৰিবপৰা শাসন-মৰম এই সকলো মই মোৰ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ চাওঁ। আমাৰ মহাবিদ্যালয়ত অধ্যয়ন কৰা বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই অৰ্থনৈতিকভাৱে নিম্নশ্ৰেণীৰ। গতিকে এইক্ষেত্ৰত মই তেওঁলোকৰ সুখ-দুখৰ কথাবোৰো অনুধাৱন কৰিবলৈ যিমান পাৰোঁ চেষ্টা কৰোঁ। মোৰ নিজৰ শৈশৱ-কৈশোৰৰ সময়খিনিও যিহেতু মই যথেষ্ট সংগ্ৰামৰ মাজেৰে পাৰ কৰি আহিছোঁ, গতিকে তেওঁলোকৰ বিভিন্ন সমস্যাবোৰ মোৰ বুজাৰ ক্ষেত্ৰত বহুখিনি সুবিধা হয়। ক্লাছতো ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মই প্ৰায়েই সিহঁতৰ ব্যক্তিগত সমস্যা-সংগ্ৰাম আদিৰো খবৰ ৰাখোঁ। আৰু ক্লাছত এটা কথা মই সিহঁতক প্ৰায়েই কওঁ, "আমি কোনেও সোণৰ চামুচ মুখত লৈ জন্ম লোৱা নাই। গতিকে সংগ্ৰামৰ মাজেদিহে আমি সফলতা অৰ্জন কৰিব পাৰিম। তোমালোকৰ পিতৃ-মাতৃয়েও কপালৰ ঘাম মাটিত পেলাই তোমালোকক মহাবিদ্যালয়লৈ পঠাইছে। গতিকে পিতৃ-মাতৃৰ এই কষ্টবোৰ তোমালোকে অথলে যাবলৈ নিদিবা। আমিও যেতিয়া বিদ্যালয়-মহাবিদ্যালয়ত পঢ়িছিলোঁ তেতিয়া আমাৰ ছেণ্ডেল এযোৰ কিনিবলৈও সামৰ্থ্য নাছিল। এটা চাৰ্টৰ বাহিৰে দুটা চাৰ্ট নাছিল। আমি তেনেদৰেই পঢ়ি আহিছিলোঁ। তোমালোকে এতিয়া বহুত সুবিধা পাইছা। গতিকে সকলোৱে এই সুবিধাবোৰ কামত লগোৱা।"

**প্ৰশ্ন ঃ চাকৰি জীৱনৰ আটাইতকৈ স্মৰণীয় ঘটনাটো কি?**

শ্যা. ঠা. ঃ স্মৰণীয় ঘটনা বুলি ক'লে বহু ঘটনাই মনলৈ আহে। এইক্ষেত্ৰত তিতা-মিঠা সকলো অভিজ্ঞতাই আছে। অৱশ্যে এনেকুৱাও হয়তো হ'ব পাৰে যে কলেজখনক যিহেতু মই প্ৰাণভৰি ভাল পাওঁ সেইবাবে হয়তো আনতকৈ মই অলপ বেছিকৈ দুখ পাওঁ। মহাবিদ্যালয়খনত বাহিৰা মানুহ আহি কৌশলেৰে মহাবিদ্যালয়ৰ ঠিকাৰ কামবোৰ ল'ব বিচাৰিছিল। আমি দুজনমানে তাৰ বিৰোধ কৰাত আমাৰ ওপৰত বিভিন্নধৰণৰ অভিযোগ আৰু বদনামো আৰোপিত হৈছিল।

গতিকে সেইবোৰক গুৰুত্ব নিদি আমি আপোন মহাবিদ্যালয়খনক সদায় নিজৰ মাতৃৰ দৰেই সাৱটি থাকিলোঁ। মহাবিদ্যালয়খন মোৰ জীৱন-জীৱিকাৰ স্থল। মহাবিদ্যালয়খন মোৰ দ্বিতীয় ঘৰ। ◆ ◆

# শ্ৰদ্ধাৰে শ্যামা চৰণ ঠাকুৰীয়া ছাৰলৈ...

●ভূমিজা বৰ্মন

ঠাকুৰীয়া ছাৰলৈ প্ৰথমেই মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি জনাইছোঁ। শ্ৰেণীকোঠাত তেওঁ মোৰ কোনোদিন শিক্ষক নাছিল। তেজৰ সম্পৰ্কত তেওঁ মোৰ সহোদৰ ককাইদেউ নহয়। অথচ তেওঁ মোৰ বাবে সন্মানীয় শিক্ষাগুৰু আৰু কলেজৰ বাহিৰত আমাৰ ককাই-ভনীৰ সম্পৰ্ক।

তেওঁ মধুৰ স্বভাৱৰ। মৰমীয়াল আৰু এখন কোমল হৃদয় আছে বাবেই তেওঁৰ হৃদয় বাস্তৱতাৰ কঠোৰতাত ক্ষত-বিক্ষত। তেওঁ কলেজখনক প্ৰাণভৰি ভাল পায়। নিজে পঢ়ি যোৱা কলেজখনতে তেওঁ ১৯৯০ চনত শিক্ষক হিচাপে যোগদান কৰে। ২০২০ চনৰ ৩০ ছেপ্তেম্বৰলৈ সময়ৰ কোনো হেৰফেৰ নোহোৱাকৈ ৰাতিপুৱা ৮ঃ৪৫ বজাত কলেজত উপস্থিত হৈছিল আৰু আবেলি ২ বজাৰ পৰা ২ঃ৩০ বজালৈ গোটেই কলেজখনত অতন্দ্ৰ প্ৰহৰী হৈ এজন সজাগ সৈনিকৰ দৰে, বীৰৰ দৰে দপ্‌দপাই ফুৰিছিল। কলেজৰ সকলো সমস্যাতে তেওঁ আগভাগ লৈছিল আৰু সুদক্ষ নেতৃত্বৰে তাৰ সমাধান কৰিছিল। নেতৃত্বৰ গুণ তেওঁৰ ছাত্ৰ অৱস্থাৰ পৰাই আছিল। আৰু সেইবাবেই অসম আন্দোলনত সুদক্ষ নেতৃত্বৰে সদৌ অসম ছাত্ৰ সন্থাৰ কামৰূপ জিলা সমিতিৰ সভাপতি আৰু সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য্যনিৰ্বাহক সদস্যও হ'ব পাৰিছিল।

তেওঁ অকল কলেজৰ শিক্ষকেই হৈ থকা নাছিল। শিক্ষক গোটৰ সম্পাদক আৰু দীৰ্ঘকাল ধৰি সভাপতিৰ আসনো অলংকৃত কৰিছিল। কলেজ প্ৰশাসনৰো এগৰাকী সন্মানীয় সদস্য হৈ সুখ্যাতিৰে তেওঁৰ কৰ্মজীৱনৰ সামৰণি মাৰিছে যদিও এতিয়াও তেওঁ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ সভাপতি ৰূপে কৰ্মৰত। ছাৰৰ বৰ্ণাঢ্য জীৱনৰ কৰ্মৰাজিৰ পৰিসৰ বহুত বহল। কেৱল শিক্ষকতাৰ মাজতে তেওঁৰ জীৱন সীমিত নহয়। বৃহত্তৰ নগৰবেৰা অঞ্চলৰ, আমাৰ মহাবিদ্যালয়ৰ এজন অভিভাৱক হোৱাৰ লগতে তেওঁ নগৰবেৰা মৌজাৰো এজন সক্ৰিয় সদস্য। নগৰবেৰাৰ হিয়াৰ আমঠু ৰাস-মহোৎসৱৰ বৰ্তমানৰ সভাপতিও তেওঁ। তেওঁ নিঃস্বাৰ্থভাৱে সমাজ সেৱাৰ লগত জড়িত। মই যিমানদূৰ ছাৰক জানো তেওঁ তেওঁৰ ব্যক্তিগত জীৱন আৰু পৰিয়ালক সমাজ সেৱাৰ মাজত কেতিয়াও একাকাৰ নকৰে।

ছাৰৰ ব্যক্তিত্বও অতি সুন্দৰ। তেওঁক দেখিলে কঠোৰ যেন অনুভৱ হয়। দৰাচলতে তেওঁ কোমল হৃদয়ৰহে অধিকাৰী আৰু বৰ উদাৰ। ছাৰৰ সৈতে কলেজত পোৱা সুবিধা-অসুবিধাবোৰৰ বিষয়ে মুকলিকৈ কথা পাতিব পাৰি। তেওঁৰ লগত কথা পাতি ভাল লাগে। কিন্তু তেওঁ স্থিৰ হৈ ৰৈ থাকি বেছি কথা নুশুনে। গৈ থাকে। মানে আমাৰ নগৰবেৰাৰ ভাষাত 'বুলি' থাকে (খোজকাঢ়ি গৈ থাকে)। কলেজত খানা হ'লে তেওঁ সকলোবোৰ খবৰ ৰাখে। কোনে খালে, কোন অহা নাই, বিচাৰি হ'লেও মাতি আনে। ছাৰ বহুত মৰমীয়াল ব্যক্তি।

মানুহৰ জীৱনটো বিচিত্ৰ। জীৱনটো এটা সুন্দৰ কবিতা, এটা গল্প, একো একোটা প্ৰবন্ধ আৰু শেষত এখন জীৱন্ত উপন্যাস।

মোৰ অনুভৱত তেওঁৰ গুণ গুণ শব্দ
তেওঁ দুৰ্দান্ত প্ৰেমিক।
নগৰবেৰাৰ, বিপিচি কলেজৰ আৰু
তেওঁৰ পৰিয়ালৰ।
নগৰবেৰাৰ দুৰ্দান্ত প্ৰেমিক কাৰণে,
প্ৰাণতকৈও অধিক কলেজখনক ভাল পায় কাৰণে
তেওঁ বদনামী।

মাজে মাজে তেওঁৰ হৃদয় উচুপি উঠে
যেতিয়া নিঃস্বাৰ্থভাৱে কাম কৰিও
বদনামী হয় স্বাৰ্থপৰ হিচাপে...।
মৰমত উপচি পৰা তেওঁৰ এখন হৃদয় আছে।
মৰমভৰা হৃদয়খন আছে বাবেই
তাত আছে আঘাতৰ বহুতো
ক্ষত-বিক্ষত চিন।

এজোপা বটবৃক্ষ। লিখি শেষ কৰিব নোৱাৰি, বহুত কথাই বৈ গ'ল। সামৰিব খুজিছোঁ। প্ৰিয় শিক্ষকগৰাকীলৈ পুনৰ জনালোঁ শ্ৰদ্ধা আৰু ভক্তি। শেষত ক'ব খুজিছোঁ— "Life begins with Sixty." কুশলে থাকক শ্যামা চৰণ ঠাকুৰীয়া ছাৰ। ♦♦

# Down Memory Lane

●Prof. Nirmal Ch. Bhoi

Going places and meeting people enrich human experience and therefore remain a potential source of happiness and wisdom. The wealth of memory is a kind of value addition to life. In the long journey of life from birth to death voluntarily incorporates certain chapters in it's fold without any deliberate effort. School days, college and university time gradually settles into a carreer or profession of bread earning phase. With the passes of time some familiar phases and the events of far of days become murky and pale. Every new edition of people,places and events pushes the old one out into no memory zone. Still our association with the people and institutions where we are engaged for a considerable period of time remain vibrant and fresh like the members of our family. In this context I think it partinent to pay my rich tributes to some of my dearest colleagues who have retired/ to be retired from the Department of Assamese, B. P. Chaliha College, Nagarbera.

Wayback 1986 when I joined as lecturer in B.P. Chaliha College I happened to meet at least two of my colleagues because of my immediate association with the places and people. As I was staying alone in a rented room in Dokuchi I was informed of some of my new collegues staying in a nearby mess called **Seuji**. The name of the Mess is quite interesting as it stood for youth, dream and beauty, all at one place. As I was not wellversed in Assamese language I had some limitation in free communication. But once I paid my first visit to the Mess I turned myself into a frequent visitor. In **Seuji** Mess the seniormost member was Dr. Neel Kamal Bardoloi (Dept. of Geography) followed by Sri Nagendra Narayan Dewan (Dept. of Assamese), Chandra Chaudhury (Dept. of Education), Umesh Sharma (Chemistry) and Prabhat Chakravarty (Statistics). After sometime Umesh Sharma and Chandra Chaudhury channged their place of work. Among the rest we spent a quite a good deal of time together as colleagues and friends, After a successful service carreer of teacher and Principal i/c of B. P. Chaliha College Dr. Bordoloi has left for his divine abode just a few years back. In the last year of my service life I saw Dewan da retired one year ago and Prabhat Chakravarty's retirement is just few months old.

Having been tied by a common borned Dept. of English has alway kept a close rapport with the Dept. of Assamese. Therefore the friendship among the faculties of two departments is a bit much closer than expected. As I have already said my friendship with Prof. Nagendra Narayan

Dewan was quite easy and homly on account of being the same messmate quite for a long time (at Kalyani Baideo's house, Dokuchi). He was a handsome and polished youngman in his early thirties always bearing an ambiance and authority of elder brother. As a mark of respect we addressed him as *Dewan Da*. Even an interesting episode is attached to this respectful calling. Once one of my colleagues Prof. Dulal Debnath used to call Dewan sir as **Dewan Dangoria**. Another colleague of my department Prof. H. Sing who was not well versed in Assamese used to call him **Dewan Da ghoria.** Later he wanted to know the meaning of the Da gho ria because he understood the first word well. Lateron he wondered and said "What kind of title is this?" These are fine stuffs to keep us an good humour during those technically backward time.

The calm and serene outward appearance of Prof. Dewan speaks well of his inner contentment and peace. A man of soft and sweet spoken words he took all cares not to offend or hurt anybody. His relationship with his friends and colleagues was amiable and supportive. There was hardly any occasion when he was found to be arguing with any of his friends and accuaintance. In the early part of his carrier as lecturer loudness and the noise was rarely found in him. He was loved and appreciated by his students for his serious and profound study on Assamese language. He gave his hundred percentage to whatever work he undertook, be it a classroom job or a college function. Many spectacular events in the college were held by his initiations where his prime duty

was to arrange and invite the celebrities and intellectuals from different walks of life. From pedagogy to leadership his brilliance was a thing apart. Apart from a few occasion he was found to be projecting himself as a man of probity, honesty and gentleness. He remained healthy, fresh and lively till the days of his retirement. His exit from the college is as silent as his entrance. The former was caused by the Covid-19 pandemic where as the later was a matter of tradition. (Not much fanfare was there in earlier days when somebody joined his job). With his retirement the college loses a fine gentleman and popular teacher and the colleagues. May God bless him with all the happyness and health he deserves.

Next, in the pantheon of teachers who adorned the precious circle of Assamese Dept. is Prof. Dipti Rekha Pathak (Mazumdar).True to her reputation as the daughter-of-the-soil she traversed through most of the activities of the college. As immaculate in her attire she took every care to maintain decorum both in her relationship with students and colleagues. She was so endearing that most of our colleagues addressed her as *baideo* (elder sister). She was always in the forefront be it a cultural procession or college function. Usualy she was polished, refined and friendly. But it did not take her long to snap off all relation if she took something amiss. Anyway, befitting to her name she always radiates smile, wormth and beauty about all apects of life. She took keen interest in publishing regular departmental wall magazines as well as books and journals. She has been credited with authoring and publishing a number of books

including a short story collection. Her commitment to job and institution is unquestionable. With her retirement the light seems to have faded out of the Dept. of Assamese. Throughout she has proved herself valient and beautiful. I wish her the best of her post-retirement life.

The third in the chronological order is the charismatic, chivalrous and champion leader of not only the Dept. of Assamese but also of the whole of the college domain, is non other than Prof. Shyama Charan Thakuria. His role as a college-man outweights his role as a teacher. No doubt by his intimate and personal acquaintance with majority of the students, he is the most sought-after teacher in the college. He is more renowned as a crisis man or shock-absorber. Any student unrest, or untoward incident in the college, **lo** Prof. Thakuria is there to take the bull by horns. No doubt he must have created some natural enemies too. That may be for his different perceptions. But despite some individual limitations he is the first man to appear in the hour of need. He has been contributing immensely to our college in his different capacities starting from Assamese Dept. through supervision of College admission, presiding College Teachers Unit for a long period, working as Vice-President of IQAC, looking after the College Election and in all other matters he remains the flag bearer. His role as a bridge between college community and native people has always been appreciated. He seems not to bear any grudge towards anybody at the fag end of his carrer. His retirement would redifine the dynamics of relationship between the college and this stake-

holders. He seems to be full of energy and enthusiasm for accepting new challenges in life may God bring him peace and good health to make the rest of his life as joyful as possible.

While letting my feelings to flow free I have taken maximum liberty with my friends and colleagues to whom I owe a big apology. With their large heartedness and immensity of mercy I can reasonably beg for a kind let off for my impudence and unwise venture. Last but not the least among the stalworts of luminaries in the Dept. of Assamese of B. P. Chaliha College is Gandhi-headed, fairlooking, soft-spoken, wellbehaved, satirical-oriented brain Mollah sir. The name hardly goes well with the Department because people might think he should have been among the Arabic faculties. He is much loved and sought after teacher both by the students and teachers be it in the classroom or College functions. He is an on-the spot, satorist, bitter critic and flowery-language portrait painter of the man and manners. He takes care not to speak ill of anybody on the face excepts to Prof. Noor Alam of Political Science Dept. He fails not to prepare the farewell-appreciation letter for all the teaching and non-teaching staff who retires from our college family. His quotations in the appreciation letters are most often from the Bhagawat Gita and the Holy Koran. He is often called Viswakarma by Prof. H.Singh and Prof. D. C.Kalita for his expertise in carpentering, plumbering, road-repairing and thousand other tasks. He is a writer, printer, publisher, editor and critic of a rapid-action type of different generes

of literature. His ability to work harder under tough conditions springs surprises. I was associated in a couple of ventures he undertook to publish books on the eve of some National and International Seminars. No words of praise could suffice the value of his deeds. Whatever works he lays his hands on, he turns it into pure gold. In short, he is valuable and glorifies the place he lives in. May Allah bless him with all the happiness and bliss of this world and beyond. I shall terribly miss him after my retirement.

On the eve of my retirement years I came across two young talents, the latest addition to the wealth of the Assamese Dept. Mr. Alias Hassan Sahabul Islam and Mr. Bidyut Dutta. They step into the shoes of the great stalwarts who have enriched the Department in various ways. The infusion of the new blood might serve the interest of the Deptt. in a big way. Both Islam and Dutta are very popular among the students. They look exhuberant and energetic. Their thirst for knowledge and devotion to their work, sincereity, commitment and preserverance would go a long way in fulfillng the dreams and aspiration of the Assamese Deptt. I wish a great success to the Deptt. along with a long, happy and blissful life to all its faculties. ♦♦

# শ্ৰী শ্যামা চৰণ ঠাকুৰীয়াৰ ব্যক্তিত্ব

●শ্বাহ জামাল মোল্লা

স্বাধীন ভাৰতৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াত পৰিপূৰ্ণভাৱে চামিল হ'লেও জাতীয় অৰ্থনৈতিক সিদ্ধান্ত প্ৰণয়নৰ প্ৰশ্নত অসমীয়াৰ মতামতৰ কোনো অংশীদাৰীত্ব নাছিল। অসম আন্দোলনৰ অন্যতম ইতিবাচক দিশটো আছিল— অসমীয়াক পুঞ্জীভূত হতাশাৰ পৰা উদ্ধাৰ কৰি ৰৌদ্ৰোজ্বল প্ৰত্যাশাৰ দিশে ধাৱমান কৰোৱা। 'আছু'ৰ 'বহিৰাগত' বিৰোধী আন্দোলনক পৰৱৰ্ত্তী সময়ত সাংবিধানিক 'লক্ষ্মণৰেখা'ৰ গণ্ডীত অৱস্থান কৰোৱাৰ তাগিদাত 'বিদেশী বহিস্কৰণ' নামকৰণ কৰা হ'ল যদিও ইতিমধ্যে 'ভাৰত মাতা কী জয়' ধ্বনিক স্তিমিত কৰি 'জয় আই অসম' বোল অসমীয়াৰ হৃদয়-বাণীৰূপে চিহ্নিত হৈ অসমৰ আকাশ-বতাহত নিনাদিত হ'বলৈ আৰম্ভ কৰিছিল। শ্ৰী শ্যামা চৰণ ঠাকুৰীয়া ছাৰ 'আছু'ৰ অগ্নিযুগৰ ফিৰিঙতি। বলিষ্ঠ পদক্ষেপত যাৰ সামাজিক বিচৰণ, সৰ্বগ্ৰাহ্য যাৰ সামাজিক আচৰণ, সুগভীৰ কণ্ঠ-নিৰ্গত যাৰ উদাত্ত ভাষণ, পাতাল-প্ৰোথিত শিপাযুক্ত যাৰ বৌদ্ধিক আলাপন, জাতীয়তাবাদ-সুবাসী যাৰ চিন্তন, নৈষ্ঠিকতান্বয়ী যাৰ কৰ্ত্তব্য সমাপন, বিশেষত্বৰ দাবীদাৰ যাৰ শিক্ষণ;— তেওঁৰেই নাম অধ্যাপক শ্ৰী শ্যামা চৰণ।

শ্ৰী শ্যামা চৰণ ঠাকুৰীয়া নেতা। হয়, নেতা। কেৱলমাত্ৰ মানুহৰ ওপৰত প্ৰভাৱ বিস্তাৰৰ নিৰিখতেই নেতাক যাচাই কৰা নাযায়। বৰ্হিবাস্তৱক নিয়ন্ত্ৰণ কৰাৰ ক্ষমতাৰেহে যাচাই কৰা হয় নেতাক। শ্যামা চৰণ ঠাকুৰীয়াই বৰ্হিবাস্তৱক নিয়ন্ত্ৰণ

কৰিব পাৰে। তেখেত অপথৰ গুৰিয়াল নহয়। আহ্নিক আৰু বাৰ্ষিক দুয়োটা গতিৰেই তেখেতে কৰ্মৰ কক্ষপথত বিচৰণ কৰে। সৌৰজাগতিক শৃঙ্খলাৰ দৰে শ্যামা চৰণ ঠাকুৰীয়াৰ জীৱন-পৰিক্ৰমাৰো এটি গাণিতিক সূত্ৰ আছে। তেখেত ছাত্ৰ-বন্ধু, সু-শিক্ষক, সুহৃদ সহকৰ্মী, প্ৰশাসক সহযোগী, সুসমন্বয়ক আৰু আৰ্তজনৰ ভৰসা-বান্দা। তেখেত বাক্য-নবীশ বা কথা-নবাব নহয়। তেখেত গ্ৰন্থিজ্ঞানী দিশা-নিৰ্দেশক।

ঠাকুৰীয়া ছাৰৰ সামাজিক আৰু সাংস্কৃতিক দৃষ্টিত সাবালকত্ব আছে। অসমীয়াত্বক তেখেতে বহল দৃষ্টিভংগীৰে বিচাৰ কৰে। কিন্তু আপোচ নকৰে। তেখেতৰ ভাষ্যত 'ইন্দ্ৰধনু'ৰ সংকীৰ্ণ বৰণ-ব্যাখ্যা নাই। ঠাকুৰীয়া ছাৰৰ মত-বিৰোধীসকলেও তেখেতৰ কৰ্ম-পন্থাৰ প্ৰতি আকৰ্ষণ লুকাই ৰাখিব নোৱাৰে। তেখেতৰ বক্তব্য চতুৰ্মাত্ৰিক; য'ত স্পষ্টতাৰ লগত তীক্ষ্ণতাৰ মিলন ঘটিছে। প্ৰথম দৃষ্টিতেই তেখেতে অৰ্জুনৰ দৰে চৰাইৰ চকু প্ৰত্যক্ষ কৰে। কোনোবাই তেখেতৰ মতামতক সমৰ্থন কৰক বা নকৰক— তেখেতৰ কাম হ'ল— উনুকিয়াই দিয়া। কৰ্ত্তব্য পালনৰ কৃপণালী তেখেতৰ নাই।

ছাত্ৰকালৰ জয়জয়-ময়ময় বাতাবৰণত উগ্ৰতাক কিছুপৰিমাণে তেখেতে পোষণ কৰিছিল। কিন্তু বয়সৰ পূৰ্ণতা আৰু পৰিস্থিতিগত বাস্তৱিকতাই তেখেতক মাটিৰ দৰে সহনশীল কৰি তুলিছিল। সহনশীলতা তেখেতৰ জীৱনৰ ছন্দ। সহনশীলতাৰ পাঠ পঢ়োৱা আৰু সহনশীল হৈ উঠা একে কথা নহয়। কোনোবাই পাৰে, বহুতেই নোৱাৰে। পৰিস্থিতিৰ আহ্বানত শ্যামা চৰণ ঠাকুৰীয়াই ৰাজনৈতিক দৰ্শনৰ লগতো আপোচ কৰিছে। কিন্তু তেখেতে 'হায়া' বিসৰ্জন দিয়া নাই। অথবা নতজানু হৈ 'অনুগ্ৰহ প্ৰাৰ্থী'ৰ কাফেলাতো চামিল হোৱা নাই।

ভুল-ত্ৰুটি শ্যামা চৰণ ঠাকুৰীয়াৰ আছে। কাৰণ— তেখেত তেজ-মঙহৰ মানুহ। কিন্তু তেখেতে কৰা এনে কোনো সামাজিক ভুল দৃষ্টিগোচৰ নহয়; যাৰ ফিৰিঙতিয়ে খাণ্ডৱ দাহ কৰিব পাৰে।

সুদীৰ্ঘ আঠাইশ বছৰকাল শ্ৰী শ্যামা চৰণ ঠাকুৰীয়া ছাৰৰ লগত অতিবাহিত কৰাৰ সৌভাগ্য আমাৰ হৈছে। তেখেতৰ কাম-কাজৰ ধৰণ, চিন্তা-চেতনা, দায়িত্বশীলতা ইত্যাদিক কাষৰ পৰা প্ৰত্যক্ষ কৰাৰ সুযোগ পাইছোঁ। তেখেতৰ জীৱন আৰু ব্যক্তিত্বৰ এটি উজ্বল ৰূপৰেখাই এই সময়খিনিত মোৰ মানসপটত ছাপ বহুৱাইছে। মেলিলেও, মুদিলেও সেই বৈধিক উজ্বলতা মোৰ দুচকুত ধৰা দিয়ে।

তীক্ষ্ণবুদ্ধিসম্পন্ন উদাৰ দৃষ্টিভংগীৰ এই সুহৃদ সহকৰ্মীজনে পৰিয়ালটোক দহক, সমাজক বেছি 'সময়' দিছে। তেখেতক ভুলভাৱে বিচাৰ কৰাটো উচিত নহ'ব। ♦♦

# •লেখক-লেখিকাৰ পৰিচিতি•

**ড° ধীৰেশ চক্ৰৱৰ্তী**, সহযোগী অধ্যাপক তথা প্ৰাক্তন মুৰব্বী, ৰসায়ন বিজ্ঞান বিভাগ, সমন্বয়ক, IQAC, বি. প্ৰ. চলিহা মহাবিদ্যালয়

**ড° দিগন্ত কলিতা**, সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, বি. প্ৰ. চলিহা মহাবিদ্যালয়

**জুৰি পাঠক**, স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

**মৰ্জিনা খাতুন**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**অনিমা খাতুন**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**নৱনীতা দাস**, স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

**ভনীতা দাস**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**মিনোৱাৰা পাৰবিন**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**জুৰি দাস**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**পিংকী দাস**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**শ্বেলিমা আহমেদ**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**ইলিজা পাৰবিন**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**ৰেজাউল হক**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**জুনুমা খাতুন**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**কৃষ্ণ দাস**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

**চামেলী দাস**, স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

**সন্ধ্যা দাস**, স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

**লতিফা আহমেদ**, স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

**জোস্না ভানু**, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

ডিম্পী কৌৰ, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ
তাহেৰ আলি, প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ
সাগৰিকা কলিতা, স্নাতক প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ
ভূপালী তালুকদাৰ, স্নাতক প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ
এলিয়াচ হাচান চাহাবুল ইচলাম, সহকাৰী অধ্যাপক (অংশকালীন), অসমীয়া বিভাগ, বি. প্ৰ. চলিহা মহাবিদ্যালয়
ৰুবুল তালুকদাৰ, স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ
ডেইজী মেধি, স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ
কৃষ্ণা ৰায়, স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ
ডেইজী আহমেদ, স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ
অংকুমা দাস, স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ
বিদ্যুৎ দত্ত, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, বি. প্ৰ. চলিহা মহাবিদ্যালয়
ভূমিজা বৰ্মন, সহকাৰী অধ্যাপক, শিক্ষা বিভাগ, বি. প্ৰ. চলিহা মহাবিদ্যালয়
নিৰ্মল চন্দ্ৰ ভোঁই, সহযোগী অধ্যাপক, ইংৰাজী বিভাগ, বি. প্ৰ. চলিহা মহাবিদ্যালয়
শ্বাহ জামাল মোল্লা, সহযোগী অধ্যাপক, অসমীয়া বিভাগ, বি. প্ৰ. চলিহা মহাবিদ্যালয়

০ ০ ০ ০ ০ ০

## অসমীয়া বিভাগত সেৱা আগবঢ়োৱা পূৰ্বৰ শিক্ষক-শিক্ষয়িত্ৰীসকল-

| নাম | কৰ্মত যোগদান | অৱসৰ |
|---|---|---|
| ধীৰেন্দ্ৰ কুমাৰ ৰাভা | ২৬-০৮-১৯৭২ | ——— |
| ৰাম চৰণ ভঁৰালী | ২৬-০৮-১৯৭২ | ——— |
| সত্য মণি দত্ত | ২০-০১-১৯৭৬ | ——— |
| মানবেন্দ্ৰ কলিতা | ২৫-০৩-১৯৭৬ | ——— |
| ফণিধৰ তালুকদাৰ | ২২-০৮-১৯৮১ | ——— |
| ৰঞ্জিত কমাৰ বৰা | ১৫-১২-১৯৭৬ | ...... |

## অসমীয়া বিভাগৰ বিদায়ী শিক্ষক-শিক্ষয়িত্ৰীসকল-

| নাম | কৰ্মত যোগদান | অৱসৰ |
|---|---|---|
| নগেন্দ্ৰ নাৰায়ণ দেৱান | ০১-০১-১৯৮৪ | ৩০-০৬-২০১৯ |
| দীপ্তি ৰেখা পাঠক মজুমদাৰ | ০১-০৮-১৯৮৮ | ৩১-০৭-২০১৯ |
| শ্যামা চৰণ ঠাকুৰীয়া | ০৯-১১-১৯৯১ | ৩০-০৬-২০২০ |

## অসমীয়া বিভাগৰ বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীসকল-

| নাম | কৰ্মত যোগদান | সম্ভাব্য অৱসৰ |
|---|---|---|
| শ্বাহ জামাল মোল্লা | ২০-০২-১৯৯৩ | ৩১-০১-২০২৩ |
| বিদ্যুৎ দত্ত | ১৭-০৮-২০২০ | ৩১-০১-২০৫৬ |
| এ.এইচ.এছ.ইছলাম | (অংশকালীন) | |
| শিল্পী শৰ্মা | (চৰকাৰী অনুমোদন সাপেক্ষ) | |



অসমীয়া বিভাগৰ বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীসকল

-ঃ বাওঁফালৰ পৰা ক্ৰমে ঃ-

শিল্পী শৰ্মা, শ্বাহ জামাল মোল্লা, বিদ্যুৎ দত্ত আৰু এলিয়াচ হাচান চাহাবুল ইছলাম